all walks of life, not only political parties but also the student community as a whole, the workers and employees of different factories like the Noonmati Refinery are demanding a second public-sector refinery in Assam. This mass hunger strike has assumed a new and added importance. While the Assembly is in Session it is the duty of this Assembly to discuss this important matter and suggest ways and means to achieve the unanimous demand of the people of Assam, otherwise, Sir, if we fail to do justice to this subject, and if we fail to rise on to the occasion then the situation may develop into such a position which may not be within the control of anybody.

Therefore, Sir I, put my adjournment motion for your consideration and I hope that the House will be adjourned and the discussion will be allowed to take place on this issue.

Shri Atul Chandra Goswami : माननीय अध्यक्ष महोदय, ইতিমধ্যে ভটাচাৰ্য্য ডাঙৰীয়াই আৰু বিৰোধী দলৰ সদস্য সকলে সভাস্থগিত প্ৰস্তাৱ সমৰ্থন কৰিবলৈ অনুৰোধ কৰিছে, মই সদনৰ বেচি সময় লব খোজা নাই। আজি গোটেই অসমজুৰি ১২ ঘণ্টা অনশন ধৰ্মঘট হব, অসমৰ ন্যাৰ্য্য স্বাৰ্থৰ বাজহুৱা খণ্ডত ২য় তেলশোধনাগাৰ স্থাপনৰ দাবীৰ ওপৰত আৰু সেই কাৰণে গোটেই অসম জুৰি এটা আলোড়নৰ সৃষ্টি হৈছে। যদি বিধান সভাৰ অইন কাৰ্য্য বন্ধ নকৰি এই বিষয়ে আলোচনা নকৰে তেনেহলে অসমত বিভিন্ন ধৰণৰ অশান্তি জনক কাৰ্য্যকলাপ বাঢ়ি যাব। বিধান সভাৰ কাৰ্য্য পৰিচালনা বিধি

নিয়মৰ ৫৬ ধাৰা অনুযায়ী এই প্ৰস্তৱটো গৃহীত হব পাৰে আৰু ৫৭ ধাৰাৰ বাধা নিষেধে আটাইখিনি এই সভাস্থগিত প্ৰস্তাৱটোৱে উলংঘা কৰা নাই, গতিকে এই সভা স্থগিত প্ৰস্তাৱটো আলোচনা কৰা উচিত বুলি মই বিবেচনা কৰো।

(Shri Dulal Chandra Barua rose to speak ).

**Mr. Speaker :** I have asked the three movers to speak. If there be any objection or anything, then I will call other members to participate. Shri Gaurisankar Bhattacharyya has moved from one side—that is one position.

**Shri Dulal Chandra Barua :** Sir, I want to stress a new point, if you will permit me. Now, in support of the contention expressed by the hon. Members of this side for the admissiblity of the motion, I want to add only a few new points to it. As has already been stated, this adjournment motion has already fulfilled all the conditions of Rule 56 and is free from the restrictions of Rule 67 of our Rules of Procedure and Conduct of Business and as has already been stated by our Leader the question of Rule 144 is also involved waere your discretion is there. But my whole contention, in addition to the contention already expressed by the members of this side, Sir, why the adjournment motion is necessary or brought to the House. It is brought on a matter of great public importance which creates an extra-ordinary

situation and when it needs immediate intervention by the House here for a definite and immediate solution. So, in our explanatory note what we have given is that—'the mass hunger strike which has been launched to-day throughout the State has all of a sudden, created an extraordinary situation which is pregnant with grave and far reaching consequences.' Therefore, as it is an extraordinary matter and when the House is in session, we must discuss this matter to-day and find out a solution and give a correct lead to the people in achieving their legitimate goal.

My second point is that the Goverment may give a reply that this matter is not primarily the concern of the State Government, as the subject matter is primarily the concern of the Central Government. ( Mr. Speaker Please hear him ) What I want to explain is that through this motion we want to highlight the failure of the Government of Assam to take timely and appropriate measures to tackle this matter of urgent public importance; Sir, the question is primarily the concern of the State Government because the State Government have totally failed to put forward the demand of the people and convince the Government of India about the establishment of this 2nd Public Sector oil refinery in Assam. And due to the failure of the Government, we are to resort to hunger strike, even the hon, Members of the opposite side also

are resorting to this. Therefore, it is of an extra-ordinary nature and warrants the intervention of the House and we hope we will be able to find out a solution and give a correct lead to the people of the State.

Shri Mahendra Mohan Choudhury : Sir, the hunger strike by some of the hon. Members of this House and the mass hunger strike resorted to throughout the State on the refinery issue is a matter which has no precedent. The hon. Movers of the motion want by this motion to discuss a matter very vital for the Stat of Assam. Therefore, it will be in-discreet on our part to stand on its way. You, Sir, if in your discretion allow the motion may fix for its discussion to-day or any day as ordained by the Rules of Procedure and Conduct of Business of the House. But this may not create a convention taking into consideration the extraordinary nature of this issue, The charge of failure on the part of the Assam Government is not borne out by facts. There is no decision yet. The matter is under negotiation.

Mr. Speaker : I have heard both sides of the House on the admissibility of the adjournment motion. The motion seeks to discuss a very extraordinary situation created by the mass-scale fast by the people of the State including the members of the Opposition of this House in pursuance of the demand

for the establishment of the second oil refinery in the State. I consider this to be a definite matter of very urgent public importance. Although the day is meant for discussion of the demands for grants, I give may consent under Rule 144 (2) to move the motion as a special case and it will not be treated as a precedent. With these observations, the motion is admitted under Rule 56 and Rule 60 (1). I would now call the mover of the motion to ask for leave of the House to move the adjournment motion.

Shri Gaurisankar Bhattacharyya : I beg leave of the House to allow me to move the Adjournment Motion,

Mr. Speaker : Has the hon. Member leave of the House to move his motion ? (after a pause) Leave of the House is granted. I fix under Rule 60 (1), 4-30 p.m. today for the discussion of the motion.

Shri Gaurisankar Bhattacharyya : How long, Sir ?

Mr. Speaker : Two hours. The Minister may take half an hour or 15 minutes as he likes for reply. In the meantime, we have to close the debate at 6 p. m. positively and then 30 minutes will be required by the Minister to reply.

**Re : Cholera epidemic in Mangaldoi Sub-division.**

Shri Dulal Chandra Barua : অধ্যক্ষ মহোদয়, মই আগতে কম। কাৰণ মই বহুত পৰৰ পৰা কবলৈ বিছাৰিছো। যিহেতু মঙ্গলদৈ

মহকুমাত কলেৰাৰ কোনো ব্যৱস্থালোৱা হোৱা নাই। স্বাস্থ্য বিভাগৰ যন্ত্রী যদিও ইয়াত উপস্থিত নাই তেখেতক মই জনাব খুজিছো ইয়াৰ যেন অতি সোনকালে ব্যৱস্থা কৰে আৰু লগতে ইতিমধ্যে কিবা ব্যৱস্থা লোৱা হৈছে নে নাই তাকো যাতে সদনত জনায় ?

Shri Nakul Chandra Das : অধ্যক্ষ মহোদয়, মই অজি যোৱা ১০দিন ধৰি মঙ্গলদৈ মহকুমাত আছো। তাত কলেৰা মহামাৰীয়ে যি ব্যাপক ভীষণ আকাৰ ধাৰন কৰিছে তালৈ চাই চৰকাৰে অতি সোনকালে এটা ব্যৱস্থা গ্ৰহণ কৰিব লাগে। মই যোৱা কালি নিজে দেখি আহিছো—আৰু "দৈনিক অসমতো" এই বিষয়ে প্ৰকাশ পাইছে। মই চৰকাৰক অনুৰোধ কৰিছো যাতে অনতিপলমে কলেৰা মহামাৰীৰ প্ৰতিৰোধৰ ভাল ব্যবস্থা গ্ৰহণ কৰে।

**Shri Chatrasing Teron (Minister, Health) I shall give a statement tomorrow.**

## Voting on Demands for Grants

### Demand No. 2

### "9 Land Revenue"

*Shri Mahendra Mohen Choudhury (Minister Revenue) মাননীয় অধ্যক্ষ মহোদয়, আমাৰ এই Land Revenue সম্পৰ্কত যিটো সমালোচনাৰ প্ৰস্তাৰ দাঙি ধৰা হৈছে সেই প্ৰস্তাৰ সম্পৰ্কত যি কৰ্ত্তন প্ৰস্তাৰ দাঙি ধৰা হৈছে সেই বিলাক আলোচনা যোৱা শনিবাৰে দিঘলীয়াকৈ এই সদনত দিয়া হৈছে। কেৱল যোৱা শনিবাৰৰ পৰাই নহয়, যেতিয়া ই কোনো এটা সুবিধা সদস্যসকলে পাইছে তেতিয়াই আমাৰ Land Revenue Administration সম্পৰ্কত আলোচনা হৈছে। আৰু সেই আলোচনা বিলাকৰ মুখনিমাৰি কোনো কোনো সময়ত উত্তৰ দিয়া হৈছে। মই আমাৰ সদস্য সকলৰ প্ৰতি কৃতজ্ঞতা জনাইছো যে, তেখেত সকলে এই বিষয়ে আলোচনা প্ৰসঙ্গত

*Speech not corrected

বহুতো গঠন মূলক পৰামৰ্শ আগবঢ়াইছে। আৰু আমাৰ চৰকাৰৰ যিবিলাক ক্ষেত্ৰত ত্ৰুটি-বিচ্যুতি আদি হৈছে সেইবিলাক নীতিগত ভাৱে সংশোধন কৰিবৰ কাৰণে তেখেত সকলে আমাক সুবিধা দিছে।

অধ্যক্ষ মহোদয়, আজি আমাৰ বিশেষকৈ বিৰোধী সদস্যসকলৰ ফালৰ পৰা আমাৰ এই ভূমি সম্পৰ্কত যি সমস্যা সেই সমস্যাৰ এটা ফালহে দাঙি ধৰা হৈছে। এই সমস্যাৰ আৰু এটা ফাল আছে। সেই সমস্যা বিলাকৰ সম্পৰ্কত তেখেতসকলে কোনো কোনো সময়ত মাত মতা নাই। মই সেইবিলাক বিষয়ত উত্তৰৰ ছুষাৰমান নিৱেদন কৰিব খুজিছো আপোনাৰ অনুমতি ক্ৰমে।

চাৰ, আমি যিবিলাকে মন্ত্ৰীৰ আসনত বহিছো তেওঁ লোকৰ ওপৰত এটা বিশেষ দায়িত্ব আছে। সেই দায়িত্বতো হৈছে যে আমি কোনো বিষয়ে ভুল কথা সদনত কব নালাগে আৰু যিখিনি কথা সদনত কওঁ সেইমতে কাম কৰিব নালাগে। কিন্তু সমালোচকবিলাকৰ কাৰণে এই ছুয়োটা স্বত্ব নাখাটে।

Shri Gourisankar Bhattacharyya : আমি কেতিয়াও ভুল কথা নকওঁ।

Shri Mahendra Mohan Choudhury : তেখেতসকলে কোনো ভুল বাতৰিৰ ওপৰত নিৰ্ভৰ কৰি কোনো কোনো সময়ত সঠিক কথাৰ পৰা অলপ আতৰি যায়; আৰু তেখেতসকলে যিখিনি কথা ইয়াত দাঙি ধৰে সেই কথাবিলাকৰ Implementation ৰ দায়িত্ব তেওঁলোকৰ নহয়।

Shri Gaurisankar Bhattacharyya : লবলৈ আমাৰ ক্ষমতা নাই।

Shri Mahendra Mohan Choudhury : আমাৰ যদি কৰবাত কিবা কথাত ভুল হৈছে আৰু ঠিক হোৱা নাই, সেই সম্পৰ্কত যিখিনি কথা আমি চৰকাৰৰ ফালৰ পৰা Implement কৰিব পাৰো সেই কথা মই সদস্যসকলৰ আগত দাঙি ধৰিব খুজিছো।

চাৰ, আমি যিবিলাকে গৱৰ্ণমেণ্ট পৰিচালনা কৰিছো সেই সম্পৰ্কে

ৰাইজৰ Trustee হিচাৱে চৰকাৰে দায়িত্ব বহন কৰিছে আৰু এই trustee হিচাবে আমাৰ দেশৰ যিবিলাক জাতীয় সম্পদ আছে সেই বিলাক ৰক্ষণা-বেক্ষণৰ দায়িত্ব আমি গ্ৰহণ কৰিব লগীয়া হৈছে। আজি যদি আমি আমাৰ সেই জাতীয় সম্পদ সমূহ ধ্বংস কৰো আৰু তেতিয়া আমাৰ সমুখত যি সমস্যাৰ উদ্ভৱ হব, সেই সমস্যা সমাধান কৰিবলৈ চেষ্টা কৰিব লাগিব। আমাৰ দেশত ভবিষ্যতলৈ বিপদ মাতি অনাৰ আমাৰ কোনো উদ্দেশ্য নহয়। আৰু বিশেষকৈ আমি trustee হিচাবে তেনেকুৱা কাম কৰাৰ পৰা বিৰত থাকিব লাগিব। আজি আমি বিশেষকৈ মন্ত্ৰীসকলে তিনি বছৰৰ কাৰণে আমাৰ এই মন্ত্ৰীত্বৰ দায়িত্ব আছে। এই তিনি বছৰৰ ভিতৰত আমি আমাৰ দেশৰ জাতীয় সম্পদ ৰিজাৰ্ভ,-জংঘল আদি যিবিলাক আছে সেইবিলাক যদি কাটি চিঙি খাস্তাং কৰি আমি শেষ কৰো তেনেহলে আমাৰ ভবিষ্যত বংশধৰসকলে আমাক নিন্দা কৰিব। উদাহৰণ স্বৰূপে মই কব খুজিছো যে, আজি আমাৰ এই সদনত আমাৰ বিত্তমন্ত্ৰীৰ বিৰুদ্ধে অভিযোগ হৈছে, যে চৰকাৰে Unproductive Scheme ত টকা খৰচ কৰাৰ কাৰণে আজি আমাৰ ৫০ কোটিৰো ওপৰ টকা আমাৰ বাজেটত ঘাটি হৈছে। এইটো আমাৰ বিত্তমন্ত্ৰী শ্ৰীত্ৰিপাঠী ডাঙৰীয়াই এনে অৱস্থালৈ অনা নাই। তেখেতৰ পূৰ্ব্বৱৰ্তী মন্ত্ৰী আছিল সেইসকলে সেই খৰচ বিলাকৰ সম্পৰ্কত বিশেষ মনযোগ নিদিয়াৰ কাৰণেই আজি আমাৰ দেশৰ ঘাটি ক্ৰমে বাঢ়ি আহি ৫০ কোটি পাইছে। সেইকাৰণে চাৰ, আজি মই কোৱা নাই সেই ঘাটিৰ কাৰণে শ্ৰীত্ৰিপাঠী ডাঙৰীয়া দায়ী নহয়। এইটো তেখেতৰ old legacy আৰু সেই Legacy কাৰণে তেখেতৰ যিখিনি দায়িত্ব সেই দায়িত্ব তেখেতে নিশ্চয় বহন কৰিব লাগিব। সেই কাৰণে মই কব খুজিছো মই কংগ্ৰেছৰ মন্ত্ৰী, কংগ্ৰেছ মন্ত্ৰীয়ে যাতে কোনো ৰকমৰ অন্যায়ৰ কাম নকৰি উন্নয়নমূলক কাম কৰি নাযায় তেনেহলে ভৱিষ্যত যি ৰাজহ মন্ত্ৰীত্ব গ্ৰহণ কৰিব তেওঁ এই সদনৰ সদস্যসকলৰ সন্মুখত জৱাবদিহি কৰিব লাগিব। সেইকাৰণে মই কব খুজিছো যে আমি ৰিজাৰ্ভ, জংঘল আদি খুলি এটা নিৰ্দ্দিষ্ট নীতি লৈ কাম কৰিব লাগিব।

সেই নিৰ্দ্দিষ্ট নীতি আমি যাতে সকলোৰে সহযোগ, মতামত লৈ আমি মাটিৰ সমস্যা সমাধান কৰিব পাৰো তাৰবাবে চেষ্টা কৰি লাগিব। তাৰ পৰিবৰ্ত্তে যদি আমি মধ্যেমধ্যে, যতে তেতে, যেনেকৈ তেনেকৈ আমাৰ এই জাতীয় সম্পদ নষ্ট কৰাত ৰবঙনি যোগাও তেনেহলে আমি জাতীয় স্বাৰ্থৰ বিৰুদ্ধে কাম কৰা হব। আৰু ভৱিষ্যত বংশধৰসকলৰ আগত আমি জবাবদিহি হব লাগিব। সেইকাৰণে মই অনুৰোধ জনাইছো এই পৰিপ্ৰেক্ষিতত আমাৰ এই জাতীয় সম্পদবিলাকৰ ৰক্ষাৰ কাৰণে যিবিলাক ব্যৱস্থা হোৱা উচিত সেইবিলাক ব্যৱস্থা আমি গ্ৰহণ কৰিব লাগিব। আজি আমাৰ মাননীয় সদস্য শ্ৰীকামিনী মোহন শৰ্ম্মা আৰু শ্ৰীফমী বৰাই আমাক সদনৰ ভিতৰত আৰু বাহিৰতো কৈছে যে, মই মাটিৰ সমস্যা সমাধান কৰি কৃতিত্ব ৰাখিব লাগে। মাটি নোহোৱা মানুহক মাটি দি কৃতিত্ব ৰাখিব লাগে কিন্তু কৃতিত্ব ৰাখিবৰ আকাংখা মোৰ নাই।

**Shri Gaurisankar Bhattacharyya** : কৃতিত্ব ৰাখিবলৈ সকলোৰে আকাংখা কৰে সত্ত্ব কৃতিত্ব সকলোৰে আছে।

**Shri Mahendra Mohan Chaudhury** : কৃতিত্ব দুই ৰকমৰ সু-কৃতিত্ব আৰু কু কৃতিত্ব কিন্তু কোনটো সু-কৃতিত্ব আৰু কোনটো কু-কৃতিত্ব?

**Shri Gaurisankar Bhattacharyya** : মানুহক মাটি পট্টন দিয়াতো সু-কৃতিত্ব আৰু মানুহক উচ্ছেদ কৰাটো কু-কৃতিত্ব।

**Mahendra Mohan Chaudhury** : আজি আমাৰ দেশত যি বিলাক Reserve আছে, চৰনীয়াই বা ফৰেষ্ট Reserve যেই হওক সেই বিলাক খুলি দি যদি আমি এই সমস্যাৰ সমাধান কৰো তেনেহলে ভবিষ্যতে আমাৰ দেশত যি পৰিস্থিতি উদ্ভৱ হব সেই পৰিস্থিতিৰ কথা ভাবিলে মই সু-কীৰ্ত্তি স্থাপন কৰিব নোৱাৰিম বুলি ভাবো। কুকীৰ্ত্তি অৰ্জ্জন কৰাৰ মোৰ ইচ্ছা নাই। কু-কীৰ্ত্তি অৰ্জ্জন কৰি বংশ-বংশানুক্ৰমে তাৰ ফল ভোগ কৰিব লাগিব। সেই কাৰণে শ্ৰীবৰা ডাঙৰীয়াই যিটো কীৰ্ত্তিৰ

কথা কৈছে সেই কীৰ্ত্তিৰ পৰা মই বিৰত থাকিবলৈ বাধ্য হৈছো।

চাৰ, আমাৰ দেশৰ মাটি নোহোৱা মানুহৰ সমস্যা কিমান মই আগেয়ে কৈ আহিছো, পুনৰাই মই কব খুজিছো যে আমাৰ দেশত মোটামোটি ভাবে প্ৰায় ১৩ লাখ পৰিয়ালৰ ১০ বিঘাতকৈ কম মাটি আছে। এই হিচাবটো অৱশ্যে ১৯৬৬ চনৰ। কিন্তু এই ১৯৬৬ চনৰ পৰা আজিলৈকে প্ৰত্যেক বছৰে মানুহৰ সংখ্যা বৃদ্ধি পাইছে আৰু এই বৃদ্ধিৰ হাৰ যদি বিবেচনা কৰা হয় তেনেহলে প্ৰত্যেক বছৰে আমাৰ দেশত ৭৫ হাজাৰ মানুহ ভূমিহীন হৈছে, গতিকে যদি আজিৰ যিখিনি মানুহ আৰু সেই মানুহৰ যি সমস্যা সেই সমস্যা সমাধানত যদি গোটেই Reserve বিতৰন কৰি নষ্ট কৰা হয় তেনেহলে ভবিষ্যতে প্ৰত্যেক বছৰে ৭৫ হাজাৰ ভূমিহীন লোকৰ উদ্ভৱ হলে সেই সমস্যা সমাধান কেনেকৈ কৰা হব।

Shri Gaurisankar Bhattacharyya : Society static নাথাকে নহয়।

Shri Mahendra Mohan Choudhury : সেই কথা মই পিছত কম তাৰ বাহিৰেও ৰাজহুৱা অনুষ্ঠানৰ কাৰণে দাবী আছে।

আমাৰ দেশ Developing দেশ। আমাৰ দেশত উন্নয়নৰ কাম বহুতো বাকী আছে। সেই উন্নয়ন মূলক কাম কৰিবলৈ হলে আমি কিছু মাটি ৰাজহুৱা অনুষ্ঠানৰ কাৰণে সংৰক্ষণ কৰিব লাগিব। এনেকুৱা বিলাক প্ৰয়োজনৰ কথা ভূমি সংৰণক্ষৰ ক্ষেত্ৰত বিবেচনা নকৰিলে ভুল কৰা হব। তাৰ বাহিৰেও আমাৰ দেশখন প্ৰাকৃতিক দুৰ্যোগৰ দেশ আৰু বানপানী আৰু গড়াখহনীয়া বিধ্বস্ত হৈ বিপদগস্ত হোৱা লোকৰ সংখ্যা অধিক আৰু তাৰ পৰিমান লাখ লাখ হব। এই বিপদগ্ৰস্ত লোকসকল আৰু গৃহহীন হোৱা লোকসকলক সাধাৰণ ভাৱে বসবাস কৰিবলৈ অলপমান মাটি দিয়া প্ৰয়োজন। সেই প্ৰয়োজন আমি সকলোয়ে স্বীকাৰ কৰিব লাগিব আৰু এই প্ৰয়োজন যদি স্বীকাৰ কৰা হয় তেনেহলে কিছুমান মাটি ঘৰ বস্তি কাৰণে সংৰক্ষণ কৰা বিশেষ প্ৰয়োজন। আজি আমাৰ মাননীয় সদস্য গোস্বামী ডাঙৰীয়াই কৈছে যে ভূমিহীন মানুহক মাটি কিনি গৰু ম'হক মাটি দিব নেকি? এই প্ৰসঙ্গত মই কব খুজিছো যে গৰু-ম'হৰ ৰক্ষনা বেক্ষনৰ

কথা কৈছে মানুহৰ মঙ্গলৰ কাৰণে। গৰু-মহ নহলে খেতিয়কে মাটিত হালবাই শস্য উৎপাদদ কৰিব নোৱাৰে। লৰা ছোৱালীৰ শ্ৰীবৰ্দ্ধনৰ কাৰণে এটুপি গাখীৰ মুখত দিব নোৱাৰে। গতিকে গাখীৰৰ কাৰণেও গৰু-মহৰ প্ৰয়োজন। গাড়ী টানিবৰ কাৰণে আৰু লৰা-ছোৱালীৰ কাৰণেও যে গাখীৰৰ বাবে গৰু-মহৰ দৰকাৰ সেই কথা মাননীয় সদস্য সকলে বিবেচনা কৰি চোৱা উচিত। সেই কাৰণে মই কব খুজিছো যে কৃষক সকলৰ কাৰণে গৰু-মহৰ যথেষ্ট পৰিমানে প্ৰয়োজনীয় বস্তু। সেই প্ৰয়োজনীয়তালৈ লক্ষ্য কৰি আমাৰ দেশৰ চৰনীয়া পথাৰ বিলাকৰ ৰক্ষণা-বেক্ষণৰ দায়িত্ব গ্ৰহণ কৰিব লাগিব।

চাৰ, আমাৰ ভট্টাচাৰ্য্য ডাঙৰীয়াই কৈছে যে আমি এখন গতিশীল সমাজত বসবাস কৰি আছো। মই কওঁ যে আমাৰ সমাজখন গতিশীল সমাজৰ এই গতিৰ লগে লগে আমাৰ দেশৰ সকলো প্ৰকাৰৰ নীতি-নিয়ম, আচাৰ-ব্যৱহাৰ পৰিবৰ্ত্তন কৰিব লাগিব। আমাৰ দেশৰ ভুমিপট্টন নিতীৰ পৰিবৰ্ত্তন কৰিব লাগিব। সেইদৰে আমাৰ মাটি সম্পৰ্কীয় যি কোনো নীতিয়েই বা আন কোনো নীতি সমূহো গতিৰ লগে লগে পৰিবৰ্ত্তন হবলৈ বাধ্য। সেই কাৰণে আমাৰ মাটি নীতিৰ সকলো কথা সদস্য সকলে ভালকৈ বিবেচনা কৰি এই সম্পৰ্কীয় পৰামৰ্শ আমাক আগবঢ়াব লাগে যাতে আমি এই নীতিৰ পৰিবৰ্ত্তন কৰিবলৈ চেষ্টা কৰিব পাৰো।

আজি আমি কেনেকুৱা মানুহক মাটি দিব খুজিছো সেইটো হল যে, মাটিহীন মানুহ সকলে মাটি নাপায় মধ্যস্বত্বভোগী সকলে মাটিৰ অধিকাৰ পায়, সেইটো দূৰ কৰিবৰ কাৰণে নীতি প্ৰবৰ্ত্তন কৰাটো আহোপুৰুষাৰ্থ কৰিছো। এই কথা সিদিনাও কৈছো আৰু আজিও তাকেই কব বিচাৰিছো। যি নীতি লোৱা হৈছে সেই নীতি পৰিবৰ্ত্তন কৰিলেই আমাৰ দেশৰ সমস্যাৰ সমাধান নহব। নীতি পৰিবৰ্ত্তনৰ বাবে যি মানুহৰ প্ৰয়োজন সেই মানুহৰ পৰিবৰ্ত্তন হব লাগিব। Change in human nature হব লাগে। দেশত যি বিলাক ডাঙৰ কৰ্ম্মচাৰী আছে, যি সকল মুখীয়াল মানুহ আছে সেই বিলাকৰ

পৰিবৰ্ত্তন হলেহে আমাৰ দেশৰ প্ৰকৃত পৰিবৰ্ত্তন হব। ইয়াৰ অন্যথাই ভাল আইনো কৃতকাৰ্য্য হব নোৱাৰে। সেই কাৰণে আমি সকলোৱে মিলি আমাৰ দেশত এটা সুস্থ পৰিবেশৰ সৃষ্টি কৰিব লাগিব। তেহে আমি প্ৰকৃত মাটিহীন মানুহক মাটি দিয়া ক্ষেত্ৰত কৃতকাৰ্য হব পাৰিম। আমি আজি মাটি বিতৰণৰ ক্ষেত্ৰত এটা সিদ্ধান্ত লৈছো যে কোনে আগেয়ে মাটি পাব আৰু কোনে পিচত পাব সেইটো বিবেচনা কৰিহে মাটি বিতৰণ কৰা হব। প্ৰথমতে যিসকল একেবাৰে মাটিহীন খেতিয়ক আৰু যিসকলে নিজেই খেতি কৰে, হাল বায় আৰু খেতিৰ বাহিৰে অন্য কোনো জীৱিকাৰ পথ নাই তেওঁলোকক প্ৰথমতে মাটি দিয়াৰ চেষ্টা কৰিছো। তাৰ লগে লগে যিবিলাক মানুহ বানপানী আৰু গড়াখহনীয়া বিধ্বস্ত হৈ গৃহহীন, মাটিহীন হৈছে সেইসকলক মাটি দিয়াৰ কাৰণে সিদ্ধান্ত লৈছো। দ্বিতীয়তে যিবিলাক মানুহৰ মাটি প্ৰতিৰক্ষা আদি কাৰণত চৰকাৰে অধিগ্ৰহণ কৰিছে সাম্প্ৰতিক ভাৱে বা স্থায়ী ভাৱেই হওক সেই অধিগ্ৰহন কৰা মাটিৰ মালিক সকলক মাটি দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। তাৰ পিচত যি বিলাক মানুহৰ ৫ বিঘাতকৈ কম মাটি আছে সেই বিলাকক মাটি দিব লাগে। তাৰ পিচত ৫ বিঘাতকৈ বেছি আৰু ৮ বিঘাতকৈ কম মাটি থকা লোকক মাটি দিব লাগে। তাৰ পিচত ৮ বিঘাতকৈ বেছি আৰু ১০ বিঘাতকৈ কম মাটি থকা লোকক মাটি দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। কিন্তু যিবিলাক গৃহহীন মানুহ সেই বিলাকক গাওঁলীয়া অঞ্চলত যতে ততে ½ বিঘাৰ পৰা ২ বিঘালৈ মাটি সংস্থাপন কৰাৰ চেষ্টা কৰিছো। শ্ৰীকামিনী মোহন শৰ্ম্মা ডাঙৰীয়াই কৈছিল যে অসম চৰকাৰে যি ভূমিনীতি ঘোষনা কৰিছিল আৰু যি পৰিমাণে মাটি দিবৰ সিদ্ধান্ত কৰিছিল সেই অনুপাতে মাটি দিব লাগিব। কিন্তু আচলতে সেইটো নহয়। আমাৰ ঘোষনা আছিল যি পৰিমাণে মাটি থাকে সেই পৰিমাণ মাটি পট্টন দিব পৰা হব। It depends upon availability of lands মাটি নাথাকিলে মানুহক মাটি ক'ৰপৰা দিয়া হব। আমাৰ যি পৰিমান মাটি আছে সেই পৰিমানৰ মাটি পট্টনকৰা কথাহে ঘোষনা কৰা হৈছিল।

তাৰ পিচত আমাৰ যিসকল আধিয়াৰ ৰায়ত আছে সেই সকলকো মাটি দিয়াৰ কাৰণে নচোৱা নহয়। কিন্তু সেইসকল মানুহক মাটি দিয়াৰ ক্ষেত্ৰত আমি আগঠাই দিব নোৱাৰো। কাৰণ যি বিলাক তলতীয়া ৰায়ত আছে সেই বিলাকে মাটিৰ ৰায়তীস্বত্ব পাইছে। সেই বিলাক মানুহে তেখেতসকলৰ মাটি হস্তান্তৰ কৰিব পাৰে আৰু উত্তৰাধিকাৰী সূত্ৰে ভোগ কৰিব পাৰে। গতিকে যিবিলাক মানুহৰ হস্তান্তৰ বা উত্তৰাধিকাৰী ক্ষমতা থাকে সেই মানুহ বিলাকক পিচশাৰীলৈ নিব লাগে। আধিয়াৰ সকলৰ ক্ষেত্ৰত তেওঁলোকক ৰায়তী স্বত্ব দিবৰ চেষ্টা কৰিছো। আৰু এই সম্পৰ্কে এখন আইনৰ খচৰা তৈয়াৰ কৰিছো আৰু এই খচৰা আইনখন Land Reform কমিটিৰ হাতত আছে আৰু তেওঁলোকে আলোচনা কৰিছে। কিন্তু দুৰ্ভাগ্যৰ কথা যে চৰকাৰৰ আইন বিভাগৰ দপ্তৰে আইনগত আশোৱাহ উলিয়াইছে আৰু সেয়ে আইনখন প্ৰণয়ন কৰিব পৰা নাই। যি একে টুকুৰা মাটিকে খাই আছে তেওঁলোকক উচ্ছেদ কৰাৰ ক্ষমতা নাই। কিন্তু আধিয়াৰ সকলৰো চিঠাত নাম লিখা হোৱা নাছিল। সেই কাৰণে তেওঁলোকক উচ্ছেদ কৰা নহোৱা নহয়। তেনেকুৱা মানুহক উচ্ছেদ কেনেকৈ বন্ধ কৰিব পাৰি সেই কথা সকলোৱে চিন্তা কৰা উচিত। আইনৰ দ্বাৰা মানুহৰ স্বাৰ্থ সংৰক্ষিত কৰিব নোৱাৰি যদিও আইন প্ৰণয়ন কৰা হয় মানুহৰ মঙ্গলৰ কাৰণে। তাৰ বাবে মানুহক সচেতন কৰি তুলিব লাগে। এই সচেতনতাৰ ভাগ সমাজসেৱী বা সমাজৰ মঙ্গল কামী বা ৰাজনৈতিক নেতা সকলৰ আছে। তেনে দায়িত্ব পালন কৰি সমাজৰ মঙ্গলকামী লোকে আধিয়াৰ সকলৰ স্বাৰ্থ ৰক্ষাৰ কাৰণে চেষ্টা কৰিলে আইনমতে পাবলগীয়া সা-সুবিধা পাব। এই আইনৰ গতিত যিবিলাক পৰিছে তেওঁলোকৰ অধিকাৰৰ কথা ভালকৈ বিবেচনা কৰা নাই, তেনেস্থলত চিন্তা কৰা প্ৰয়োজন হৈছে ইয়াৰ এটা সুস্পষ্ট নীতি গ্ৰহণ কৰিব পাৰিনে নোৱাৰি? আজি এই সদনত সকলো সদস্যই কৈছে যে যি সকলে মাটি টুকুৰাত ইমান কষ্ট কৰি খেতি কৰে সেই সকলকো সমান ভাগি কৰিব লাগে আৰু

সেই অধিকাৰ মানিয়েই আজি আমি আইন প্ৰণয়ন কৰা হৈছে। কিন্তু মাটিৰ মালিকৰ ষড়যন্ত্ৰ ক্ৰমে এই আইন কাৰ্য্যকৰী কৰাত বাধাৰ সৃষ্টি হৈছে। যি উদেশ্যে আধিয়াৰ আইন প্ৰণয়ন কৰি ভূমি অধিকাৰ দিয়াৰ কথা চেষ্টা কৰা হৈছে তাক কাৰ্য্যত পৰিণত কৰিব পাৰিনে এই বিষয়ে সিদ্ধান্তত উপনীত হব পৰা নাই বা বিকল্প ব্যৱস্থাও কৰিব পৰা নাই। যেতিয়ালৈকে শস্যৰ ভাগ বতৰা কৰা নহয় তেতিয়ালৈকে আধিয়াৰসকলৰ পৰা যি সহযোগ পাব লাগে সেইটো পোৱাটো সম্ভৱ নহয়। যদি এই শস্য ভাগ বতৰাৰ পৰিবৰ্ত্তে আমি খাজনাৰ এটা অংশ নিৰ্দ্ধাৰণ কৰি দিওঁ তেনেহলে এই সমস্যা সমাধানত কিছুপৰিমাণে আগ বাঢ়িম। তলতীয়া ৰায়তে মালিকক এটা হাৰত অকল খাজনাহে দিব লাগে। এই সম্পৰ্কে সদস্য সকলৰ পৰা মতামত বিছাৰিছো। যদি আমাৰ মতকে সমৰ্থন কৰে তেনেহলে আধিয়াৰ আইন সংশোধনৰ ব্যৱস্থা গ্ৰহণ কৰিব পাৰি। সেই কাৰণে এইখিনি কথা মই আপোনালোকৰ পৰামৰ্শৰ কাৰণে আগবঢ়াইছো।

উপাধ্যক্ষ মহোদয়, আমাৰ সদনৰ এক অংশৰ নেতা শ্ৰীফনি বৰা ডাঙৰীয়াই কৈছে যে যদি শান্তি পূৰ্ণ ভাৱে সমস্যাৰ সমাধান নহয় অৰ্থাৎ যদি বেদখলকাৰী মানুহ বিলাকক নিয়ম তান্ত্ৰিকতাৰে অনা নহয় তেনেহলে দেশত ৰক্তাক্ত হোৱাৰ সম্ভাৱনাৰ ইঙ্গিত দিছে আৰু তাৰ নেতৃত্ব তেওঁ নিজে কৰিব পাৰে। বৰা ডাঙৰীয়াক মই শ্ৰদ্ধা কৰো তেখেতৰ মতামতলৈ মই দৃষ্টি দিও বা বিবেচনা কৰো। কিন্তু এই ক্ষেত্ৰত মই একমত হব নোৱাৰিলো। আমাৰ মাটিৰ কথাটো এটা জটিল কথা আৰু এটা ডাঙৰ প্ৰশ্ন। কিন্তু এই প্ৰশ্নৰ উত্তৰ বা সমাধান দিবলৈ প্ৰত্যেকেই চেষ্টা কৰিব লাগিব তাৰ পৰিবৰ্ত্তে যদি উত্তেজনাক হ্ৰাস নকৰি তেওঁলোকৰ লগত সহযোগ কৰে তেন্তে দেশৰ শান্তি শৃঙ্খলা বা মাটিৰ সমস্যা সমাধান হব নোৱাৰে। সেই কাৰণে মই তেখেতক নিবেদন কৰিব খুজিছো যেন এই violation মাটি অনাৰ পৰিবৰ্ত্তে সকলো সমস্যাৰ শান্তি পূৰ্ণ সমাধানৰ চেষ্টা কৰিব। আজি আমাৰ সন্মুখত কোনো শত্ৰু নাই। গোটেই ৰাজ্যখনেই এখন

পৰিয়ালৰ মানুহ। গতিকে সকলোৰে যদি একমত কিয় সমষ্যাৰ সমাধান নহব। গতিকে মোৰ আশা সকলোৰে একমত হলে শান্তি পূৰ্ণ ভাৱে সকলো সমস্যাৰ সমাধান হব।

আমাৰ Barman ডাঙৰীয়াই কৈছে যে, বেদখলকাৰী যিসকল মানুহ আছে সেই সকলক মাটি দিব লাগে। আমি দিল্লোহেঁতন, কিন্তু আমি দেখিছো আজি যি বেদখলকাৰী আছে সি মাত্ৰ কেইজনমান মুষ্টিমেয় মানুহ। কিন্তু বেদখল নকৰা মাটিহীন মানুহৰ সংখ্যা কেইবা লাখো হব। গতিকে আজি কেইবালাখ শান্তিপ্ৰিয় মানুহৰ স্বাৰ্থ জলাঞ্জলী দি অতি অল্পসংখ্যক মানুহ যিবিলাকে বে আইনি হিংসাৰ আশ্ৰয় লৈ বে-দখল চলাইছে, সেই মানুহ বিলাকক যদি মাটি দিয়া হয় তেতিয়া হলে, শান্তি পূৰ্ণ মানুহৰ প্ৰতি দুৰ্ঘোৰ অন্যায় কৰা হব। শান্তিপূৰ্ণ ভাৱে কাম সমাধান কৰিবলৈ আমি এখন circular issue কৰিছো যে প্ৰত্যেক গাওঁ পঞ্চায়তৰ পৰা কাৰ মাটি নাই সেইটোৰ ভালকৈ নিৰ্দ্ধাৰণ হব লাগে।

আজি Barman ডাঙৰীয়াই যিটো কৈছে যে, সেইবিলাক মানুহ বেদখলকাৰী নহয়, ৰায়ত বা তলতীয়া ৰায়ত নহয় বা আধিয়া নহয়। এইটো order of Priority ৰ কথা।

সেইবিলাক মানুহৰ কথা পাচত বিবেচনা কৰা হব। যিবিলাক প্ৰকৃততে মাটীহীন আৰু যিবিলাক মানুহ গৰাখহনীয়া বা বানপানীৰ গৰা গৃহহীন ভুমিহীন তেওঁলোকৰ জীৱিকাৰ কাৰণে হাঁহাকাৰ কৰি ফুৰিছে। সেইকাৰণে মই বৰা ডাঙৰীয়াক পুনৰ বিনীত ভাৱে অনুৰোধ জনাও যে, এইবিলাক ক্ষেত্ৰত আমাৰ ৰাইজে সহযোগীতাৰ ভাবেৰে কাম কৰা উচিত হব, বুলি আশ্বাস দিছে। মাটি সমস্যা সমাধানৰ ক্ষেত্ৰত যি পৰামৰ্শ আগবঢ়াব খুজিছে, সেই পৰামৰ্শ আমি যিমান দূৰ পাৰো সেই পৰামৰ্শ মানি লবলৈ প্ৰস্তুত আছো।

চাৰ, এটা কথা কৈছে যে, মাটিৰ খাজনা ৰেহাই দিব লাগে। এই ৰেহাই দিয়াৰ প্ৰশ্নটো ১৯৬৭ চনৰ পৰাই বিবেচনাধীন হৈ আছে। ১৯৬৭ চনত আমাৰ প্ৰদেশ কংগ্ৰেচ কমিটিয়ে এটা প্ৰস্তাৱ

লৈছিল যে, যিবিলাক সৰু সৰু Land holder আছে তেনেকুৱা মানুহক মাটিৰ খাজনা ৰেহাই দিব লাগে। সেই ক্ষেত্ৰত আমি এই প্ৰশ্নটোৰ বিবেচনা কৰিছো। আৰু এই প্ৰশ্নটোৰ বিবেচনাৰ শেষ হোৱা নাই। এই বিষয়ত দুটা প্ৰশ্ন আছে, এটা প্ৰশ্ন হৈছে যে আজি আমাৰ মাটিৰ খাজনাৰ যি নিৰিখ আমাৰ কৃষিজাত বস্তুৰ মূল্যানুপাতে সেইটা নিৰিখ অতি সামান্য। গতিকে এইখিনি ৮ টকা বা ১০ টকা খাজনা ৰেহাই দি আমি তেখেতসকলৰ ভাগ্যৰ উন্নতি সাধন কেতিয়াও কৰিব নোৱাৰো। কিন্তু আমি হিচাব কৰি পাইছো যে যিবিলাক মানুহৰ ৮ বিঘা মাটি আছে তাৰ খাজনা যদি ৰেহাই দিয়া হয়, তেনেহলে চৰকাৰৰ প্ৰায় ৩৩ লাখ টকা ঘাটি হোৱাৰ সম্ভাৱনা আছে। যদি এই ৮ বিঘা মাটি থকা মানুহৰ খাজনা ৰেহাই দিয়া হয়, তেনেহলে, আমাৰ মানুহৰ মাজত Fragmentation, বা ভাগ বতাৰ যি সুবিধা দিছে আজি আমাৰ এই সদনৰ সদস্য সকলে এইটো নিশ্চয় স্বীকাৰ কৰিব যে আজি আমাৰ কৃষি উন্নয়নৰ ক্ষেত্ৰত মাটি বিলাক ক্ষুদ্ৰ-ক্ষুদ্ৰ আকাৰত ভাগবতা হৈ গ'ল, তাত আমি সন্তোষিত। আৰু মাটি একত্রিকৰণৰ কাৰণে এখন আইন প্ৰণয়ন কৰিও কিছুমান মানুহৰ সুবিধা অসুবিধাৰ কাৰণে সেই আইনো কাৰ্য্যকৰী কৰিব পৰা নাই। দেশৰ মাটিৰ খাজনা ৰেহাই দিয়াৰ নামত Fragmentation ত পৰোক্ষ ভাৱে সহায় কৰা হয়, আৰু ফলত কৃষি উন্নয়নৰ ক্ষেত্ৰত যথেষ্ট বাধা পোৱা হব। এই বিলাক উক্তি আমাৰ মাটিৰ খাজনা ৰেহাই দিয়াৰ ক্ষেত্ৰত চলি আছে। আমি এই বিষয়ত কি সিদ্ধান্ত লব পৰা যায় সেইটো খাটাং ভাৱে কবলৈ টান পাইছো।

বৰ্ত্তমান আমি আমাৰ পঞ্চায়ত বোৰৰ ওপৰত এই বিষয়ৰ উন্নয়ন কামবোৰ কাৰণে দায়িত্ব দিয়া হৈছে। এইটোত তেওঁলোকে বিশেষ অৰ্থৰ সহায় সহযোগ চৰকাৰৰ পৰা পোৱা নাই। আৰু তেওঁলোকক কেনেকৈ অৰ্থৰ সহায় কৰিব পৰা যায় তাৰ ব্যৱস্থা কৰিব লাগিব। সেই ক্ষেত্ৰত আমাৰ দেশৰ যিখিনি মাটিৰ খাজনা আছে সেইখিনি নাইকিয়া কৰিলে, ইতিমধ্যে পঞ্চায়ত বিলাকে

১০০% ভিতৰত ৬০% কেই পঞ্চায়তক দিয়া হৈছিল – আৰু বাকী ৪০%ও পঞ্চায়ত সমূহক তেওঁলোকৰ এলেকাত কাম কৰিবলৈ দিয়া হয় সেইটো দিবপৰা হয়নে নহয় সেইটো আমি কব নোৱাৰো

চাৰ, এটা কথা মোৰ বন্ধু শ্ৰীসোনেশ্বৰ বৰা ডাঙৰীয়াই কৈছে যে, আমাৰ ইয়াত যিবিলাক মাটি সম্পৰ্কে আইন আছে সেইবিলাক বৃটিছৰ আমোলত, East India Company ৰ দিনত যি ভুমি নীতি আছিল সেই ভুমিনীতিয়েই আমি চলাই আছো। চাৰ, যদি আমি আমাৰ দেশৰ যি ভূমিনীতি, ইতিহাস, সেইটোৰ পৰ্য্যালোচনা কৰি চালে দেখো যে, সেই বৃটিছ আমোলত চলা ভুমিনীতি পৰিবৰ্ত্তন সাধনকৰি, আমাৰ ইয়াত এটা নতুন বৈপ্লবিক ভুমিনীতিৰ প্ৰৱৰ্ত্তন কৰিছো। বৃটিছ আমোলত যি জমিদাৰী প্ৰথা সেইটোৰ বিলুপ হৈছে চিলিং আইন, আধিয়াৰ আইনত, তলতীয়া ৰায়তৰ স্বাৰ্থৰ কথা আহিছে। এই ক্ষেত্ৰত ম'টিৰ সৰ্ব্বোচ পৰিমান নিৰিখৰ কথা আছে। এইবিলাক ক্ষেত্ৰত আমি যিবিলাক নীতি অৱলম্বন কৰিছো সেই নীতি বৃটিছৰ আমোলত চলা নীতিৰ তুলনাত সম্পূৰ্ণ পৰিবৰ্ত্তন হৈছে। আৰু সেইমতে কামো কৰা হৈছে। ভূমি সংস্কাৰ ক্ষেত্ৰত আমি বহুত আগবাঢ়িলো। আজি আমাৰ পৰিকল্পনা আয়োগ আছে। বৰ্ত্তমান আয়োগে এই কথা স্বীকাৰ কৰিছে। অসম Govt. ক Planing Commission এ ভুমিসংস্কাৰৰ পৰামৰ্শ আগবঢ়াইছিল আৰু সেই পৰামৰ্শ কাৰ্যকৰী কৰিবলৈ যিবিলাক আইনৰ প্ৰয়োজন সেই আইন বিলাক তেখেতসকলে ইতিমধ্যে প্ৰনয়ন কৰিছে। আৰু এইটো প্ৰয়োগৰ ক্ষেত্ৰত মই বৰা ডাঙৰীয়াৰ লগত একমত।

আটাতকৈ ডাঙৰ কথা হৈছে যে, প্ৰশ্নটো অত্যন্ত জটিল। প্ৰশ্নটো হৈছে বাগিছাৰ মাটিৰ প্ৰশ্ন। আমি এইটোৰ কাৰণে কংগ্ৰেছ সদস্য বিৰোধী দলৰ সদস্য আৰু প্ৰয়োজনীয় চাহবাগানৰ Land holder এই বিলাকৰলৈ এই বিষয়ত এটা সিদ্ধান্ত কৰিবলৈ এখন conference পাতিব লাগে।

আজি আটাইতকৈ ডাঙৰ কথা হৈছে সেইটো প্ৰশ্ন হৈছে চাহ বাগানৰ মাটি। মই ভাবো, আমি এখন conference বহি- কংগ্ৰেছৰ সদস্য, বিৰোধী দলৰ সদস্য আৰু যি সকলৰ নামত চাহ বাগানৰ মাটি আছে সেই মালিক প্ৰতিনিধি সকলোৱে মিলি আলোচনা কৰি আমি এই বিষয়ে সিদ্ধান্ত কৰিব লাগিব। আৰু আমাৰ যি 1:2 Formula আছে সেই Formula আজি কাৰ্যকৰী কৰিব পৰা নাই। সেই 1:2 Formula চুক্তিটো মাত্ৰ ঘৰুৱা ধৰণেহে উৎভৱ হৈছে। আৰু এই ক্ষেত্ৰত আমাৰ চাহবাগানৰ মালিক সকলে যি কোনো কাৰণে তেওঁলোকে মাটি গ্ৰহণ ক্ষেত্ৰত প্ৰতিবন্ধাকৰ সৃষ্টি কৰিব পাৰে। এই ধৰণৰ বহুত ক্ষেত্ৰত আমি High court গৈও মোকৰ্দ্দমাত জয়লাভ কৰিব পৰা নাই। সেই কাৰণে আমি আইন প্ৰণয়ন কৰা ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ মতামত গ্ৰহণ কৰিব লাগিব। কাৰণ মাটি সংক্ৰান্তত যিবিলাক আইন আছে কেৱল সদনতেই পাচ কৰিব নোৱাৰি এইবিলাক বিষয়ে আমাৰ ৰাষ্ট্ৰপতিৰ অনুমোদন লব লাগে। গতিকে যিমান সোণকালে সম্ভৱ সেই বিষয়ে আলোচনা কৰি সৰ্ব্বসন্মতি ক্ৰমে যি সিদ্ধান্ত হয় সেইমতে Government of India ৰ লগত লিখা লিখি কৰি সেই মতে আইন প্ৰণয়ন কৰিবলৈ চেষ্টা কৰিম।

Shri Soneswar Bora : অধ্যক্ষ মহোদয় এই বিষয়ে এটা কথা কৈছো যে এই 1:2 formula গ্ৰহণ কৰাৰ আগতে সদনৰ উভয় পক্ষৰ এটা কমিটি কৰি মতামত গ্ৰহণ কৰা হবনে ?

Shri Mahendra Mohan Choudhury : Sir, মই সেইটো আগেয়ে কৈছো। তাৰ পাচত Grow more food ৰ কাৰণে যিবিলাক মাটি দিয়া হৈছে

খেতি কৰিবৰ কাৰণে সেইটো ন্যায় সংগত হৈছে নে নাই সেইটো মই বিবেচনা কৰি চোৱা উচিত। এইবিলাক বিষয়ে মই এতিয়া সেইটো কব নোৱাৰিম। এই বিষয়ে মূখ্য মন্ত্ৰীৰ লগত আলোচনা কৰিব লাগিব। তেখেত বৰ্ত্তমান ৰোগশয্যাত পৰি

আছে গতিকে তেখেতৰ লগত আলোচনা কৰিব পৰা নাই কাৰণে প্ৰকৃত উত্তৰ দিব নোৱাৰা বাবে দুখিত হৈছো।

আমাৰ বৰা ডাঙৰীয়াই বেলিকাৰ কথা কৈছে। ১৯৫২ চনত মই কৃষি বিভাগৰ মন্ত্ৰীৰ দায়িত্ব গ্ৰহণ কৰিছিলো। তেতিয়া তাত যিটো Reclamation Project আছিল তাৰ দায়িত্ব লৈ ভাৱিছিলো এখন নতুন পৃথিবীৰ সৃষ্টি কৰিম। নতুন ৰাষ্টাঘাট কৰি দিম। ধুনীয়া ঘৰবাৰী কৰি দিম। ৰাষ্টাৰ দাতিত গছ-গছনি ৰুৱাই দি ফল মূলৰ ভাল ব্যৱস্থা কৰি দিম। কিন্তু সেই পৰিকল্পনা বাস্তবত পৰিণত নহল। কৃষি মন্ত্ৰী হিচাবে মই মাটি সংস্কাৰৰ দায়িত্ব গ্ৰহণ কৰিছিলো কিন্তু মাটি বিতৰণৰ দায়িত্ব গ্ৰহণ কৰা নাছিলো। আজি ১৭ বছৰৰ পাচত আজি আমি দেখিছো মালিকৰ সেই মাটি বিতৰণৰ সুস্থ হোৱা নাই। ১৯৫২ চনৰ পৰা যি বিলাক আলোচনা হৈছিল সেই আলোচনাত মানুহ বিলাকে কৈছিল বাকী মানে ফাঁকি। সেই কথোপ কথন মানুহৰ মাজত আজিও চলি আছে।

**Shri Sadhan Ranjan Sarkar :** মালিকৰ পৰিকল্পনা যে বাস্তৱত পৰিণত নহল সেইটো মন্ত্ৰী মহোদয়ে স্বীকাৰ কৰিব নে ?

**Shri Mahendra Mohan Choudhury :** মই কৈছোৱেই সেই পৰিকল্পনা বাস্তৱত পৰিণত কৰা নহল। মোৰ কোৱা শেষ হোৱা নাই। কোৱা শেষ হোৱাৰ পাচত মাননীয় সদস্যই উত্তৰ পাব। প্ৰত্যেকজন মানুহকে ২৪ বিঘা মাটি দিয়া হৈছিল। ২০ বিঘা মাটি খেতি কৰিবলৈ আৰু 8 বিঘা মাটি ফল-মূলৰ গছ ৰুবলৈ দিয়া হৈছিল। আৰু প্ৰত্যেকঘৰ মানুহৰ ৰাষ্টাত ২০ জোপা গছ ৰুব লাগিব বুলি কোৱা হৈছিল।

এইবোৰ এলেকাত জঙ্ঘলী ঠাই আছিল। সেই বিলাক জঙ্ঘল কাটি পেলোৱাৰ পাচত তাত বৰষুন কমি গ'ল। আৰু ফলত খেতি বাতি নোহোৱা হল। আৰু সেই কাৰণে তাৰ

পৰা মানুহ বিলাক গুচি গল। তাৰ পাচত আইন কৰা হ'ল যি বিলাকক তাত মাটি দিয়া হব সেইবিলাক তেওঁলোকৰ ঘৰবাৰী এৰি আহি তাত প্ৰকৃত স্থায়ী ভাৱে বসতি স্থাপন কৰিব লাগিব। দুৰ্ভাগ্যবসত: বৰা ডাঙৰীয়াই যিবিলাক অভিযোগ কৰিছে সেই বিলাকৰ ভিতৰত বহুত কাৰণত প্ৰমাণিত হৈছে যে ইয়াত Absentee Land record ওলাইছে। এটা পৰিয়ালৰ নামত ৩/৪ টাকৈ plot পাইছে। সেই বিলাকৰ মাটি পট্টন দিয়াতো নাকচ কৰিবলৈ দিয়া হৈছে। আৰু জিলা অধিপতিক নিৰ্দ্দেশ দিয়া হৈছে যে যি বিলাকক নতুনকৈ মাটি পট্টন দিয়া হৈছে সেই বিলাকক নতুন আইন মতে দিয়া হব। ১০ বিঘা মাটি প্ৰথাৰৰ কাৰণে আৰু ২ বিঘা বস্তিৰ মাটি পট্টন দিয়া হব। ভট্টাচাৰ্য্য ডাঙৰীয়াই আজি কেইবাদিনো ধৰি মোৰ লগত নখুটিৰ মাটি অধিগ্ৰহণৰ কথা আলোচনা কৰিছে। Rehabililatation of Agriculture labour ৰ কাৰণে Government of India পৰা ৫ কোটি টকা মঞ্জুৰ কৰিছে। এই বিষয়ে নগাওঁৰ Land settlement advisory কমিটিক নিৰ্দ্দেশ দিয়া হৈছে যে মাটি পট্টন দিবৰ কাৰণে যিবিলাক মানুহ উপযুক্ত বুলি ভাবে সেই বিলাক মানুহ বাচি দিব লাগে আৰু সেই নিৰ্দ্দেশ অনুসৰি মূঠ ৪৩০ টা পৰিয়াল তাৰে ৭০ টা চচ্চাবাৰী, ৭০ টা মেনকুৰী, ৫০টা ন-পানী আৰু ১৫০ টা ন-খুটিত। এইখিনি পৰিয়ালক এই বছৰতে মাটি পট্টন দিয়াৰ সিদ্ধান্ত লোৱাৰ পিচত দেখা গল যে পুৰণি অনুপ্ৰবেশকাৰী আছে আৰু লগতে বেদখলকাৰী লোকো আছে এই বেদখলকাৰী উচ্ছেদ কৰিলে তেওঁলোকৰ টকা খিনি আদায় কৰাৰ সুবিধা পোৱা নাযায়। সেই কাৰণে সেইবিলাকক মাটি দিয়াৰ ব্যৱস্থা কৰি দিব লাগে আন এটা কথা হৈছে কিছুমান গড়াখহনীয়াত বিধ্বস্ত স্থানীয় লোকক মাটি দিয়া হৈছে। সেইবিলাকক তাৰপৰা আঁতৰাব খোজা নাই। গতিকে সেইবিলাক মানুহকো মাটি পট্টন দিয়াৰ ব্যৱস্থা কৰি বৰা ডাঙৰীয়াই ন-খুটিৰ মাটি বিতৰণ সম্পৰ্কত উপযুক্ত পৰিয়াল নিযুক্ত কৰাত সহযোগ কৰে যেন। ইয়াৰ কিছুমান সদস্যাই কৈছে যে আমি যি বিলাক মাটি অধিগ্ৰহণ কৰিছো সেই বিলাক মাটিৰ

ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থাত যথেষ্ট লেহেম হৈছে।

মন্ত্ৰী সকলে যি টকা পইছাৰ লেনদেন কৰে তেনেহলে মন্ত্ৰী সকল বিপদত পৰিব পাৰে সেইটো কেতিয়াও সমৰ্থন যোগ্য নহয়। কিন্তু মোৰ ফালৰ পৰা মন্ত্ৰী হিচাবে কেনেকৈ ততপৰতাৰে কাৰব পাৰি সেইটো কৰিবলৈ চেণ্টা কৰিছো। আৰু সেই কাৰণেই গুৱাহাটীত এজন Land Requisition and acquisition বিষয়া নিযুক্ত কৰা হৈছে। কিন্তু এটা কথাত মই অলপ বিপদত পৰিছো আৰু সেই কথাটো মই ভট্টাচাৰ্য্য ডাঙৰীয়াৰ আগত ব্যাখ্যা কৰিছো। আৰু তাৰ বাবে এটা নতুন সিদ্ধান্ত লবলৈ ব্যৱস্থা কৰা হৈছে।

আজি মোৰ বন্ধু শ্ৰীৰথিন্দ্ৰ নাথ সেন ডাঙৰীয়াই কৈছে যে আমি ভূমি পট্টনৰ নামত প্ৰতাৰণা কৰিছো প্ৰতাৰণা কৰাৰ মতলব মোৰ নাই। প্ৰতাৰণাই বা কি কাৰণে কৰিম। আমাৰ সদস্য শ্ৰীপ্ৰমোদ গগৈ ডাঙৰীয়াই কৈছিল যে মন্ত্ৰী সকলে মাটি বিলাক এৰি দিব লাগে। কিন্তু মই জনাও যে মোৰ খেতিৰ কাৰণে একইঞ্চি মাটিও নাই। যিবা মাটি মোৰ আছিল তাকো ভূ-দানত দিছো। আৰু কিছু মাটি ৰাজহুৱা অনুষ্ঠানত দিছো। যি হেতু মই খেতিয়ক নহও আৰু ভৱিষ্যতে মোৰ যি কেইটা কাল আছে সেই দিন কেইটাতো মই খেতি কৰা আশা নাই আৰু সেই কাৰণে নিজৰ নামত মাটি ৰাখি কৃষকক বঞ্চিত কৰা কোনো প্ৰকাৰে উচিত নহয়বুলি মই বিবেচনা কৰো। আন কোনো মন্ত্ৰীৰ মাটি আছেনে নাই মই নাজানো আৰু মন্ত্ৰী সকলৰ যদি কোনো মাটি আছে তেনেহলে তেওঁলোকে খেতিৰ মাটি এৰি দিয়া উচিত।

( A voice মাটি এৰি দিবলৈ কোনো আইন আছে জানো ? )

আইন নাই। কোনো শ্ৰেণী বিশেষৰ কাৰণে আচুতিয়া আইন হব নোৱাৰে। কেইজন মান সদস্যই কৈছে যে আমাৰ বহুত জলাতক মাটি আছে। সেই বিলাক Reclamation কৰি পানী উলিয়াই কৃষিৰ উপযুক্ত কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। কিছুমান মাটি চৰকাৰী বিষয়া সকলক পটন দিয়াৰ অভিযোগ উঠিছে আৰু সেই বিলাক দুৰ কৰিবলৈ চেণ্টা কৰিছো।

ডিব্রুগৰ মহকুমাত যি বিলাক ডাঙৰ ডাঙৰ চাৰ্কোল অফিচ আছে সেইবিলাকৰ Area ডাঙৰ হৈ যোৱাৰ কাৰণে এই বছৰতে শদিয়া আৰু জুনাই এই দুটা চাৰ্কোল খোলা হৈছে। গতিকে মাটি পট্টনৰ কাম যাতে কিছু খৰটকীয়া কৰিব পাৰি তাৰ চেষ্টা কৰিছো। শ্ৰীমানিক দাস ডাঙৰীয়াই কৈছে যে আমাৰ দেশত বহুত বে দখলকাৰী আছে। আৰু এই বে দখলকাৰী বিলাকৰ ক্ষেত্ৰত কেনেকুৱা ব্যৱস্থা লব লাগিব সেইটো আমি চিন্তা কৰি চাইছো।

আজি আমাৰ আক্ৰাম হুচেইন চাহাবে কৈছে যে গুৱাহাটীত সংবাদিক সকলৰ কাৰণে মাটি দিব লাগে কিন্তু সেই কথাটো উচিত হব বুলি কব নোৱাৰো। কাৰণ Journalist সকলক ব্যক্তিগত ভাৱে মাটি দিয়াত অসুবিধা আছে কিন্তু গুৱাহাটীত Press কলনিৰ কাৰণে ইতিমধ্যে মাটি দিয়া হৈছে। তেখেতে আৰু কৈছে যে গুৱাহাটীত Industrialist ৰ নামত শ শ বিঘা মাটি পট্টন দিয়া হৈছে আৰু সেই বিলাকৰ পট্টন cancel কৰিব লাগে। কিন্তু Industrialist সকলে পুৰনী ম্যাদি মাটি লোৱাৰ কাৰণে cancel কৰাৰ অসুবিধা আছে।

Shri Phani Bora : মন্ত্ৰী মহোদয়ে কৈছে যে ম্যাদি মাটিৰ পটা কেনচেল কৰিব নোৱাৰি কিন্তু যি বিলাক ৰাস্তা দাতিৰ ভিতৰতে একচনা মাটি ম্যাদি কৰি লৈছে সেই বিলাক মাটিৰ কি হব ?

Shri Mahendra Mohan Choudhoury : সেইবিলাক মাটি আমি কেনচেল কৰিম। কিন্তু মই বৰ দুখেৰে সৈতে কব খুজিছো যে মাননীয় সদস্য শ্ৰীপীতসীং কোঁৱৰে কৈছে যে মই ব্যক্তিগত ভাৱে Anti-Tribal। কিন্তু মই তেখেতক কব খুজিছো যে Tribal ৰ কাৰণে টকা লৈ উকালতি কৰা নাই। Tribal ৰ কাৰণে মই সচেতন নহয় বুলি কব নোৱাৰো।

Shri Pitsing Konwar : আমি ১৪ বছৰে কিমান লাগি আছো কিন্তু তেওঁলোকৰ কাৰণে কিমান কৰিছে।

Shri Mahendra Mohan Choudury : গুৱাহাটী আৰু উত্তৰ লক্ষীমপুৰ Tribal block উঠাই দিয়াও তেখেতে যি আপত্তি তুলি ধৰিছে। সেই বিষয়ে ১৯৬৪ চন ২৭ Aprilৰ পৰা ২৯ April লৈ যি খন Plain Trrbal Board ৰ মিটিং বহিছিল সেইখনত তেখেত নিজে General Secretary আছিল।

Shri Pitsing Konwar : মই সেই সভাত নাই।

Shri Mahendra Mohan Choudhury : মই ৰেকডৰ পৰা কৈছো যে তেখেত সেই সভাত আছিল। সেই কাৰণে এই বৰ্ডে যি প্ৰস্তাৱ চৰকাৰৰ উচৰলৈ পঠিয়াইছিল, সেইমতে সিদ্ধান্ত লৈছে আৰু তেওঁলোকৰ অনুমোদন মতে চৰকাৰে কাম কৰিছে আৰু এই সিধান্তটো মই নাকচ কৰিছো। এই সিধান্তটোৰে আমি কি কাম কৰিবলৈ চৰকাৰে যি ব্যৱস্থা কৰি আহিছে সেইটেত চৰকাৰে চেষ্টা কৰি আছে।

আজি যদি এটা কথা কৈ, কালিলৈ যদি এটা কথা কৈ যদি কথা বিলাক পৰিবৰ্ত্তন কৰি থকা হয় তেতিয়াহলে সেই পৰিবৰ্ত্তনৰ দ্বাৰা চৰকাৰৰ মৰ্য্যদা হানি হয়। সেইকাৰণে কওঁ যে, যি সিদ্ধান্ত বিবেচনা কৰি লোৱা হয় সেই সিদ্ধান্ত যদি ঘনাই পৰিৱৰ্ত্তন কৰা হয় তেনেহলে কোনো নিৰ্দ্দিষ্ট মহল অথবা চৰকাৰৰ মৰ্য্যাদা হানি হয়। সেই কাৰণে মই কব খুজিছোঁ যে Plains Tribal advisory council ৰ পৰিসংখ্যৰ মতে আৰু অনুমোদন মতে আমি কাম কৰিছোঁ আৰু তাত যিবিলাক এই সিদ্ধান্তৰ ভিতৰলৈ আহিব তেওঁলোকো উপকৃত হব।

Shri Pitsing Konwr : যদি এইটোৰেই হয় তেন্তে Land advisory Council ৰ সিদ্ধান্তটো কিয় ঘূৰাই পঠোৱা হৈছে।

Shri Mohendra Mohan Chaudhury : চাৰ, যিবিলাক কথা ভূমি সম্পৰ্কত মাননীয় সদস্য সকলে পৰামৰ্শ আগবঢ়াইছে সেই

বিলাকৰ 'উত্তৰ সাধ্যানুসাৰে নিৰ্দ্দিষ্ট সময়ৰ ভিতৰত দিবলৈ চেষ্টা কৰিছো। অৱশ্যে এই নিৰ্দ্দিষ্ট সময়ৰ ভিতৰত বহুতো কথাৰ উত্তৰ দিবলৈ চেষ্টা কৰা স্বত্বেও দিব পৰা নাই। এই প্ৰসঙ্গত মাননীয় সদস্যসকলে যিবোৰ পৰামৰ্শ দিলে সেই পৰামৰ্শ বিলাক গ্ৰহণ যোগ্য হলে সেইবিলাকগ্ৰহণ কৰিবলৈ চেষ্টা কৰিম আৰু আশাকৰো মাননীয় সদস্যসকলে কৰ্ত্তন প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰিব।

Shri Phani Bora : চিলিং এক্টৰ সম্বন্ধত কি কৰা হব সেইটো কথাৰ উত্তৰ মই নেপালো।

Shri Mohendra Mohan Choudhury : সেই কথা কবলৈ মই পাহৰিছিলোয়েই। এতিয়া মই কওঁ যে চিলিং আইনৰ ক্ষেত্ৰত ১৫০ বিঘাৰপৰা ১০০ বিঘালৈ নমাবলৈ চেষ্টা কৰিছোঁ। এই উৰ্দ্দেশ্যে যি বিল আদি হব লাগে সেইটো হব।

মই আগতে কৈ আহিছো যে মাটি সংক্ৰান্তত যিখিনি কৰা হ'ল তাত কিছু আসোঁৱাহ ৰৈ গৈছে আৰু সেইবিলাক বিবেচনা কৰি সংশোধনী বিল আনিবলৈ খুজিছোঁ।

Shri Gauri Sankar Bhattacharyya : চৰকাৰৰ পক্ষৰপৰা ভূমি সংস্কাৰ সম্পৰ্কে ১৯৬৮ চনৰ মাৰ্চ মাহত যি ভূমিনীতি ঘোষনা কৰিছে তাৰ পৰা দেখা যায় যে, সেই সময়ত ২,০২,৬৩৬ বিঘা মাটি বেদখল হৈ গৃহীত হৈ আছে আৰু চৰকাৰৰ চিলিঙৰ বেদখলৰ মাটিৰ পৰিমাণ ৩৫০ লাখলৈ উঠিছে। বেদখলকাৰী পৰিয়ালৰ সংখ্যা ৫০ হাজাৰৰ ওপৰলৈ গৈছে। চৰকাৰে যদি এই বিৰাত সংখ্যক বেদখলকাৰীলোকক উৰ্চ্ছেদ কৰাটো সমিচীন বুলি ভাৱে আৰু যদি তেওঁলোকক উচ্ছেদ কৰিবলৈ যায় তেনেহলে তাৰ প্ৰতিক্ৰিয়া বা ফলাফল কি হব সেই সম্পৰ্কে চৰকাৰে কিবা জানেনে?

Shri Mahendra Mohan Choudhury : ইয়াত উল্লেখ কৰা আছে যে যি বিলাক বেদখলকাৰী আছে সেই বেদখলকাৰী বিলাক যদি

মাটি পোৱাৰ উপযুক্ত হয় তেতিয়াহলে তেওঁলোকে ৫ বিঘালৈ মাটি পোৱাৰ ব্যৱস্থা আছে। ভট্টাচাৰ্য্য ডাঙৰীয়াই যিটো কথা কৈছে যে এই বিৰাট সংখ্যক লোকৰ বিষয়ে সেইটো আমি বিবেচনা কৰিম কিন্তু সেই সম্পৰ্কত এতিয়াই কিবা এটা ধৰা বন্ধানীতি ঘোষনা কৰা টান।

**Shri Giasuddin Ahmed** : গোৱালপাৰা জিলাৰ তৌজী বাহিৰ ভূক্ত লোক আছে তেওঁলোকৰ উচ্ছেদৰ বিষয়ে একো কোৱা নহল। এতিয়া কব লাগে।

**Shri Mahendra Mohan Choudhury** : এইটো কথাৰ সম্পৰ্কত মই কওঁ যে গোৱালপাৰা জিলাত যিবিলাক বেমেজালি হৈছে তাৰ বাবে মই দুখীত। আৰু এই বেমেজালি দূৰ কৰিবৰ কাৰণে আমি ব্যৱস্থা কৰিছোঁ। আমি যি ব্যৱস্থা কৰিছিলো সেইটো মই স্বীকাৰ কৰিছোঁ যে Redtapism ৰ কাৰণে শিথিল হৈছে। আমি নিজে গৈ যিবিলাক মৰ্কদমা এতিয়া উচ্ছেদ সম্পৰ্কত চলি আছে সেইবিলাক কেনেকৈ নিষ্পত্তি কৰিব পাৰে সেই সম্বন্ধে আলোচনা কৰিবলৈ থিক কৰিছো। মই অহা ১৫ এপ্ৰিলত তালৈ যাম আৰু ১৬/১৭ তাৰিখে তাত থাকি গাওঁ পঞ্চায়ত আৰু অনান্য নেতৃ স্থানীয় কৰ্ম্মচাৰী সকলৰ পৰামৰ্শ লৈ এই বিষয়ে কি কৰিব লাগে তাৰ পৰামৰ্শ দিম।

**Shri Shamsul Huda** : এই যে ৩½(চাৰে তিনি) লাখ বিঘা মাটি বেদখল কৰিছে সেইটো কেনে ধৰণৰ মানুহে কৰিছে। ইয়াত মাটি থকা মানুহ আৰু মাটি নোহোৱা মানুহৰ শতকৰা হাৰ কিমান ?

**Mahendra Mohan Chaudhury** : এইটোৰ হিচাব নাই? বৰা ডাঙৰীয়াই যিবিলাকে মাটি বেদখল কৰিছে বুলি কৈছে সেইবিলাক মাটি থকা মানুহ বা মাটি থকা মানুহৰ Agent সেইটো সঁচা। সেইটো তদন্ত কৰি তাৰ সংখ্যা বিচাৰি উলিয়াব লাগিব। তদন্তৰ পাচত সেইবিলাকৰ বিহিত ব্যৱস্থা লোৱা হব। আৰু এই ব্যৱস্থা গাওঁ পঞ্চায়তৰ পৰা যিবোৰ লিষ্ট কৰি দিয়া হব সেই লিষ্ট মতে কাম কৰা হব।

Shri Kehoram Hazarika : এটা কথা আমাৰ পৰিস্কাৰ নহল যে মধ্য-স্বত্ত ভোগীয়ে মাটিৰ বেচি অংশ ভোগ কৰিছে। কাকিত যি বিলাক বেনামী দখলদাৰ সেই বিলাকৰ নাম Cancel হব নে মহয় ?

Shri Mahendra Mohan Chaudhury : এই সম্পৰ্কত মই এই কথাই কব খুজিছোঁ যে যি সকলক মাটি পট্টন দিয়া হৈছে আৰু যিবিলাক Condition দিয়া হৈছে সেই Condition ভঙ্গ কৰিলে তেওঁলোকৰ নাম Cancel হব। যদি তেনেকুৱা কোনো মানুহ আছে আৰু সেইটো মাননীয় সদস্যই জনালে তাৰ ব্যৱস্থা লোৱা হব।

Rani Manjula Debi : Sir, hundreds of cases are pending as the Mandals have no proper knowledge of the G.T.Act and the Hon'ble Members have also raised a question about it. I would like to know what steps the Government is going to take for quick disposal of these casee ?

Shri Mahendra Mohan Choudhury : I have already replied to it.

Shri Dulal Chandra Barua : মন্ত্ৰী মহোদয়ে কৈছে যে, চাহ-বাগান বিলাকত কিমান মাটি আছে সেইটো ঠাৱৰ কৰিবলৈ M.L.A. সকলক লৈ এটা Committee গঠন কৰা হব। আজি ৫/৬ বছৰ হৈ গল—কি কমিটিয়ে কি কৰিলে, নকৰিলে সেই সম্পৰ্কীয় ৰিপোৰ্ট আমাক আজিও নজনালে। এই সম্পৰ্কে কিছু আভাস পালে ভাল হয়। তাৰ পিছত আৰু এটা হৈছে যে Defence Department ৰ কাৰণে যিবিলাক মাটি লোৱা হৈছিল সেই মাটি বিলাকৰ ক্ষতিপূৰণ দিয়াৰ ক্ষেত্ৰত যি নীতি লৈছিল সেই নীতিৰ ব্যতিক্ৰম হৈছে। Defence Department এ মানুহৰ পৰা মাটি Requisition কৰি লৈ এনেকুৱা এটা সময়ত মাটি বিলাক ঘুৰাই দিবলৈ বিচাৰে যি

সময়ত সেই মাটিবিলাক নানান কাৰণত খেতিৰ অনুপযোগী হৈ পৰে। এই সম্পৰ্কত চৰকাৰে কি ব্যৱস্থা লব খুজিছে আৰু যিবিলাক মাটি লৈছে সেই বিলাকৰ ক্ষতি পূৰণ সোনকালে দিয়াৰ চৰকাৰে কি ব্যৱস্থা কৰিছে। মোৰ সমষ্টিৰ চৰাইবাহী মৌজাৰ শতকৰা ৯০ ভাগ মানুহৰ মাটি Defence Department এ লৈছিল। সেই মাটি বিলাকক ক্ষতিপূৰণ দিয়া হোৱা নাই আৰু সেই মানুহ বিলাকৰ পুনৰ সংস্থাপনো হোৱা নাই। এই সম্পৰ্কে চৰকাৰে কি ব্যৱস্থা লৈছে।

তাৰ পিচত আৰু এটা কথা যে চৰাই বাহী মৌজাখন তিতাবৰ চাৰ্কোলৰ লগত সাঙোৰি ৰখাত মানুহৰ অসুবিধা হৈছে। গতিকে এই চৰাই বাহী মৌজাখন যোৰহাট চাৰ্কোলৰ লগত সংযোগ চৰকাৰে কৰিব নে ?

**Shri Mahendra Mohan Choudhury :** আমাৰ প্ৰতিৰক্ষা বিভাগে যি বিলাক মাটি অধিগ্ৰহণ কৰিছে তাৰ ক্ষতিপূৰণ সম্পকে প্ৰতিৰক্ষা বিভাগৰ লগত লিখা লিখি চলিছে। আমাৰ মুখ্যমন্ত্ৰীয়ে প্ৰতিৰক্ষা মন্ত্ৰীলৈও লিখিছে। অলপতে Joint Secretary, Defence চিলংলৈ আহিছিল। তেখেঁতৰ লগত আমাৰ চেক্ৰেটৰীয়ে আলোচনা কৰিছিল আৰু মইও কৰিছিলো। সেই আলোচনাত তেখেতে যি আশ্বাস দিলে তাৰ পৰা বুজিব পাৰি যে যিবিলাক মাটি Requisition কৰি কামত লগাইছিল সেইবিলাক মাটি তেওঁলোকে Acquisition কৰিব। Requisition কৰা মাটি বিলাকৰ ক্ষতিপূৰণৰ বাবদ দিব লগা টকা বিলাকো সোনকালে দিব। তাৰ পিচত Acquisi ion ৰ মাটি বিলাকত ৮০% ভাগ দিব খুজিছেঁ।

**Shri Dulal Chandra Baruah :** এই বিলাক পুৰণা case আৰু কিমান নতুন case পৰি আছে।

**Shri Kamini Mohan Sarma :** মন্ত্ৰী মহোদয়ে কৈছে যে শতকৰা ৪০ ভাগ কাটি ৰাখিব আৰু ৬০ ভাগহে দিব।

Shri Mahendra Mohan Choudhury: যিবিলাক মাটি লোৱা হৈছে সেইবিলাকৰ মূল্য লৈ এটা আপত্তি হৈছে। আমি acquisition কৰা মাটিৰ মূল্যৰ শতকৰা ৬০ ভাগ দিছো আৰু Requisition ৮০ ভাগ দিবলৈ স্থিৰ কৰিছোঁ আৰু যিবিলাক মাটি নালাগে সেইবিলাক Derequisition কৰিবলৈ দিছোঁ। Rangiya ৰ মাটি Derequisition কৰা হব আৰু বৰঝাৰৰ মাটি aquire কৰিব খুজিছোঁ। যি খিনি টকা পাব লাগে তাক দিবৰ কাৰণে আমাৰ ফালৰথৰা চেষ্টা চলি আছে আৰু আশা কৰো সোনকালেই পাব।

Shri Soneswar Bora: মই এটা কথা উন্নুকিয়াব খুজিছোঁ যে, নগাসীমান্ত সু-ৰক্ষাৰ বাবে আৰু মাটিহীন খেতিয়কৰ সংস্থাপনৰ কাৰণে সীমান্তৰ কিছু মাটি বিতৰন কৰিব লাগে। নগালেণ্ডৰ বিত্তমন্ত্ৰী আৰু মুখ্যমন্ত্ৰীয়ে লাদৈ গড়লৈকে দাবী কৰিছে। যদি এনেয়ে পৰি থাকে হয়তো তেওঁলোকে এতিয়া কৰাৰ দৰেই বে দখল কৰি লৈ যাবগৈ? এতিয়াই দেখা গৈছে ডিমাপুৰৰ পৰা আৰম্ভ কৰি শিৱসাগৰ জিলাৰ সীমান্তৰ মাটি নেপালীসকলে বে-দখল কৰি আছে। সেই কাৰণে সীমান্ত নীতি হিচাবেই এই মাটিখিনি মাটিহীন মানুহক দি দখলত ৰাখিব লাগে, যাতে নগাসকলে বে-দখল কৰিব নোৱাৰে।

Mr. Deputy Speaker: I think that has been discussed more than once. Now I put the main Cut Motion that the total provision of Rs. 2,09,71,800, under Grant No 2, Major Head "9-Land Revenue" at pages 3-17 of the Budget, be refused i. e. the amount of the whole Grant No. 2 of Rs. 2,09,71,800 do stand refused.

(The House divided)

Mr. Deputy Speaker: The result: Noes 46 Ayes 29. The Cut Motion is lost.

I put the main demand : That a sum of Rs. 2,09,71,800 be granted to the Minister-in charge to defray the charges which will come in course of payment during the year ending the 31st day of March, 1970, for the administration of the head "9.—Land Revenue."

(The motion was adopted)

## ADJOURNMENT

The House then adjourned for Lunch till 2.20 p.m.

## AFTER LUNCH

### Demand No. 54

### "44. Irrigation and N.E.D works and 100 capital Outlay on Irrigation, Navigation Embankments and Drainage Works"

Shri Mahendra Mohan Choudhury ( Minister, PWD, Flood Control ) : Mr. Speaker, Sir, on the recommendation of the Governor of Assam, I beg to move that a sum of Rs. 5,56,43,100 be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st day of March, 1970, for the administration of the head "44.—Irrigation and N. E. D. Works and 100.— Capital Outlay on Irrigation, Navigation, Embankments and Drainage works."

Mr. Speaker : The motion is moved.

*Shri Dulal Chandra Barua : Sir, I want to move my cut motion. That the total provision of Rs. 5,56,43,100 under Grant No. 54, Major head "44.—Irrigation and E. &. D. Works and 100.—Capital Outlay on Irrigation, Navigation, Embankment and Drainage Works" at pages 366—375 of the Budget be refused i, e, the amount of the whole grant of Rs. 5,56,43, 100 do stand refused.

Sir, while moving my cut motion under this particular head, I want to make only a few observations. Sir, in the last session we have already discussed this matter threadbare while we were moving the resolution also which has been passed by this august House for giving special consideration in respect of flood control measures to be taken up in the State to protect the life and property of the people of the State due to constant recurrence of flood specially the mighty Brahmaputra. Now, it has been seen that this Department, as I have already observed earlier, though sufficient amount has been allotted or voted under this particular head, that the activities of this Department in the actual field are very disappointing. We have on several occasions observed and we brought to the notice of the Government that the projects that are to be taken up by the Government annually were phase-wise and that works should be started in due time. But what we have found. Due to delay in

*Speech not corrected

execution of the works in different fields, we find that there is huge wastage of publie money. In this regard, Sir, I want to draw your attention to the observation of the Public Accounts Committee at page 48 of the Audit Report, 1968. Here, it has been said : "The construction of sluice culvert at Gargoriajan was allotted by the Executive Engineer, Tezpur Embankment and Drainage Division to a contractor in 1963-64 for Rs. 40,000 ; the work was not completed by April, 1964, the date stipulated in the contract. The partially constructed culvert ( cost Rs. 20,120, ) gave way during floods in June 1964. In November, 1964, the Executive Engineer asked the contractor to reconstruct the culvert at his own cost. The contractor however , did not execute the work. In December, 1967, Government stated that the contractor was found to be primarily responsible for the collapse of the incomplete sluice culvert and that explanations from three departmental officers had been called for. My whole contention is that very often we are receiving complaints from the contractors as well as from the officers in respect of giving administrative approval for these works and there has been always delay in the head office. I had my own experience about this. Sir there is incomplete portion of the E & D. bund in my area which is called the bund. A protion of that bund has been completed last

year and in spite of my repeated request and in spite of the fact that the Minister has passed orders to give the administrative approval in time, they did not give it. At last, before the session of the Assembly starts, they sent one telegram to call for tender. The tender was called but only very recently I have been told that the administrative approval has been given. As a result of which—now the rainy season has come—I am afraid whether the Govt. will be in a position to complete the incomplete portion of the work. Sir, as I have already said, though there is a large number of officers i. e. the Chief Engineer, P. W. D., that is the Secretary, the Additional Chief Engineer, P.W.D. and so many Under Secretaries and so many Assistant Engineers and other staff still then I do not understand why there is so much delay in approving the schemes or giving administrative approval in time.

Again, in the Public Accounts Committee's observation at page 49 of the Audit Report, 1968, it has been said under "Avoidable Expenditure" that tenders invited in September 1964 for supply of O.71 lakh Cm. boulders of three different sizes ( estimated cost Rs. 16 lakhs ) for the Jamuna Irrigation Division II stipulated that the tenderers might offer for the whole job or a part and the Department reserved the right to accept any tender in whole or in part. Of the 17 tenders received, supply

order for the three sizes of boulders was issued ( October, 1964 ) to a contractor whose rates were lowest for two sizes of boulders but not for the third ; for the third size the accepted rate was Rs. 19.65 per cm., as against the lowest rate of Rs. 14 per cm. offered by another tenderer. During October, 1964 to September, 1965, 7222 cm. of the third size boulder was purchased at a cost of Rs. 1 42 lakhs Rs. 19.65 per cm. as against Rs. 1.01 lakhs Rs.14 per cm. calculated at the lowest quoted rate. In June, 1968, Government stated that the supply work of the boulders of the third size) could not be entrusted to the lowest tenderer for the item as the same along with supply work of other two sizes of boulders represented one work. Non-allotment of the work ( for the third size( to the lowest tenderer thus resulted in an avoidable expenditure of Rs. 0.41 lakh. "Therefore, it has been seen that the time of observing the formalities of giving tenders is one of the factors in the delay of execution of the works. Therefore, I submit that the Department at the top should be more effective so that the officers at the district and subdivisional levels can execute the work in proper time and avoid such huge wastage. Here at page 50 of the Report, under wasteful expenditure- it has been said that due to delay in execution of works and due to non-settlement of tender in

proper time, there is wasteful expenditure under this particular Department. Therefore, my whole contention is that when the Department is now expanding like anything we should see how we can have the maximum number of officers at the top and in the divisions as the bulk of work is increasing day by day.

But for the purpose for which the amount has been allotted under this particular head, that has to be utilised to the fullest extent. Sir, we have been told on several occasions that the E& D bunds constructeld at various places have not been done on the bas's of technical requirement. For the last few years. some other considerations have weighed with the Government. Some bunds have been observed only on political considerations. There is no meaning in this. Suppose as a public representatives I come and demand a bund on pressure from the public, or I demand some irrigation scheme to be undertaken. Unless these schemes are examined and scrutinised properly by technical experts they should not be taken in hand. We have already wanted a huge amount of public money for the last 21 years in the name of construction of bunds, taking up of irrigation projects like the Jamuna irrigation scheme, but actually we could not protect anything, we could not take any permanent measures either for con-

trolling of the Brahmaputra or its other tributaries like Subansiri, Dikrong, Pagladia and other rivers. If we had not succumed to political pressure we might have undertaken some permanent measures and save the life and property of the people.

Sir, we have urged the Government to press upon the Government of India to allot sufficient funds for flood control measure and also to take over some major protection works like controlling the mighty Brahmaputra, Barak, Subansiri, etc., for inclusion in the national plan. But till now these have not been included in the national integrated plan though the protection works of some other States have been included. Therefore, I urge upon the Government to press on the Government of India to take over the major protection works, especially the mighty Brahmaputra should be taken up by the Government of India forthwith.

Sir, in the Economic Survey of Assam, 1968, at page 33, it has been stated: "For a dispassionate study of the whole problem in all its details, a State Flood Control Board has been established for drawing up both short term and long term programmes and for taking concrete steps in accelerating flood control works. A draft Master Plan for Flood Control in Assam has been prepared, on the basis of which the programmes to be implemented during the Fourth Plan have been

drawn up." Sir, we know that a draft Master Plan for Flood Control in Assam has been prepared, but I want to know from the Minister whether the Government of India has approved our Master Plan, because we do not find that any scheme has been implemented up till now. Again, it has been mentioned in the same report : "It may be pointed out that the flood control measures so far carried out were by and large short-term measures involving mostly construction of dykes along the Brahmaputra, the Barak and their numerous tributaries, including strengthening and improving of existing flood dykes where necessary and improvement of drainage of low lying areas". Here I want to say that an investigating committee came to Assam just to study about the claim made by the Government of Assam for allotting sufficient funds for flood damage. I do not know whose fault is this may be the fault of the departmental officers or it may be the fault of the experts- the study team could not be conviced about the allotment of sufficient funds. I don't know what is lacking where. In any case, the Department should be pulled up upto the mark, so that they can give sufficient arguments to convince the Government of India for allotment of sufficient funds.

Then, Sir, it is also stated that 'In the Fourth Plan it is proposed to supplement such short-term

measures by long-term measures by way of construction of storage reserviors in course of time so that the flood problem in the State is tackled on a permanent footing. It is gratifying to note that the Government of India has propo.ed to set up a Brahmaputra Valley Corporation for the purpose of effective taming of Brahmaputra river and its tributaries. The proposed corporation will be modelled on the type of famous Tennessy Valley Corporation of the U. S. A."

Sir, it is pleasing to read this, but I want to know what steps have been taken to implement this. We have been getting asurances from the Government of India from time to time. Dr. K.L. Rao when he came here assured many things, but he is also helpless there on account of the indifferent attitude of the Finance Department. We have, there-fore, to press on the Government of India to implement their assurance.

Then, Sir, I want to touch on another important aspect and that is about Directorate of River Research. There is a Director for River Research, but he has practically got no work. His time and talent are wasted. I would also like to draw the attention of the Hon'ble Minister, E & D, about the great injustice done to him. On the pleas that he is an expert in that line, one of his junios has been given promotion by superseding him. Govern-

ment should have promoted him as Additional Chief Engineer and posted him there for river research wo k without allowing his junior to supersede him. I would therefoie urge upon the Government to rectify the injustice done to him. Then, Sir, there was a proposal for appointing some zonal Superin tending Engineers. We find that some of the Superintending Engineers have been sppointed, bnt some have not yet been appointed, for which work is suffering heavily.

Sir, I must give my thanks to the Hon'ble Minister, E. & D, for taking up the protection at Kakilamukh very earnestly. I hops with the vigour and energy of the departmental officers and wi h the financial assitance which is expected from the Government of India, not only Jorhat, but the entire stretch from Neamati to Galabil, would be protected from the heavy erosion of the mighty Brahmaputra. For this reason and also for mobility of work more staff is necessary there. But I don't know what is the reason for some officers to leave that place. The S. D. O. is also not there: When the Executive Engineer wants to take up the work why these officers have left their headquarters there ?

Therefore, I urge upon the Minister-in-Charge of E, &. D. to give proper staff to help the officer who has been posted there to undertake the work.

From our side, that is, from the side of the public representatives, we shall give all possible co-operation to the Department for the sucessful implementation of the project.

Those proposals which we had discussidn in the last Session of the Assembly while discussing aresolution under this head should be given due consideration by the Government of Assam and they should not remain satisfied with the assurance given on paper by the Govt. of India. Permanent flood control measures which are proposed to be taken by the Government of India in the line of U. S. A. which were seen and examined by Dr. K. L. Rao when he visited America should be undertaken in different places so that the life and property of the people can be saved from flood and erosion and the expenditure which we incur on this scheme is to be benefit of the people.

With these observations I commend my cut motion.

**Shri Atul Chandra Goswami**: অধ্যক্ষ মহোদয়, এই ৫৪ নম্বৰৰ গ্ৰাণ্টত যি টকা বিচৰা হৈছে সেইখিনি কমাব লাগে বুলি কৈ মই দুৱাষাৰ মান কব খুজিছো।

বানপানীৰ পৰা জনসাধাৰণক ৰক্ষা কৰাৰ উদ্দেশ্যৰে চৰকাৰৰ E.&D. বিভাগে মথাউৰি বান্ধিছে। কিন্তু মথাউৰী বন্ধাৰপৰা বহুতো ক্ষেত্ৰত কৃষিৰ উন্নতি হোৱাতকৈ অপকাৰহে হৈছে। খেতিৰ সময়ত পানী নাথাকিলে মথাউৰিৰ পৰা একো লাভ নহয়। কিন্তু সৰহ ভাগ মথাউৰিৰ ক্ষেত্ৰত দেখা গৈছে যে খেতিৰ কাৰণে পানী নাথাকে আৰু

পানী ওলাই যাব নোৱাৰিলে খেতি নষ্ট হয়। কলং সুতি বন্ধ কৰি দিয়াত কলীয়াবৰ অঞ্চলত একেবাৰে নষ্ট কৰি দিলে। কিন্তু বিত্তমন্ত্ৰী ডাঙৰীয়াই এই কামৰ কাৰণে বাজেটত টকা ধৰা শুনি সুখ পাইছো। আৰু তাত lift irrigation কৰাৰ চেষ্টা কৰাত ভাল পাইছো। তাকে নকৰিলে notice দি থলো যে মথাউৰি বিলাক কাটি দিয়া হব। আৰু মথাউৰিৰ কাৰণে আচলতে যিমান খৰছ হয় তাতকৈ বেচি খৰছ দেখুৱা হৈছে গতিকে মথাউৰি বিলাক কৰা সময়ত হাতীৰে গছকাব লাগে কিন্ত দেখা গৈছে তাকে নকৰি কলগছৰ মূঢ়াৰে খুন্দিয়াই হাতীয়ে গছকা বুলি পইচা লৈ যায়। আৰু দেখিছো ব্ৰহ্মপুত্ৰনদীত বন্ধ দিবলৈ ৫ কেজি কাঠৰ ধুৰমুচৰে মাটি খুন্দি ব্ৰহ্মপুত্ৰত বান্ধ দিবলৈ ওলাইছে। প্ৰায় বিলাক মথাউৰি ভাঙি যায় আৰু এন্দুৰেও নষ্ট কৰে। কিন্তু আচল এন্দুৰতকৈ অফিচাৰ এন্দুৰ বিলাকেহে বেচি অপকাৰ কৰে। Sub Engineer তলত যিবিলাক মহৰি থাকে তাৰপৰা আৰম্ভ কৰি ওপৰৰ বিভাগ সকলেহে আচল এন্দৰতকৈ বেচি ক্ষতি কৰে। বিশেষকৈ আমাৰ নগাও অঞ্চলত মথাউৰি হৈছে নগাওৰ ডাঙৰ ডাঙৰ বিল বিলাক বেয়া হৈ গৈছে। শিলঘাটৰপৰা ধৰিলৈ যিবিলাক মথাউৰি হৈছে যেনে লগতখোৱা বৰঘুলী, গাভা আদি যিবিলাক বিল আছে তাত এতিয়া ছন্দামাছ এটাও নোপোৱা হ'ল।

ওচৰত দুটা চুইচগেট আছে। সেই চুইচগেটৰ ওচৰৰ এজন ধনী মানুহে সুবিধা মতে চুইচগেট খোলে আৰু বন্ধ কৰে। সেইদৰে নাতখোৱাটো একে অৱস্থা। এইদৰে বুজাবলগীয়া হলে ৰাইজে মথা- উৰি কাটি দিব। আৰু সেই কাৰণে মথাউৰিয়ে যাতে ৰাইজৰ খেতি বাতি নষ্ট নহয় তাৰ ব্যৱস্থা কৰিব লাগে। আগতে অসমৰ বানপানী নথকাত যি অপকাৰ হৈছিল এতিয়া মঠাউৰি হোৱাৰ পাছতো একে অপকাৰ হৈছে। আগতে বানপানীত ৰবিশস্য হৈছিল, এতিয়া কেৱল বালিহে হয়। গতিকে আশা কৰো এই বিলাক Embec- ment depaitmant এ পানী ওলোৱা আৰু সোমোৱাৰ ব্যৱস্থা

কৰিব লাগে। মথাউৰি বন্ধাৰ সময়ত মানুহৰ বহুত লোকচান হয়। মানুহৰ বাৰীৰপৰা বগৰীজেং কাটি নিয়ে। কিন্তু E. & D. Depar -tment এ মাহুত টকা খৰছ হোৱা বুলি হিচাব দিয়ে। এতিয়া হাতীমুৰাটো কোনো ব্যৱস্থা কৰা হোৱা নাই। ইয়াত পানী সোমালে ওলাই নাযায় আৰু মানুহৰ বহুত খেতি নষ্ট কৰে। সেইকাৰণে হাতীমুৰাত সৰু মথাউৰি দি ৰাইজৰ খেতি কৰাৰ ব্যৱস্থা কৰিব লাগে। মথাউৰিৰ কাৰণে যত মাটি পটুন দিয়া হয় সেইবিলাক ঠাইত গছ ৰুই দিয়াৰ ব্যৱস্থা কৰিব লাগে। হিদল আৰু পানীকাইট ৰুই দিব লাগে। তাকে কৰিলে মথাউৰি বন্ধাত সুবিধা হব পাৰে। এই সম্বন্ধত চৰকাৰে বিবেচনা কৰি চাব লাগে আৰু এইখিনিকে কৈ মই বক্তৃতাৰ সামৰণি মাৰিলো।

Shri Sailen Medhi : অধ্যক্ষ মহোদয়, আজি এই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি মই কব খোজো যে বনবিভাগৰ যি ৫ কোটী ৫৫ লাখ ৪৩ হাজাৰ ১০০ টকাৰ যি দাবী বিচাৰিছে সেই সম্বন্ধে মাননীয় সদস্য বৰা ডাঙৰীয়া আৰু ভট্টাচাৰ্য্য ডাঙৰীয়াই বহলাই আলোচনা কৰিছে। এই বিভাগটো এটা অতি গুৰুত্বপূৰ্ণ বিভাগ কিন্তু এই বিভাগত চৰকাৰে যিদৰে সহস্ৰ টকা খৰছ কৰিছে সেইদৰে চৰকাৰে লাভ কৰিব পাৰিছেনে নাই সেইটো চাব লাগিব।

এই সম্বন্ধে যোৱা অধিবেশনত আমি বহুতো আলোচনা বিলোচনা কৰিছিলো আৰু বহুতো পৰামৰ্শ আগ বঢ়াইছিলো। কিন্তু আমি দেখিবলৈ পাইছো আজি ইমান টকা খৰচ কৰিও বানপানী নিয়ন্ত্ৰণৰ ক্ষেত্ৰত কাৰ্য্যকৰী পন্থা হাতত লব পৰা নাই। এই Deptt. ত খৰচ হোৱা টকালৈ যদি চাও এই টকা আমি ৩ টা ভাগত বিভক্ত হোৱা দেখিবলৈ পাওঁ।

১। Irrigation—যিটো অসমৰ কাৰণে অতিব প্ৰয়োজন।

২। Embankment and range আৰু ইয়াৰ লগতে Navigation ও ধৰা হৈছে যদিও এই Navigation ত টকা খৰচ হোৱা নাই।

আজি Irrigation আৰু Embankment এই দুটা অলপ প্ৰয়োজন হৈছে। কাৰণ অসমখন বানপানীত দুবি থাকে আৰু ইয়াৰ কাৰণে যথেষ্ট টকা খৰচ কৰা হৈছে। এই প্ৰসংগত এই কথা ভুল হব যে বানপানী নিয়ন্ত্ৰণ কৰিবলৈ যাওতে ভুল তথ্য আৰু অবৈজ্ঞানিক উপায় অবলম্বন কৰা হয় তেনেহলে যিদৰে দেশখন আগবঢ়াই নিব লাগে সেইদৰে আগবঢ়াই নিবপৰা নহব আৰু ইয়াৰ কুফল সকলোৰেই ভুগিব লাগিব। যিবিলাক মঠাউৰি আজি অযস্য টকা খৰচ কৰি কৰা হৈছে সেইবিলাক এফালে যদিও ভাল কামহে কৰিছে সচাঁ কিন্তু আনফালে ই ব্যৰ্থ হৈছে। কিছুমান অঞ্চলত খেতি নষ্ট কৰিছে। এফালে এই মঠাউৰি বিলাক ভাঙি গৈছে আৰু সেই ফালেদি সোমোৰা বানপানী উলাই যাব নোৱাৰে। তাৰ ফলত বিৰাট একোটা অঞ্চল জলমগ্ন হৈ থাকে। এই বানপানী নিয়ন্ত্ৰণৰ কাৰনে অযস্য টকা খৰচ কৰিছে কিন্তু কৃষি ক্ষেত্ৰত সেই পৰিমাণে লাভ হওক চাৰি লোকচান হে হৈছে। এই ক্ষেত্ৰত মই এটা ডাঙৰ কথা বানপানী নিয়ন্ত্ৰন সম্পৰ্কে কব খুজিছো যে এই বিভাগৰ লগত কৃষি বিভাগ মিনমহল বিভাগে যদি Co-ordinate কৰে তেতিয়াহলেহে কম হব নহলে বানপানী নিয়ন্ত্ৰণ সম্ভৱ হৈ নুঠিব বুলি মোৰ বিশ্বাস। কাৰণ আমি দেখিছো বানপানী হোৱা অঞ্চলবিলাকত যিবিলাক মঠাউৰি বান্ধি দিছে সেই মঠাউৰী আবৃত পথাৰ বোৰৰ মাজত বহুতো মিনমহল পৰে। এই মিনমহল বিলাক যেতিয়া ডাকত দিয়া হয় আৰু যিসকল লোকে এই মিনমহল বিলাক ডাকি লয় তেওঁলোকৰ Interest বেলেগ হয় আৰু বানপানী নোসুমালে মাছ নৰয় বুলি বান্ধ ভাঙি দিয়ে আৰু আনহাতে খেতিয়ক বিলাকে মঠাউৰীৰ কাৰণে খেতি নহয় বুলি কয়। ইয়াৰ ফলত মঠাউৰি কটা যায় আৰু তাৰে অইন পাটিয়ে এই বিলাকত বাধা দিয়ে। যাৰ তাৰ ফলত তেওঁলোকৰ মাজত মাৰপিত হয়, হাই কাজিয়া হয় আৰু এইদৰে হাই কাজিয়া হবই লাগিছে। সেই কাৰণে মই কওঁ যে এই মিনমহল আৰু Agrcilu'ture এই দুয়োটা বিভাগ Irrigat'on ৰ লগত লগ লগাই দিলে ভাল হয়।

কাৰণ অকল E.&.D. এই বিভাগে এই বানপানী নিয়ন্ত্ৰণৰ কাম কৰিব নোৱাৰে ।

বানপানী নিয়ন্ত্ৰণৰ প্ৰসংগত দেখা যায় ব্ৰহ্মপুত্ৰৰ মঠাউৰিয়ে চহৰৰ মানুহ বিলাকৰ কিছু উপকাৰ কৰিছে। কিন্তু গাৱঁৰ মানুহৰ উপকাৰ কৰিব পৰা নাই। সৰু-সুৰা নদী যিবিলাক পাহাৰৰ পৰা ওলাই আহিছে সেই বিলাক নিয়ন্ত্ৰন কৰিব পাৰিলে কৃষি প্ৰধান অঞ্চল বিলাক ৰক্ষিত হব। ব্ৰহ্মপুত্ৰৰ গৰা খহনীয়া কাৰণে যি বিলাক ব্যৱস্থা গ্ৰহণ কৰিছে সেইবিলাক কিছু কিছুপৰিমাণে চহৰ বিলাকৰ উপকাৰ কৰিছে কিন্তু গাৱঁত কৰিব পৰা নাই। কিন্তু বিশেষ কৈ সমগ্ৰ অসমৰ বানপানী তাণ্ডৱ লিলাৰ পৰা ৰক্ষা পাবৰ কাৰণে উপনদী সমূহৰ মঠাউৰি বান্ধিলেই নিয়ন্ত্ৰন কৰিব নোৱাৰি। ইয়াৰ পৰা সমস্যাৰ সমাধান হোৱা নাই আৰু অযস্য টকা খৰচ হৈছে। এই খৰচ কেন্দ্ৰীয় চৰকাৰে আমাক দিয়া নাই। আনহাতে যিমান টকা আমাৰ চৰকাৰে খৰচ কৰিছে সেই হিচাবে আমাৰ কাম হোৱা নাই। এই বিভাগটোৱে যিমান টকা খৰচ কৰিছে সিমান টকা অন্য কোনো বিভাগে খৰচ কৰা নাই। অন্য ঠাইত টকা খৰচ কৰিলে তাৰ Account কৰিব পৰা যায়। কিন্তু E.&.D. বিভাগত ১ কোটি টকাৰ শিলগুটিৰ ঠাইত ১০ কোটিৰ খৰচ কৰিছে বুলি কলেও Account কৰিব পৰা নাযায়। ব্ৰহ্মপুত্ৰ নদীৰ Level ৰ মাপৰ কাৰণে যিটো খুটি থাকে সেইটো ইচ্ছা কৰি ওপৰত কুৰাই দি তললৈ বহুৱাই দি কয় যে আমি ইমান খিনি কৰিলো। গতিকে এই বিলাক কাম যদি বৈজ্ঞানিক উপায়েৰে কৰা নহয় তেনেহলে সকলোৱে শিল গুটি ধালি পানী নিয়ন্ত্ৰণ কৰিব নোৱাৰে। এই সম্পৰ্কত যদি নেফা ভূটান ব্ৰহ্মদেশৰ লগত যোগাযোগ ৰাখি তেওঁলোকৰ পৰা সহায় পোৱা নহয় তেনেহলে অসমৰ কাৰণে বাতুলতা বুলি কব লাগিব। আৰু যদি প্ৰয়োজন হয় কেন্দ্ৰীয় চৰকাৰে আন্তজাতিক পদ্ধতিৰে হলেও আমাৰ অসমৰ বানপানী নিয়ন্ত্ৰণৰ প্ৰচেষ্টা চলাব লাগিব। আৰু এই সম্পৰ্কত অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰক দাবি কৰিব লাগে। কাৰণ অসমৰ বান-

পানী নিয়ন্ত্ৰণৰ ক্ষেত্ৰত আমাৰ যি সমস্যা সেই সমস্যাৰ লগত জড়িত কৃষি আৰু কৃষিৰ লগত জড়িত ভবিষ্যতৰ অসমৰ ৰঙিল সপোন। গতিকে বানপানী নিয়ন্ত্ৰৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ লগত অসম চৰকাৰে যোগাযোগ দৃঢ় ভাবে ৰাখিব লাগিব।

তাৰ পাচত আৰু এটা কথা কব খুজিছো যে জলসিঞ্চন ব্যৱস্থাত E.&D. বিভাগৰ কাম নাই গতিকে চৰকাৰক মই এই পৰামৰ্শ আগবঢ়াইছো যে খৰালি কালতো যে জলসিঞ্চন ব্যৱস্থা কৰি পথাৰত পানী যোগান ধৰিব পাৰে তাৰ চেষ্টা কৰিব লাগে আৰু তাকে কৰিব পাৰিলে আমাৰ এটা খেতিৰ ঠাইত দুটা খেতি কৰিব পৰা যায়। ইতিমধ্যে অনান্য ৰাজ্যতো এই ব্যৱস্থা হৈছে আৰু ইয়াৰ দ্বাৰা কৃতকাৰ্য্যও হৈছে। ইতিমধ্যে ৩/৪ কোটি টকা খৰচ কৰি যমুনা জলসিঞ্চন আঁচনিৰ দ্বাৰা মাত্ৰ বাৰিযাহে পানী দিয়াৰ ব্যৱস্থা হৈছে। খৰালী পানী দিয়াৰ ব্যৱস্থা কৰিব পাৰিলে পানীৰ অভাৱত খেতি কৰিব নোৱাৰা ঠাই বিলাকতো ২/৩টা খেতি উঠাব পৰা যাব। তেতিয়াই আমাৰ দেশ শস্য স্যামলা হৈ পৰিব আৰু ধনে ধানে নদন বদন হৈ উঠিব। ইয়াকে কৈ মই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰিলো।

*Shri Muhidhar Pegu : অধ্যক্ষ্য মহোদয়, অসমৰ বানপানী নিয়ন্ত্ৰনৰ পৰিপেক্ষিতত নানান কথাৰ উদ্ভৱ হৈছে আৰু সেই সম্পৰ্কে চালি-জাৰি চাই এটা সমীধান দিবলৈ যথেষ্ট আলোচনা-বিলোচনাৰ দৰকাৰ। আমি স্বীকাৰ কৰো যে অসমৰ শতকৰা ৩/৪ ভাগ লোক খেতিয়ক বা বনুৱা আৰু বাকী কেইজনহে বুদ্ধিজীবি। এই ৩/৪ ভাগ লোকৰ কাৰণে কৃষিৰ ব্যৱস্থা কৰা দৰকাৰ আৰু সেই কৃষিৰ কাৰণেই বানপানী নিয়ন্ত্ৰন ব্যৱস্থাৰ প্ৰয়োজন।

কৃষিৰ উন্নতিৰ কাৰণে টকা খৰচ কৰিব বুলি কৈছে। কিন্তু মঠাউৰিৰ কাৰণে ইমান কম টকাৰ ব্যৱস্থা কৰিছে কিয়? ইয়াৰ পৰা দেখিব যে আমাৰ ৩/৪ লোকৰ পৰিপোষণৰ বাবে বিশেষ মনো-যোগ দিয়া নাই। অসমখন এহাতে প্ৰান্তীয় প্ৰদেশ আৰু আনহাতে

*Speech not corrected

বিদেশী ৰাষ্ট্ৰৰ দ্বাৰা পৰিবেষ্টিত। সেইবাবে ইয়াৰ খাদ্য সমস্যাৰ বাবে সকলোৰে চিন্তা কৰিব লাগে। ইফালে অসমলৈ প্ৰতি বছৰ বহিৰাগতৰ সোত নিৰ্ব্বিবাদে বব লাগিছে। সেইটো বন্ধ কৰিব পৰা নাই। এইদৰে চলি থাকিলে হয়টো এদিন অসমীয়াৰ অস্তিত্ব শেষ হব।

টেনেচী নদীৰ আৰ্হিত D.V.C. কৰিলে আৰু বছৰি ৮০ লাখ টকা দিছে মাছ পোহাৰ বাবে অন্যান্য বিজুলী শক্তি আদিৰ কথাই নাই। D.V.C. ত মঠাউৰি মাছ, বিজুলী শক্তি আদিৰ কাৰণে টকা খৰচ কৰিব পাৰে কিন্তু ব্ৰহ্মপুত্ৰত শষ্যো-মৎষে উপচি আছে। অসমৰ জনসাধাৰণক বছৰি খৰিৰ যোগান ধৰে মাছৰ যোগান ধৰে আৰু তাতোকৈ ডাঙৰ কথা অসমৰ মাটি আজি ব্ৰহ্মপুত্ৰৰ পানীৰ স্বাভাবিক সাৰেৰে সাৰুৱা হৈছে। গতিকে চৰকাৰে বানপানী নিয়ন্ত্ৰনৰ কাৰণে সকলো যত্ন লোৱা উচিত।

M. Shamsul Huda: মাননীয় অধ্যক্ষ মহোদয়, এই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি মই দুষাৰমান কব খুজিছো। এই শিতানৰ grant No ৫৪ত ৫ কোটিৰো অধিক টকা ধৰা হৈছে। আমাৰ যি অভিজ্ঞতা তাত আমি দেখিছো যে এই কামত কেৱল ৰাজহুৱা ধন অপব্যয় কৰাৰ এটা ডাঙৰ ব্যৱস্থা। এই বিভাগৰ যিবিলাক কাম সেই কামবিলাক আমাৰ দৈনন্দিন জীৱনৰ আৰু কৃষি জীৱনৰ কাৰণে অপৰিহাৰ্য্য। এইটো সকলোৰে মঙ্গলৰ হকে কৰিব লাগে। কিন্তু ইয়াৰ দ্বাৰা বহু টকা অপচয় হৈছে আৰু ৰাইজৰ কৃষিৰ ক্ষেত্ৰত সৰ্ব্বনাশহে হৈছে। এই অপচয়ৰ কথা আমি বহুবাৰ আলোচনা কৰিছো। এতিয়াও সেই বিষয়ে কেইটামান কথা লক্ষ্য কৰিম। এই মথাউৰি নিৰ্ম্মাণৰ ক্ষেত্ৰত যিবিলাক Land Estimate কৰা হয়, প্ৰকৃততে সিমান টকা সেই কাৰণে খৰচ কৰিব লাগে। কিন্তু তাতোকৈ বহুতো অধিক টকা ধৰা হয়। সাধাৰণ ৰাইজে তাৰ কোনো খবৰ নাৰাখে আৰু গমো নাপায়। এই Estimate টো Inflated. এই Inflated Land Estimate ৰ সুবিধা লৈ কিছমান দুৰ্নীতি পৰায়ন বিষয়াই সেই টকা আত্মসাৎ কৰে।

সেইকাৰণে তেওঁলোকে সদায় নতুন কাম লবলৈ বিচাৰে। ইয়াৰ ওপৰিও যেতিয়া বানপানী আহে অথাৎ বাৰিষা কালত কিছুমান নাভূত নাশ্রুত কাণ্ড ঘটে। অৱশ্যে তেওঁলোকে পোনপটীয়া ভাৱে টকা নাখায়। তেওঁলোকে বাঁহৰ জেং কিনা হিচাবে বা চিমেণ্ট কিনা হিচাবে টকা খায়। যেনে—১০ গাড়ী জেঙৰ ঠাইত ১০০ গাড়ী জেং হয় আৰু ৫০ টা চিমেণ্টৰ বস্তাৰ ঠাইত ৫ হেজাৰ চিমেণ্টৰ বস্তা ধৰে। এনে ধৰণে বিল কৰি তেওঁলোকে টকা খায়। চৰকাৰৰ গড়কাপ্তানী বিভাগে চিমেণ্টৰ কাম কৰোতে বছৰি কেইবা হাজাৰ বস্তাৰ চিমেণ্টৰ কাম কৰে। কিন্তু সেই বস্তা বিলাক E. & D.ৰ বাৰিষাৰ বান তেটা দিয়া কামৰ কাৰণে জমা কৰি ৰখাৰ পৰিবৰ্তে সেই বস্তা বিলাক শতকৰা ২৫্ টকা হাৰত বিক্রী কৰি দিয়ে। তাৰ কিছুমান পঁচি যায় আৰু কেতিয়াবা কেতিয়াবা বস্তাৰ দ'ম হিচাবে নিলামত বিক্ৰীও কৰে। এই বস্তা বিলাক কম দামতে বিক্ৰী কৰাৰ পৰিবৰ্তে বাৰিষা কালত E & D ৰ কামত ব্যৱহাৰ হব বুলি P. W. D. ৰ পৰা পোনপটীয়া ভাৱে সেই বস্তাবিলাক নিনিয়ে বা নিকিনে। সেই বস্তাবিলাক ব্যৱসায়ী বা বেপাৰী সকলে ২৫% টকাত নাইবা আৰু কম দাম দি কিনাৰ পিচত তাকেই আকৌ ৭৫% টকা হাৰত E&D বিভাগে কিনে। এনেবৈয়ে এই দুনীতি পৰায়ন বিষয়া সকলৰ জনা শুনা কিছুমান ব্যৱসায়ী মানুহক পৰিকল্পিত ভাৱে P. W. D. বিভাগৰপৰা কম দামতে কিনাৰ পিচত সেই বস্তাকে বেচি দামত কিনি এই দুৰ্নীতি পৰায়ন বিষয়াসকল আৰু বেপাৰ সকলে মুনাফা খায়। ইয়াৰ উপৰিও ব্যৱসায়ী সকলৰ পৰা .চ হেজাৰ টকাৰ হয়তো বস্তা কিনে কিন্তু বিল হয় ৫০ হেজাৰ . .ৰ। এনেকৈয়ে ৰাজহুৱা ধনৰ অপচয় হৈয়ে আছে। যিবিলাক বিষয়াই সেই ঘটনা বিলাক কৰি আছে সেই বিলাকৰ কিছুমান কথা আমাৰ মাননীয় সদস্য শ্ৰীঅতুল গোস্বামী ডাঙৰীয়াই ইতিমধ্যে কৈ গৈছে। মই ইয়াতে এটা কওঁ আমাৰ মথাউৰি বিলাকৰ যি কাম হৈছে তাৰ এটা নমুনাৰ কথা কওঁ। এই ঠিকাদাৰ সকলে এই ৰ

পৰাম্নন কৰ্ম্মচাৰী সকলৰ লগ লাগি মথাউৰিৰ কাষৰ পুৰণা যি বিলাক খন্দা সেইবিলাককে চুৰুকি নতুনকৈ মথাউৰিৰ মাটি খন্দা বুলি প্রচুৰ টকাৰ বিল কৰি সেই টকা আত্মসাৎ কৰে। এই বিভাগৰ কাম বিলাকৰ উদ্দেশ্য কি আছিল? সেইটো আছিল ৰাইজৰ মঙ্গল সাধন কৰা। কিন্তু তাৰ পৰিবৰ্ত্তে কাম নকৰি বিল কৰি ৰাইজৰ সৰ্ব্বনাশ কৰিছে।

তাৰ পিচত মথাউৰি বান্ধিবলৈ গৈ যিবিলাক পথাৰত পানী লাগে সেইবিলাকলৈকো লক্ষ নকৰি সকলো বিলাক পথাৰৰ পানী সোমাব নোৱাৰাকৈ বান্ধি পেলায়। বৰ্ত্তমান এই মথাউৰিৰ যি Estimate কৰে সেই Estimate Slucice gate ৰ Estimate কৰি তাৰ কাৰণেও টকা ধৰি ৰাখে। কিন্তু প্রকৃত পক্ষে কাম কৰোতে এই Slueice gate বিলাক হৈ নুঠে। এইটো নোহোৱা স্বত্বেও Estimate তকৈ বেচি টকা পৰে। কিয়নো Earth work কৰোতে এই Estimate ত বহু বেচি টকা সোমাই যায়। কাৰণ Earth work ৰ জৰিয়তে টকা আত্মসাৎ কৰাত সুবিধা হয়।

কেৱল এইটোৱেই নহয়; এই বিভাগত কৰ্ম্মচাৰী সকল থকাৰ কাৰণে ঘৰ সাজিবলৈ বহুত টকা ধৰা হৈছিল কিন্তু এই টকা খৰচ নকৰি হাতত ৰাখিছে নাইবা আইন কামত খৰচ কৰিছে এই মথাউৰিৰ জৰিয়তে যদিয়ো কিছু উপকাৰ হৈছে কিন্তু বহুত ঠাইত খেতি পথাৰত শস্য নোহোৱা হৈছে আৰু শস্যৰ উৎপাদানত ব্যাঘত হৈছে। আনহাতেদি ধান চাউলৰ বাদে মাছ এটা anciallary খাদ্য। কিন্তু এই মথাউৰি বিলাক যধে মধে বান্ধি দিয়াৰ ফলত মাছৰ উৎপাদন যথেষ্ট পৰিমাণে কমি গৈছে। খাদ্যৰ উৎপাদনৰ সৰ্ব্বনাশ কৰিছে আৰু মাছৰ উৎপাদনো সৰ্ব্বনাশ কৰিছে।

এই বিভাগত যেতিয়া জলসিঞ্চন কৰাৰ ব্যৱস্থা এই জলসিঞ্চন একমাত্র যমুনা জলসিঞ্চনৰ বাহিৰে চৰকাৰৰ ফালৰপৰা এই বিষয়ে একো কৰা হোৱা নাই। তাৰ ফলত ৰাজ্যৰ ভিতৰত পানী যোগান আৰু জলসিঞ্চনৰ ব্যৱস্থা কৰি দিব পৰা নাই। আৰু আনহাতেদি

১৯50 চনৰ ভুমিকম্পৰ ফলত বহু নদ-নদী খাল পুখুৰী বাম হৈ পৰিছে—আৰু সেইবিলাক চৰকাৰে খান্দি দিব পৰা নাই। ইয়াৰ উপৰিও নদী বিলাকৰ পৰা নতুনকৈ খাল কাটি আনি এই চৰকাৰে জলসিঞ্চনৰ কোনো ব্যৱস্থা কৰি দিব পৰা নাই। ইয়াৰ বাহিৰেও এটা কথা যে মঠাউৰী বান্ধোতে জলসিঞ্চনৰ ভিতৰত যি অৱস্থাৰ সৃষ্টি হৈছে সেইটো যেন হাঁতত টাঙোঁন লোৱাৰ নিছিনাহে হৈছে—তাৰ কাৰণ হৈছে মঠাউৰী বান্ধোতে অধিগৃহীত মাটি যিবিলাকৰ লোৱা হ'ল সেইবিলাকৰ ক্ষতিপূৰণৰ টকা আজি পৰ্য্যন্ত দিয়া হোৱা নাই। মই জানো ১৯৬২ চনত নগাওঁ জিলাত মথাউৰী বান্ধিবলৈ যি সকল মানুহৰ মাটি অধিগ্ৰহণ কৰা হৈছিল, সেই ক্ষতিপূৰণৰ টকা আজি পৰ্য্যন্ত দিয়া নাই। তাৰ উপৰিয়ো ১৯৬৭ চনৰ যি বিলাক Retirement বান্ধ বান্ধিছে সেই বিলাকৰো ক্ষতিপূৰণ দিয়া হোৱা নাই। গতিকে মাটি অধিগ্ৰহণ কৰাত ৰাইজৰ যি ক্ষতিসাধন হৈছে সেই ক্ষতিপূৰণ পাবলৈ সেই ক্ষতিগ্ৰস্ত হোৱা লোক সকলে গাৱঁৰপৰা চহৰলৈ চহৰৰ পৰা ৰাজধানীলৈ অহা যোৱা কৰোতেই সৰ্ব্বস্বান্ত হব লগীয়া হৈছে। কাৰণ টকা খিনি পালে সেই টকাৰে তেওঁলোকে কিবা কাৰবাৰ কৰি বা অইন ঠাইত মাটি কিনি খেতি বাতিৰ বন্দোৱস্ত কৰিব পাৰিলেহেতেঁন। সেই কাৰণে মই চৰকাৰক সতৰ্ক কৰি দিছো যাতে নথাউৰী বান্ধোতে যি মাটি অধিগ্ৰহন কৰা হয় সেই মাটিৰ গৰাকী সকলৰ ক্ষতিপূৰণৰ টকা ৫/৬ মাহৰ ভিতৰতে আদায় কৰি দিব লাগে। ইয়াকে কৈ মই এই কৰ্ত্তন প্ৰস্তৱা সমৰ্থন কৰিলো।

Shri Durgeswar Saikia : মাননীয় অধক্ষ্য মহোদয়, মই এই মঞ্জুৰীটো সমৰ্থন কৰি কেইষাৰ মান কব খুজিছো। এই বিষয়ে মোৰ বোধেৰে যিখিনি টকা ধৰিছে, সেই টকা খিনি কমহে হৈছে। ইয়াতকৈ আৰু বেচি টকাৰ প্ৰয়োজন। মঠাউৰি বিলাকৰ পৰা যে ৰাইজৰ অশেষ ভাল হৈছে, বিৰোধী দলৰ সদস্য শ্ৰীপেগো ডাঙৰীয়াই স্বীকাৰ কৰিছে, সেই কাৰণে মই তেখেতক ধন্যবাদ দিছো। মই চৰকাৰক

অনুৰোধ কৰিছো, যাতে বানপানীত ক্ষতিগ্ৰস্ত লোকসকলৰ সহায়ৰ কাৰণে যি টকা ধৰিছে তাতকৈ যেন বেচিকৈ টকা ধৰে আৰু মই আশাকৰো মাননীয় সদস্য সকলে এই বিষয়ে অনুমতি দিব। তাৰ বাহিৰেও যি সকলে মঠাউৰি নালাগে বুলি সমালোচনা কৰিছে চৰকাৰলৈ বা মন্ত্ৰিলৈ দৰ্খাস্ত কৰিছে সেই বিলাক দৰ্খাস্ত ভালকৈ Scrutiny কৰি তাক বাদ দিব লাগে। বিশেষকৈ মোৰ সমষ্টিত ৪টা মৌজা যেনে: বকটা পানীদিহিং ঠাওৰা আৰু নিতাই আদি মৌজা বিলাকত প্ৰতি বছৰে বানপানীয়ে ভাগিয়ে আছে। 'জকাইচুকত' মঠাউৰি কৰিছে আৰু তাৰ কাৰণে তাত Flood Control কৰাত যথেষ্ঠ সুবিধা হৈছে। ইয়াৰ আগেয়ে কেবাবছৰো ধৰি খেতি বাতি একেবাৰে নষ্ট হৈ আছিল কিন্তু এতিয়া সেই নামনি অঞ্চল বিলাকতো যথেষ্ঠ উন্নত হৈছে আৰু খেতি-বাতিৰ যথেষ্ঠ সুচল হৈছে। তাৰ পিছত "কোৰৰ পুৰ" মৌজাত প্ৰাকৃতিক দুৰ্যোগৰ লগত যুজ কৰি তাত এটা sluice gate বন্ধোৱা হৈছে সেইটো আপোনালোকে জানে।

(গোলমাল)

এইটো হৈছে হাটী মহৰ লগত যুজ কৰা কথা নহয়। ই হল প্ৰাকৃতিক দুৰ্যোগৰ লগত যুজ কৰা কথা। এই sluice gateৰ কাৰণে যোৱা বছৰ যি টকা ধৰা হৈছে সেইটো যদি কম হৈছে তেতিয়াহলে আপোনালোকে বাকী টকা কৰবাৰ পৰা Re-appropriation কৰি থাকে। Re-appropriation কৰিবই লাগিব কাৰণ টকাৰ কাৰণে কাম পৰি থাকিব নোৱাৰে।

৪ বছৰ আগতে যি Estimate, sluice gate কৰিবৰ কাৰণে কৰা হল বাস্তৱত সেই টকা slucie gate ৰ কাৰণে কম হবও পাৰে।

(গোলমাল)

আৰু এটা কথা হল মঠাউৰী বিলাকত জেং জাবৰ দিয়া হয় যাতে পানীৰ current আদি sluice gate ত সোমাব নোৱাৰে।

(A voice মঠাউৰি বিলাকত current ৰ বস্তা দিব লাগে।

আমাৰ ফালে হলে current ৰ বস্তা দিয়া দেখা নাই কিন্তু নগাৱৰ ফালে যদি দিয়ে মই কব নোৱাৰো।

(গোলমাল)

আমাৰ যেতিয়া ঘৰবোৰ ভাগো ভাগো হয়, তেতিয়া আমি শাওন মাহত ঘৰ ভাঙিবলৈ কোনো উপায় নাপায় তাত কেৱল জেং জাবৰ আৰু থেকা দি থও। বানপানী আহিব ধৰিলে, মঠাউৰি বিলাক এই সময়তে জেং জাবৰ দিয়া হয় যাতে তাত পানী সোমাই মঠাউৰি বিলাক নষ্ট কৰিব নোৱাৰে কাৰণ আমি কিমান পানী হব পাৰে, সেইটো আমি সদায় কব নোৱাৰো।

যোৱা ১৯৬৭ চনত সিমান বেচি বানপানী হোৱা নাই, কিন্তু ১৯৬৮ চনত যথেষ্ট বেচি পানী হল কিন্তু যেতিয়া unprecedented **flood** হয় তেতিয়া পৰোৱা বিলাকে মঠাউৰিৰ আশ্ৰয় লয়, বন গছ জাৱৰ জোথৰৰ আশ্ৰয় লয়।

আমাৰ অসমীয়া মানুহৰ ঘৰ যেতিয়া উৰলি পৰে তেতিয়া সেই ঘৰত ঢোকা দিয়ে। সেই কাৰণে বানপানী কেতিয়া কি ধৰণৰ হয় কোনেও কব নোৱাৰে। ১৯৬৮ চনত আমাৰ যেনেকুৱা ক্ষতি হৈছিল তেনে ক্ষতি তাৰ আগতে কেতিয়াও হোৱা নাছিল। কিন্তু অসমত তেনে খেতি হোৱা স্বত্বেও বানপানী হৈ কেতিয়াবা একেবাৰে নষ্ট হৈ যায়। সেইকাৰণে মঠাউৰিৰ প্ৰয়োজন। আনকি এনেকুৱাও দেখা যায় — বানপানীৰ সময়ত মানুহে মঠাউৰিত আশ্ৰয় পৰ্য্যন্ত লবলগীয়া হয় আনকি পৰুৱাইও আশ্ৰয় লয়।

**Shri Atul Chandra Goswami**: আমি জেং জাৱৰ দিয়াত আপত্তি কৰা নাই।

**Shri Durgeswar Saikia**: কিন্তু সদস্যসকলে কৈছে যে অনেক ক্ষেত্ৰত বোলে চুকুকি ঠিকাদাৰে পইছা লৈ যায়। এই কথাতে মই আচৰিত হৈছো। কাৰণ এইবোৰ কথা চৰকাৰৰ দৃষ্টি গোচৰ কৰিলেই তাৰ

উচিত ব্যৱস্থা নিশ্চয় চৰকাৰে লব।

**Shri Atul Chandra Goswami:** আনি পানী দিহিঙৰ কথা কওঁক।

**Shri Dulal Chandra Baruah:** সদস্য গৰাকীয়ে অধ্যক্ষলৈ চাইহে কব লাগে। তেখেতে আমালৈ চাই কিয় কৈছে।

**Shri Durgeswar Saikia:** যদি অকল অধ্যক্ষ মহোদয়ৰ ফালে চাও আৰু আনফালে নাচাও তেতিয়া হলে সদনৰ প্ৰতি অন্যায় কৰা নহব জানো?

মঠাউৰিৰ পৰা খেতি বাতি নষ্ট হোৱাৰ কথা যে কৈছে তেনেহলে প্ৰস্তাৱ কৰক নগাৰত মঠাউৰি নালাগে। মঠাউৰি কৰিলে খেতিবাতি নষ্ট হৈয়েই যদি মঠাউৰি নালাগে বুলি প্ৰস্তাৱ কৰিলেই হয়।

**Shri Atul Chandra Goswami:** পানী নিয়ন্ত্ৰন কৰিবলৈহে মঠাউৰি পানী নোহোৱা কৰিবলৈ মঠাউৰি নেকি?

**Shri Durgeswar Saikia:** পানী যদি আহিবলৈকে মঠাউৰি দিয়া হয়, তেন্তে সেইটো মঠাউৰি হবনে পানী অহা আলিহে হব? আমাৰ সৰু সৰু মঠাউৰি বিলাক দেখি Dr. ৰাওে কৈছিল সেইবিলাক মঠাউৰি নে আলিবাট? অৱশ্যে এইটো মোৰ শুনা কথাহে। হয়নে নহয় কব নোৱাৰো। গতিকে তাৰ পিচত আজিকালি মঠাউৰি বিলাক ডাঙৰও কৰিছে।

A (voice শুনা কথা কিয় কয়)

শুনা কথাত পতিয়ন গৈ মই মাত্ৰ এবাৰহে কৈছো। কিন্তু আপোনালোকে শুনা কথাৰ ওপৰত বহুত কথাই কয়। যি হওক আমাৰ বান্ধ বিলাক Road-cum-Bund হব লাগে। Road cum Bund যদি কৰিব পৰা হয়, তেন্তে মঠাউৰি বিলাক Breach হোৱা বন্ধ হব। সেইকাৰণে Road-cum-Bund হব লাগে। টকা আদি পোৱাৰ ক্ষেত্ৰত অৰ্থ্যাৎ Compensation দিয়াৰ ক্ষেত্ৰত যি ব্যৱস্থা চৰকাৰে লব বুলি কৈছে মই কব খুজিছো ক্ষতি পূৰণ

যিনান সোনকালে পাৰে দিব লাগে। মঠাউৰিৰ কাৰণে যেতিয়া মাটি Allottment দিয়া হয় তেতিয়াই তাত aforestation কৰি দিলে মঠাউৰি বিলাক ৰক্ষা পৰিব।

আৰু এটা কথা কব খুজিছো যে, এই মঠাউৰিবিলাকৰ সংৰক্ষণৰ কাৰণে একোটাকৈ Petrol party যদি দিয়া হয় তেনেহলে হয়তো মঠাউৰিৰ ক্ষেত্ৰত কিছু সুফল পাব বুলি আশা কৰা যায়। আৰু এইবিলাক Party non-official organisation দ্বাৰাই কৰিব লাগে। অৱশ্যে তেওঁলোকক তেল ইত্যাদি অন্যান্য যাৱতীয় খৰছ দিব লাগিব আৰু মঠাউৰি বিলাক মাত্ৰ চুৰুকি যাতে পইছা লব নোৱাৰে। সেইটো Patrol party বিলাকে চাব। এই Patrol party গাঁও পঞ্চায়তে বিবেচনা কৰি প্ৰত্যেকখন গাৱঁতে এটা unit কৰি non-official organisation কৰি পঞ্চায়তে তেওঁলোকক Remuneration দিব লাগে। আৰু এই বিলাক খৰছ হয়তো ডেৰশ বা ২শও হব পাৰে আৰু সেইমতে উচিত পৰিমানে দিব লাগিব।

আমি E.&.D. বিভাগৰ দু-নীতিৰ কথা শুনিছো। কিন্তু এই বিভাগৰ বিষয়া সকল হলে সিমান শকত আবত নহয়। অৱশ্যে কোনোবাই কোনো দুৰ্নীতিৰ কথা চৰকাৰক জনা'য় তাৰ ব্যৱস্থা চৰকাৰে নিশ্চয় লব। আৰু এনে ধৰণৰ কথা মই নিজে চৰকাৰক জনাই তাৰ ফলো পাইছো।

**Shri mati Lily Sengupta :** মাননীয় অধ্যক্ষ মহোদয়, এই কৰ্ত্তন প্ৰস্তাৱ সমৰ্থন কৰি দুআষাৰমান কথা কবলৈ ঠিয় হৈছো। এই সম্পৰ্কত যি টকা ধৰিছে তাতকৈ অলপ বেচি টকা ধৰিলে ভাল পালোহেতেন। কিয়নো এই বছৰ আমি গম পাইছো যে এই বানপানী বেচি হব কাৰণ এইবাৰ চ'ত মাহত ৫টা শনিবাৰ পৰিছে আৰু আমো বেচি হৈছে। এই কাৰণে চৰকাৰক মই বানপানী আৰু অন্যান্য দুৰ্যোগৰ কাৰণে সাজু থাকিবলৈ অনুৰোধ কৰিলো। আমাৰ ৰাজ্যৰ অসংখ্য নদ-নদী আৰু ব্ৰহ্মপুত্ৰ, দিবাং দিহিং অতি প্ৰবল নদ-নদী—আৰু সেই বিলাকৰপৰা ৰক্ষা কৰিবলৈ গাৱেঁ-ভূঞে মথাউৰি

কৰি গাঁও আৰু সা-সম্প্ৰতি চৰকাৰে ৰক্ষা কৰিছে। চৰকাৰে যে, একো কৰা নাই সেইটো অস্বীকাৰ কৰা নাই। ডিব্ৰুগড়ত বহুতো কৰিছে। তাত বহুতো Spur সাজিছে। বহুৰাইজ ইয়াৰ দ্বাৰা উপকৃত হৈছে কিন্তু ব্ৰহ্মপুত্ৰৰ পানী বহিস্কাৰ কৰিবলৈ নগৰ খনত যিটো Drain কৰিছে সেইটো Drain টো অপৰিস্কাৰ হৈ থাকে আৰু সেইটো চাবৰ কাৰণে মাননীয় মন্ত্ৰী মহোদয়ে ডিব্ৰুগড়লৈ যাওঁতে পৰিদৰ্শন কৰি ৰাইজক আশ্বাস দিছিল যে, ইয়াৰ ব্যৱস্থা হাতত লোৱা হব। খৰালি পানী যেতিয়া চলাচল কৰিব নোৱাৰে, নগৰৰ মাজতে জমা হৈ থাকে জেং জাবৰে Drain পোত খাই থাকে আৰু ফলত মহ আদি হৈ অস্বাস্থ্যকৰ পৰিস্থিতিৰ সৃষ্টি কৰে। আৰু মানুহৰ মাজত অসন্তোষৰ সৃষ্টি হৈছে। মন্ত্ৰীয়ে পৰিদৰ্শন কৰাৰ কাৰণে তেওঁলোকৰ মনত আশা পোষণ কৰিছে। চৰকাৰে এই বাজেটৰ টকাৰে Drain টোৰ কাম চৰকাৰে হাতত ল'ব। ইয়াৰ পিচত শিলৰ Spur ব্ৰহ্মপুত্ৰৰ পাৰত দিছে সেইটো ঠিক কথা। কিন্তু তাৰ কিনাৰত যি সকললোকে বসবাস কৰিছে তেওঁলোকক উচ্ছেদ কৰিবৰ কাৰণে Notice দিছে। চৰকাৰৰ এই উচ্ছেদ বৈষম্য মূলক হৈছে, কাৰণ নগৰৰ ওচৰত য'ত মাৰোৱাৰীপতি আছে য'ত ডাঙৰ ডাঙৰ পকাঘৰ আছে সেই ঘৰ উচ্ছেদ কৰিবলৈ চৰকাৰে একো কৰা নাই। চৰকাৰে মাত্ৰ দুখীয়া মানুহখিনিক উচ্ছেদ কৰাৰ কথাহে কৈছে। মই চৰকাৰৰ ওচৰত দুখীয়া মানুহবোৰক উচ্ছেদ নকৰিবলৈ অনুৰোধ কৰো। মই Sluice gate ৰ কথালৈ এই সদনত কেইবাবাৰো দৃষ্টি আকৰ্ষণ কৰিছিলো। মোৰ মৌজা মানকাটা আৰু মদাখাটৰ যি মথাউৰীত যি Sluice gate কৰিছিল সেই বিলাকো বন্ধ কৰি দিয়া হৈছে। আৰু মন্ত্ৰীমহোদয় তালৈ গৈ আশ্বাস দিছিল যে, এই বছৰতে ৰাইজৰ টকা খিনি পাব আৰু কৃষক সকলৰ কাৰণে এই ব্যৱস্থা কৰা হব। কিন্তু মই দুখিত যে, বান পানী বিভাগৰ উপমন্ত্ৰীয়ে আশ্বাস দিছিল সেই আশ্বাসত মোৰ অঞ্চললৈ যি টকা ধৰা হৈছিল সেইটো অন্য কোনোবা ঠাইলৈ দিলে। অতি সোনকালে

এইটো কাৰ্য্যকৰী কৰিবলৈ মই চৰকাৰক অনুৰোধ কৰিলো। তাত যি ৫টা Sluice gate আছিল, সেইবিলাক বন্ধ কৰি দিয়া হৈছিল আৰু ফলত বহুতো নষ্ট হৈ আছে। মই এই কথালৈ Executive Engineer ৰ ওচৰত আপত্তি কৰিছিলো আৰু যি টকা ধৰা হৈছিল সেই টকা অন্য ঠাইত খৰচ কৰা বুলি কলে। ই বৰ পৰিতাপৰ কথা আৰু অন্যায় হৈছে।

ইয়াৰ পিচত চৈখোৱা অঞ্চলৰ কথা কওঁ। চৈখোৱাৰ ৩২ মাইল দীঘল মথাউৰীত এটাও Sluice gate নাই। আমি অনভিজ্ঞ মানুহ বুলিয়েই আমাৰ কথাত কান নিদিয়ে। আৰু অনভিজ্ঞ কাৰণে আমাৰ কথা মূল্য নাই।

য'ত মথাউৰী আধা হৈ আছে অসম্পূৰ্ণ হৈ আছে সেই বালিৰ মথাউৰী কেনেকৈ থাকিব।

চৰকাৰে যাতে Sluice gate ৰ ভাল ব্যৱস্থা কৰে আৰু মথাউৰী বিলাক কটকটীয়া কৰে ইয়াকে মই চৰকাৰৰ ওচৰত অনুৰোধ কৰিলো।

Shri Kamini mohon Sarma : মাননীয় অধ্যক্ষ মহোদয়, মই কৰ্টন প্ৰস্তাবটো সমৰ্থন কৰি এইটো কব বিচাৰিছো যে আমাৰ বৰ্ত্তমান E &.D, বিভাগটো মঠাউৰি বিভাগটো যি পদ্ধতিত চলিছে ই মানুহক শেষ কৰি আহিছে।

চিলংৰ F.C.I ৰ অফিচটো ভৈয়ামলৈ নিয়াৰ কেতিয়াবাই সিদ্ধান্ত আছিল, কিন্তু অফিচাৰ সকলৰ গাফিলিৰ কাৰণে এই অফিচ আজিও যোৱা নাই। মই সিদিনা Executive Engineer এজনৰ ওচৰলৈ গৈছিলো। মোৰ লগত আৰু এজন M.L. Aও গৈছিল? তেখেতে আমাক আধাঘণ্টা সময় বাহিৰত ৰখাই থলে। মন্ত্ৰী মহোদয়ে এই সদনত উত্তৰ দিছে যে ৮ লাখ টকাৰ অধিক টকা পুঠিমাৰী নদীৰ মঠাউৰি ভঙা ঠাই বৰুৱাজেলী তিতকুৰি আৰু গুৰমৌত খৰছ হল। বাৰিষা কালত এই ভাঙন খিনি সাজি উলিয়াব নোৱাৰিলে। ৰাজহুৱা জীৱণৰ কোনো লাভ নহল। বাৰিষা আতৰি যোৱাতহে

সজা হ'ল। গুৱমৌত জানুৱাৰী মাহলৈ সাজি উলিয়াব পৰা নাছিল। এই টকা খিনি চৰকাৰৰ অথলে গৈছে। এই টকা খিনি বান বিধস্ত অঞ্চলত দি দিলে ৰাইজৰ উপকাৰত আহিলেহেতেন। আৰু খৰালি মাহত ৰাইজে নিজেই এই ভাঙন বোৰ সাজিব পাৰিলেহেতেন। বাৰিষা কালত এই ধৰণে ৰাজহুৱা ধন পানীত ঢালি পেলোৱাটো মহা অন্যায় গান্ধীবাৰী আৰু পশ্চিম বানাবাৰীৰ মাজ ঠাই খিনিৰ সমন্ধে মই বহু-বাৰ কৈয়ে আহিছো আৰু মই মোৰ এই সদনৰ প্ৰথম বক্তৃতাতে এই কথা কৈছো। কিন্তু আজি ২ বছৰে ধৰি এই কাম Engineer ৰ জনৰ গাফিলতিত পৰি আছে। তেওঁ তৈয়াৰ কৰি থোৱা আঁচনিও কামত নলগায়। যদি বছৰৰ পিছত বছৰ ধৰি বানপানীৰ সৃষ্টি কৰি মানুহক ডুবায় এনেকৈয়ে তেতিয়া হলে এই বিভাগৰ প্ৰয়োজন নাই। এইবাৰ যদি এই পুঠিমাৰি নদী খালি ৰথা ঠাইখিনিত মঠাউৰি সজা নহয় তেনেহলে ৰাইজে এই অফিছাৰ সকলক ক্ষমা নকৰে। যদি লাখ লাখ জনসাধাৰণক ইয়াৰ পৰা ৰক্ষা কৰিব নোৱাৰে এই ধ্বংসলীলাত লাখ লাখ কোটি কোটি টকাৰ অপচয়ৰ কোনো প্ৰয়োজন নাই। আমি বাস্তৱত দেখিছো যে পুঠিমাৰিয়ে যোৱা বাৰ ৮ ঠাইত মঠাউৰি ভাঙিছে তাৰ ভিতৰত ৩ ঠাইত বকুৱাজনী, তিতকুৰী আৰু গুৱমৌত প্ৰায় ৮ লাখ টকাতকৈ বেচি টকা খৰচ কৰা হৈছে বাকী ৫ ঠাইত কিমান টকা খৰচ হৈছে সেইটো প্ৰশ্ন সুধিব বাকী আছে। নদীবোৰৰ মঠাউৰি বছৰে বছৰে ওখ কৰি কিমান ফুট উপৰলৈ নিব। বছৰি ওখ কৰি থকাৰ প্ৰয়োজন নাই। তাত Drainage কৰিব লাগে। মুঠতে এই E.&.D. বিভাগটোৱে বৈজ্ঞানিক পদ্ধতিত কাম কৰিব লাগে।

তিতকুচিত মঠাউৰি বন্ধাৰ কামটো পঞ্চায়তেহে কৰিছে। পঞ্চায়ত ৰাইজ আগবাঢ়ি অহা স্বত্বেও চৰকাৰৰ E.&.D. বিভাগে তাত যোগ দান কৰা নাই। যোগদান কৰাটো দূৰৰ কথা অলপমান সহাৰি দিয়াহেতেন তাত কাম কৰি থকা ৭ শ ৮শ মানুহে নিশ্চয় সুখী হলহেতেন। কামো ভালদৰে হৈ উঠাৰ সম্ভাৱনা আছিল। এই বিভাগে হেমাহি কৰিলে যদি বানপানীৰ ধ্বংসলীলা বন্ধ কৰিবলৈ মঠাউৰিৰ প্ৰয়োজন হয় তেন্তে সেই মঠাউৰি বন্ধা কাঁমটো পঞ্চায়তৰ

লগত এই বিভাগে সম্পূৰ্ণ সহযোগ কৰি কামবোৰ কৰিব লাগে। যাতে ৰাজহুৱা ধনৰ অপচয় নহয়। মই কৈছো যে এই E.&.D. বিভাগে বাৰিষা কালতেহে মঠাউৰি বান্ধিবলৈ যায়; কিন্তু খৰালী কালত হলে বহি থাকে আৰু মঠাউৰিৰ কাম শেষ কৰিব নোৱাৰে? বাৰিষা কালত মঠাউৰিৰ কাম শেষ কৰিবলৈ ওলোৱাটো কি অসম্ভৱ নহয়? গতিকে এই E.&.D. বিভাগে কোনো দিনেই মঠাউৰি সম্পূৰ্ণকৈ সাজিব নোৱাৰে। ফলত ৰাইজে হাহাঁকাৰ অৱস্থাত পৰে এই E.&.D বিভাগৰ কাৰণে। ফলত কৰ টকা ক'ত যায় কোনো হিচাব নাই। অসমত এই বিভাগ গঠিত হোৱাৰ পৰা বানপানীৰ ধ্বংসলীলা বেচিহে হৈছে। কিয়নো কোন সময়ত কোন ঠাইত মঠাউৰি ভাঙি কোন অঞ্চল ধ্বংশ কৰে তাৰ ঠিক নাই। এই বিতাগে মানুহক ধ্বংশৰ মুখলৈ ঠেলি দিছে। যোৱা বছৰ ৰাইজৰ দ্বাৰা ভঙা মঠাউৰিটো বন্ধাৰ কাৰণে 'টেষ্ট-ৰিলিফ''ৰ জৰিয়তে কামৰূপ জিলাৰ Deputy Commissioner ৰ অফিচত মিটিং কৰিছিল। সেইদিনা মাননীয় সদস্য শ্ৰীভট্টাচাৰ্য্য ডাঙৰীয়াও আছিল। তেতিয়া ময়েই প্ৰস্তাৱটো উত্থাপন কৰিছিলোঁ। "টেষ্ট-ৰিলিফ" হিচাবে মঠাউৰিৰ ভঙা ঠাই বোৰৰ ৰাইজৰ দ্বাৰা যাতে সজা হয় Deputy Commissioner এ E.& D. অফিচৰ পৰামৰ্শ ললে। কিন্তু এই E.&.D. বিভাগে এই দৰে হব নোৱাৰে বুলি কলে। গতিকে মই দুখেৰে সৈতে জনাবলৈ বাধ্য যে এই বিভাগৰ অফিচাৰ সকলে ৰাইজৰ শ্ৰমৰ প্ৰতি একো সহাৰি নিদিলে। এই মঠাউৰি বান্ধিবৰ কাৰণে ৭০০ মানুহ কামত ব্যস্ত আছিল। বিপদৰ পৰা ৰক্ষা পাবৰ কাৰণে গঞা ৰাইজে নিজে নিজে আগবাঢ়ি আহি কাম কৰিলে কিন্তু কেনেকৈ বান্ধিব লাগে ক'ত মাটি দিব লাগে, ক'ত খুটি পুতিব লাগে আৰু ক'ত পাথৰ দিব লাগে, সেইবিলাক পৰামৰ্শ দিবলৈ কোনো Engineer নাহিল কোনো Direction দিওঁতা নোলাল।

চিতকুচিত মঠাউৰি ভঙা ঠাইত মই নিজেই ৰাইজৰ লগত উপস্থিত থাকি ৰাতি ১২টা বজালৈকে মানুহৰ নামবোৰ লিষ্ট কৰালো আৰু আন এদিনাখন প্ৰত্যেকৰে Payment কৰোতে ৰাতি ১২টা বাজিছে।

গতিকে মই মন্ত্ৰীমহোদয়ক এই বিষয়ে বিশেষকৈ টকা দিয়াৰ ক্ষেত্ৰত এই পৰামৰ্শ আগবঢ়াও যে এই কামত যথা যথ পৰিক্ষা কৰে। কিয়নো ইমান টকা খৰছ হল কিন্তু বহু কাম কৰা মানুহেও হেনো তাত এতিয়াও টকা পোৱা নাই।

তাৰ পাছত মই কওঁযে অসমত যিবিলাক Contractor আছে, সেইবিলাকৰ ভিতৰত বেছি ভাগেই ৰাহিৰৰ মানুহ আৰু যিবিলাক ডাঙৰ Contractor আছে, তাৰ ভিতৰত এজনো অসমীয়া মানুহ নাই। গোটেই ডাঙৰ Contractor বিলাকেই অসমৰ বাহিৰৰ। সেইবিলাক কোন ৰাষ্টাইদি সোমায় আহিলে মই নাজানো কিন্তু আচৰিত কথা এদিন মই গুৱাহাটিৰ পৰা ৰেলত ৰভিয়ালৈ ৰাতি ধুবুৰীৰ গাড়ীত যাওঁতে ৰেলৰ পৰা নামিয়েই এখন ৰিক্সাত উঠি ঘৰলৈ গৈছিলো। সেই সময়তে দুইজন বিহাৰী মানুহ আহি এজনে মোক হিন্দীতে কলে আপকে রিকসা মেঁ হমারে এক আদমী উঠকে লে জাও। মই কলো তোমলোগ কহাঁ সে আতা হৈ ঔর কহাঁ জায়েগা তেতিয়া সিহঁতে কলে হমলোগ বিহার কা আদমী হৈঁ। আপকে গাবঁ কে সামনে কন্টেকতার কাম করতা হো। ইসীলিয়ে আপকে সাথ জানেকো মাঁগতা হুঁ। এইবুলি কোৱাত মই আচৰিত হলোঁ। আৰু দেখিলো যে যিমান বিলাক ডাঙৰ ডাঙৰ Contractor আছে সকলো বিলাকেই বিহাৰী অ'ৰু ইহঁত অসমৰ গোটেই ঠাইতে সোমাই পৰিছে। ইহঁত সাধাৰন contractor নহয়, বিৰাট ধনী মানুহ। গতিকে দেখা যায় আমাৰ অসমৰ সাধাৰন মানুহ সকলে এই কামৰপৰা বঞ্চিত হৈছে। সেইবাৰে মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰো যে, এইদৰে হলে অসমীয়া ৰাইজ ধ্বংস হৈ পৰিব। গতিকে যিবিলাক ঠাইত গৰাখহনীয়াই নস্ট কৰিব পাৰে সেইবিলাক ঠাইত খৰালিৰ দিনতে ভালকৈ বান্ধিব লাগে। তাকে নকৰি ৰাৰিষালৈ পেলাই থৈ গছৰ ডাল আদি দি অনাহকত ৰাজহুৱা ধন ব্যয় কৰি ৰাজক ধ্বংস কৰিব নালাগে।

(Shri Uttam Chandra Brahma rose to speak)

Shri Rothindra Nath Sen : If the hon. Minister replies to-morrow then again we miss another day. I do not understand why the other side will take advantage on our motion. If they have the courage they can come forward with the cut motion.

Mr. Speaker : If you want we can finish the Grant to-day.

(Shri Gaurisankar Bhattacharyya : Yes, to-day by 4-30 the reply should be finished)

Shri Mahendra Mohan Chaudhury : The contention which has been raised by Mr. Sen is not, I think correct. Because one member may not table any cut motion but he has the right to speak on the main motion itself. Therefore, members from our side feel may not participate in the Cut Motion but they can participate in discussion on the main Motion.

Shri Rathindra Nath Sen - But if on the other hand the Cut Motion is not pressed then what? Then you have no chance!

Shri Gaurisankar Bhattacharyya : I fully agree with the Minister that even if there be no Cut Motion there may be observations on the main motion itself. It is not the intention of this side of the House that the members of the other side should not participate in the Demand. What Mr. Sen has said is that quite a large number of members of the Opposition have submitted their

Cut Motions and when they have given the Cut Motions definitely they have get something in their mind to say. Therefore, it may kindly be seen that those who have given the Cut Motions may get an opportunity or rather the first opportunity to speak. There after others may also participate.

Shri Mohendra Mohan Chaudhury : I fully agree with Mr. Bhattacharyy.

Shri Uttam Chandra Brahma অধক্ষ্য মহোদয়, আমাৰ বৰ্ত্তমান অসমৰ যিবিলাক নদী আছে সেই আটাই বিলাক নদী হিমালয় পাহাৰৰ পৰা ওলাই অহাৰ কাৰণে যথেষ্ট পৰিমাণে বানপানী হৈ আছে আৰু ৰাইজৰ সম্পত্তি ধ্বংশ কৰে।

কেন্দ্ৰীয় চৰকাৰে ব্ৰহ্মপুত্ৰৰ দৰে এখন ডাঙৰ নৈ কেনেকৈ control কৰিব পৰা যায় তাৰ কাৰণে চেষ্টা কৰিছে। আমেৰিকাৰ টেনেচী নৈক Corporation এ ঠিক সেইদৰে ব্ৰহ্মপুত্ৰ vallay corporation এ নিয়ন্ত্ৰণ কৰা চিন্তা কৰিছে আৰু তাৰ বাবে কেন্দ্ৰীয় চৰকাৰক ধন্যবাদ জ্ঞাপন কৰিছো।

আমাৰ কোকৰাঝাৰ মহকুমাত বহুতো নদী আছে। বৰ দুখৰ বিষয় আজি ২০ বছৰে কোকৰাঝাৰত যিবিলাক নদী খেতি বাতি ধ্বংস কৰি আছে সেই নৈবোৰ নিয়ন্ত্ৰণৰ কাৰণে কোনো মঠাউৰীৰ ব্যৱস্থা কৰা নাই। মই আশাকৰো পঞ্চবাৰ্ষিকী পৰিকল্পনাতে এই নদীবিলাক নিয়ন্ত্ৰণৰ ব্যৱস্থা কৰিব, লগতে এইবিষয়ে বিশেষ ব্যৱস্থাৰ কাৰণে চৰকাৰৰ আৰু বিশেষকৈ মন্ত্ৰীমহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো।

কোকৰাঝাঁৰ মহকুমাত খেতিৰ মাটি যথেষ্ঠ আছে যদিও খেতি মাটিৰ গুণ বালীচহীয়া অন্যান্য জিলাৰ দৰে বৰযুণ নহলে ইয়াত খেতি ভাল নহয়। ইয়াত ১২ মাহে পানী যোগানৰ ব্যৱস্থা কৰিব নোৱাৰিলে খেতি

কৰিব পৰা নেযায়। বৰ্ত্তমান কোকৰাঝাৰ মহকুমাত ৮ টা মজলীয়া ধৰণৰ জলসিঞ্চনৰ ব্যৱস্থা কৰা হৈছে। এই কেইটা আচনিৰ ভিতৰত ৩টাৰ বাহিৰে বাকী আটাইকেইটা অকামিলা হৈ পৰি আছে। এইবিলাক আচঁনিত লাখ লাখ টকা খৰচ কৰা হৈছে কিন্তু ৰাইজ তাৰ পৰা উপকৃত হোৱা নাই। গতিকে আমাৰ খেতি পথাৰত ১২ মাহে কেনেকৈ পানী যোগানৰ সুবিধা কৰিব পাৰি তাৰ বাবে চেষ্টা কৰিব লাগে। আমাৰ ইঞ্জিনিয়াৰ সকল অনভিজ্ঞ নহয়। তেওঁলোকে এই বিষয়ত যথেষ্ট জ্ঞান লাভ কৰিছে। গতিকে তেওঁলোকে কাৰীকৰী বিদ্যাৰে সুপৰিকল্পিত ভাৱে Scheme বিলাক কেনেকৈ মজলীয়া জলসিঞ্চনৰ দ্বাৰা খেতি পথাৰত বাৰমাহে পানী যোগান ধৰিব পাৰিলে ৰাইজে উপকাৰ পাব এই বিষয়ে চিন্তা কৰিবলৈ ইঞ্জিনিয়াৰ সকলক অনুৰোধ কৰিলো। এই Scheme বিলাক কাৰ্য্যকৰী কৰোতে বহুত ৰাজহুৱা ধন অপচয় হোৱা শুনিবলৈ পোৱা যায়। আমাৰ কোকৰাঝাৰত ১২ বছৰ আগতে এটা Scheme আৰম্ভ কৰিছিল কিন্তু এতিয়াও সম্পূৰ্ণ হৈ উঠা নাই। ১৯৬২ চনতে সাপকটাত এটা আচনি লোৱা হ'ল কিন্তু এতিয়ালৈ সম্পূৰ্ণ হৈ নুঠিল। তাৰ কাৰণে চৰকাৰে অযথা পইচা খৰচ কৰিব লগীয়া হৈছে। গতিকে আঁচনি বিলাক যাতে সোনকালে সম্পূৰ্ণ কৰিব পৰা যায় তাৰ বাবে চেষ্টা কৰিব লাগে। বিভাগীয় এই বিলাক এই খেলি মেলিৰ কাৰণে ৮৬ লাখ টকা চৰকাৰৰ অযথা খৰচ হৈছে এইটো ১৯৬৮ চনৰ Audit Report ত ও পোৱা হৈছে। গতিকে এইবিলাক অনুসন্ধান কৰিব লাগে আৰু আচনি বিলাক যাতে অতি সোনকালে সমাধা কৰিব পৰা যায় তাৰ বাবে দৃষ্টি দিব লাগে।

বৰ্ত্তমানে কোকৰাঝাৰত তলত দিয়া মজলীয়া ধৰণৰ তিনিটা জলসিঞ্চন অত্যন্ত প্ৰয়োজন।

১) টামা ডিংডিঙা।

২) বামনি।

৩) ডাঙানদী (টাঙাই) এই আচনি কাৰ্য্যকৰী কৰিব পাৰিলে ৰাইজৰ খেতি পথাৰত পানীযোগানত সুবিধা হব আৰু কৃষি উন্নতি হব। এই খিনিকে কৈ মই 'ডিমান' টো সমৰ্থন কৰিলো।

**Shri Bhadreswar Gogoi** : অধ্যক্ষ মহোদয়, এই প্ৰস্তাৱটোৰ ওপৰত ৰহুতে বহুত মত প্ৰকাশ কৰি গৈছে। মই সেইবিলাককে পুণৰুক্তি কৰিব খুজা নাই। মই প্ৰথমতে মোৰ সমষ্টিৰ অতি প্ৰয়োজনীয় কেইটা মান প্ৰজেক্টৰ বিষয়ে উল্লেখ কৰিব বিচাৰিছো। ৰাইজে যি কেইটাৰ বিষয়ে বহুত দিন ধৰি প্ৰয়োজনীয়তাৰ সম্পৰ্কে চৰকাৰৰ ওচৰত আপত্তি কৰি আহিছে কিন্তু কাম হোৱা নাই। সেইকাৰণেই এই কথা খিনি সদনত দাঙি ধৰিব খুজিছো আৰু তাৰ বাবে মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষন কৰিলো।

দিচাং নদীৰ এটাপাৰ আজি ১৫ বছৰ আগতে ই এণ্ড দি বিভাগে বান্ধিলে কিন্তু তাৰ অন্যটো বন্ধা হোৱা নাই। তাৰ ফলত বিপৰীত পাৰটোৰে পানী সোমাই চাচনি মৌজাৰ এক অংশত ব্যাপক বানপানীহৈ বছৰি বহুটো খেতি পঠাৰ নষ্ট কৰিছে। এই বিষয়ে সদায়ে তাৰ ৰাইজে চৰকাৰৰ দৃষ্টি গোচৰ কৰি আহিছে। গতিকে এই কাম সম্পুৰ্ণ কৰিবলৈ মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষন কৰিলো।

তাৰ পিচত দিহিং নদীৰ কেন্দুগুৰী অঞ্চলত প্ৰতি বছৰে গড়াখহনীয়া হৈ আছে। মঠাউৰিটো কোনোবা এদিন ভাঙি লৈ যোৱাৰ আশঙ্কা হৈছে। তাৰ কাৰণে ৰাইজে সদায়ে আপত্তি কৰি আছে। তাত এটা নদীৰ Turning আছে সোতৰ পৰিবৰ্তন কৰিবলৈ সেই Turning টো ৰাইজে আজি কেইবা বছৰ ধৰি Turning টো কাটি বিকল্পে নদী কৰিব বিচাৰিছে। কিন্তু সম্পূৰ্ণ কৰিব পৰা নাই। ৰাইজে বিচাৰিছে হয় সেই টাৰ্নিংটো কাটি দিব লাগে নহয় গড়াখহনীয়া বন্ধ কৰিবলৈ স্পাৰ দিয়াৰ দিহা কৰিব লাগে। সংশ্লিষ্ট বিভাগে Plan estimateও কৰি ৰাখিছে আৰু দিহিংনদীৰ দল মুৰী গাৱঁৰ ওচৰত ও ব্যাপক গড়াখহনীয়া হবলৈ ধৰিছে। সেই গড়াখহনীয়া

বন্ধ কৰিবৰ বাবে বিকল্প এটা মঠাউৰি দিয়াৰ ব্যৱস্থা কৰিছে। সেই মঠাউৰি টো দিলে বহু খেতিৰ মাটি নষ্ট হব। সেইকাৰণে সেই ঠাইত মঠাউৰিৰ পৰিবৰ্ত্তে স্পাৰ দিলেও উপকাৰ হব। দিহিং নদীৰ চেচাবিন অঞ্চলটো মঠাউৰিৰ ভিতৰত্ত পৰিছে তাত কেবা খনো গাওঁ আছে। সেই গাওঁ কেইখন ৰক্ষা কৰিবৰ বাবে তাত এটা ৰিং বান্ধ দিবৰ বাবে ৰাইজে চৰকাৰৰ ওচৰত আপত্তি কৰি আহিছে। ইতিমধ্য প্ৰয়োজনীয় Plan estimate ও কৰিলে। কিন্তু হাতত লোৱা নাই। অতি সোনকালে এই ৰিং বান্ধটো দি অঞ্চলটোক ৰক্ষা কৰিবলৈ চৰকাৰক বিশেষ ভাৱে দৃষ্টি গোছৰ কৰিলো।

Mr. Speaker : মই কৈছো আজি এই ডিমাণ্ডটো শেষ কৰিব লাগে তেতিয়া হলে কাইলৈ অন্য এটা ডিমাণ্ড লব পাৰিম। গতিকে মিনিষ্টাৰে ১৫।১০ মিনিট কব। এতিয়া শ্ৰীভূৱনেশ্বৰ বৰ্ম্মন আৰু শ্ৰীমতিলাল নায়কে কব। এই দুজনে কোৱাৰ পিচত মিনিষ্টাৰে ১৫।২০ মিনিট কৈ শেষ কৰিব।

Shar Bhabanaswar Barman : মাননীয় অধক্ষ্য মহোদয় E &.D. বিভাগ সম্পকৰ কৰ্টন প্ৰস্তাৱ সমৰ্থন কৰি ঠুথাৰমান কব খুজিছো। বিশেষকৈ এই বিভাগটো আজি অত্যন্ত দূৰ্নীতি পৰায়ন বুলি ৰাইজৰ মাজত জনাজাত। আজি এই বিভাগত কাম কৰিলে Allauddin এ মন্দিৰত চাকি পোৱাৰ নিচিনাকৈ সোনকালে ধনী হৈ পৰে। এই বিভাগটোত দুৰ্নীতি বৰ বেচি হৈছে। ইয়াত কাম কৰা চৰকাৰী বিষয়া এই বিভাগৰ মন্ত্ৰী আৰু Contractor সকল সম্প্ৰতি দুৰ্নীতিৰ কোষ বুলি ৰাইজৰ মাজত ধাৰণা জন্মিছে। এই বিভাগে বাৰিষা সময়ত মঠাউৰি বান্ধে কিন্তু বালি মাটি দিয়াৰ কোনো ঠিক নাই। আমি এটা কথা কলেই আজি এই বিভাগটো সমালোচনা কৰা বুলি কয়। এই বিভাগৰ কামবোৰত আমি সম্পুৰ্ণ সহযোগ কৰি আহিছো। মই এটা উদাহৰণ দি কওঁ পহুমৰাত, কথালগুৰিত মঠাউৰিৰ sluice gate দিয়া হৈছে। এই গেটত বহু হেজাৰ টকা খৰচ কৰাৰ পিছতো সেই গেটেৰে পানী নোলায়। sluice gate ভুলকৈ দিয়াৰ

বাবে মঠাউৰি ভাঙি বহু লাখ টকা অপব্যয় কৰি মঠাউৰি মেৰামতিৰ নামত খৰছ কৰে। অথচ মঠাউৰি বন্ধা অসম্পূৰ্ণ হৈ থাকিল কিন্তু ঠিকাদাৰক সমুদায় টকা দি দিয়া হয়। এই বিষয়ে তদন্ত কৰাৰ বাবে ৰাইজে দাবী কৰা স্বত্বেও আজিলৈ তদন্ত কৰা নহল। আৰু অন্য ফালে এইদৰেই এডোখৰ ঠাইতে কিমান লাখ লাখ টকাৰ খৰচ কৰিছে ভাবিলে আচৰিত হব লাগে। মই বিভাগীয় মন্ত্ৰীয়াক কোৱাত তদন্ত কৰিম বুলি আশ্বাস দি আজিলৈ Inquiry Report নিদিলে। এই দৰে মঠাউৰি বিলাক সম্পূৰ্ণ নকৰাৰ ফলত চৰকাৰৰ বহুত ক্ষতি হৈছে। অন্য এটা উদাহৰণ হিচাবে কওঁ ক্ষেত্ৰীত চৰকাৰে ৭ মাইল মঠাউৰি বান্ধিছে কিন্তু মাজতে ২ মাইল বন্ধা নাই। ইমান টকা খৰচ কৰিছে আৰু মাজতে নবন্ধাৰ কাৰণে গোটেই খিনি নষ্ট হৈ গৈছে।

মই পহুমৰা নদীৰ গাল্লি জানৰ sluice gate সম্পৰ্কে আগতেওঁ সদনৰ দৃষ্টি আকৰ্ষন কৰিছিলো। এই sluice gate সেই খিনিয়েদি পানী নাযায়।

অধক্ষ্য মহোদয়, আজি সঁচাকৈয়ে মোৰ বন্ধু Sailen Medhi য়ে কোৱা কথাৰ লগত একমত এই বিভাগটোৰ কাল শেষ হৈ আহিছে। প্ৰকৃততে এই বিভাগে খেতিয়কক জলসিঞ্চন ব্যৱস্থাৰ দ্বাৰা সহায় কৰিব লাগে। কিন্তু আজি তাৰ পৰিবৰ্ত্তে লাখ লাখ টকাৰ অপচয় হৈছে।

এনেকুৱা বিভাগটোৰ আজি মঠাউৰি আদিৰ কাম কৰাৰ সময় উকলি পৰিছে আৰু তাৰ প্ৰতি মই চৰকাৰৰ চোকা দৃষ্টি আকৰ্ষন কৰিলো।

**Shri Matilal Nayak**: মাননীয় অধ্যক্ষ মহোদয়, ইমানখিনি কোৱাৰ পাচতো মই যে দুটা নতুন কথা কম মই নিজে নাজানো। তথাপি

**Mr. Speaker**: Repeat নকৰিব।

**Shri Motilal Nayak**: E & D বিভাগটো অসমৰ সকলো Dept কৈ দুৰ্নীতি আৰু অপচয় পুৰ্ণ Dept হৈ পৰিগণিত হৈছে। এই

বিভাগৰ মন্ত্ৰী জনাও একেবাৰে এই বিভাগৰ কাৰণে বেয়া মানুহত পৰিণত হৈছে কাৰণ, আমি যিখিনি দেখিছো আমাৰ ৰাজ্যখন মঠাউৰিৰ ক্ষেত্ৰত একেবাৰে পিচপৰা। যেতিয়া আমি মন্ত্ৰীমহোদয়ক বৰপেটা অঞ্চলৰ এখন মিটিঙত ফুলৰ মালা পিন্ধাইছিল তেতিয়া মন্ত্ৰীমহোদয়ে বৰপেটা ৰাইজক কৈছিল যে, "মই বৰপেটাৰ মঠাউৰিত যি অভাব অভিযোগ সেইটো অতি সোনকালে পূৰণ কৰিম।" কিন্তু মন্ত্ৰী হোৱাৰ পিচৰ পৰা কোনো কাম বৰপেটাত হোৱা নাই। মাননীয় সদস্য মইনুল হক চৌধৰীও এবাৰ কাছাৰৰপৰা এই বিভাগৰ মন্ত্ৰী আছিল। তেখেতে কাছাৰৰ বহুতো উন্নতি কৰিলে আনকি E & D বিভাগৰ টকা পইচা দিও মঠাউৰিৰ নামত ৰাস্তা নিৰ্ম্মান কৰিলে। কিন্তু আজি আমাৰ এই মন্ত্ৰীৰ দিনত বৰপেটাত এক ইঞ্চিও মঠাউৰি নহল।

আমি যদি এতিয়া Plus minus কৰি চাও তেতিয়াহলে আমি দেখিম মঠাউৰি নোহোৱাতহে আমাৰ Production বেচি হৈছিল। মঠাউৰি নোহোৱাতেই আমাৰ মানুহৰ অৱস্থা ভাল আছিল। এতিয়া মঠাউৰি হোৱাৰ ফলত দুৰ্ভাগ্য জনৰ ভাগ্য উদয় হৈছে আৰু ভাগ্যবানজনৰ ভাগ্য নষ্ট হৈছে। অৰ্থাৎ বেয়া খেতি মাটি ভাল হৈ ভাল খেতিৰ মাটি বেয়াত পৰিণত হৈছে।

মঠাউৰি বান্ধিবৰ কাৰণে কেইজন মান University নতুন Degree ধাৰী মানুহ দিলেই যথেষ্ট নহয়। তেওঁলোকৰ যে সেই ক্ষেত্ৰত ভাল জ্ঞান আছেনে নাই তাকো চাব লাগিব। উদাহৰণ স্বৰূপে আমাৰ Deputy Ministerৰ বাপেকে যিটো মঠাউৰি বান্ধিছিল সেইটো এই মঠাউৰিতকৈ বহুত ভাল।

Voice (দোং)

দোংৰে আঁচল Dept ৰ আহিত নাম মঠাউৰি। কাৰণ দোং খান্দিলেহে দুয়োপাৰে মঠাউৰি হয়। নহলে কেনেকৈ হব? যেনেকৈ Deputy Minister ত কৈ ডাঙৰ জনৰ নাম Cabinet Minister হয়। মন্ত্ৰীসকলে ভাবে নেকি যে আমি হাতীত উঠি আছো কুকুৰে কামুৰিও

একো কৰিব নোৱাৰে ? নহলে জানো আজি অসমৰ অৱস্থা এনে হয়। আমাৰ মঠাউৰি বিলাকৰ Tender ক'ল সাধাৰণতে ডিচেম্বৰ মাহত হয় আৰু ফলত তাৰ কাম আৰম্ভ হয়গৈ ফেব্ৰুৱাৰী মাহত আৰু ফলত কাম সম্পূৰ্ণ কৰি তুলিব নোৱাৰে। আৰু বাৰিষা হয় কাম বন্ধহৈ পৰে আৰু তেতিয়া খাতা বিল পেমেণ্ট হয়। মই মন্ত্ৰীমহোদয়ক অনুৰোধ কৰিছো যাতে এই Tender call অলপ সোনকালে হয়, অৰ্থাৎ অক্টোবৰ নবেম্বৰ মাহতে কৰে। মাননীয় অধ্যক্ষ মহোদয় মাননীয় সদস্য মইনুলহক চৌধুৰীয়ে তেওঁৰ দিনত যেনেকৈ কাছাৰৰ উন্নতি সাধন কৰিলে তেনেকৈয়ে যেন আমাৰ মন্ত্ৰী মহোদয়েও বৰপেটালৈ চায়। ইয়াকে কৈ মই আমাৰ কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি বহিলো।

*Shri Mahendra Mohan Choudhury : মাননীয় অধ্যক্ষ মহোদয়, যিবিলাক আলোচনাৰ বিষয় অৱতৰন কৰা হৈছে, সেইবিলাক প্ৰত্যেক জন সদস্যৰে প্ৰায় একেধৰণৰ আৰু যিহেতুকে, আপোনাৰ ফালৰ পৰা মই নিৰ্দ্দেশ পাইছো চমু কৰিবলৈ; মই মোৰ বক্তৃতা চমু কৰিম।

আমাৰ মাননীয় সদস্য শ্ৰীদুলাল বৰুৱা ডাঙৰীয়াই কেইটামান কথা উলেখ কৰিছে। সেই একে কথা বিলাককে কিছুমান সদস্যই পুনৰ উক্তি কৰিছে।

প্ৰথম কথা হৈছে যে, আমাৰ কাম বিলাক আৰম্ভ কৰাত দেৰি হয়। মোৰ ফালৰপৰা যিমান দুৰ পৰা যায় সোনকালে কামবিলাক আৰম্ভ কৰিবলৈ চেষ্টা কৰিম যাতে বৰষুণ পৰাৰ আগতে কামবিলাক শেষ হৈ যায়। কিন্তু কিছুমান অসুবিধাৰ কাৰণে যিবিলাক অসুবিধাত Dept এ ব্যৱস্থা কৰা স্বত্বেও এই কাম বিলাকৰ আৰম্ভ সোনকালে কৰিবৰ কাৰনে অসুবিধা হয়। তাৰ, প্ৰথম কাৰণ হৈছে যে, টকাৰ যিটো Sanction এই সদনৰ প্ৰস্তাৱত পাচ কৰিছিল বা আমাৰ বান নিয়ন্ত্ৰণ বিভাগত যিমানখিনি খৰছ ধৰা হৈছে সেইখিনি টকাই যথেষ্ট নহয় আৰু বঢ়াব লাগে আৰু

---
*Speech not corrected

সেই বিষয়লৈ, কেন্দ্ৰীয় চৰকাৰৰ লগত বহুবাৰ আলোচনাও কৰিছিলো। আলোচনাত বানপানীৰ সময়তে আমাৰ Central govt. ৰ এটা Visiting Team আহিছিল। আৰু তেওঁলোকে গোটেই খিনি হিচাব কৰি সেই বিষয়ত যিমান খিনি টকা কেন্দ্ৰীয় চৰকাৰৰ পৰা পাব লাগে সেইখিনিৰ আশ্বাস দিছিল। সেই Team টো ডিচেম্বৰৰ Last week ত আহিছিল। আৰু তেওঁলোকে চাই চিন্তি যিখিনি টকা মঞ্জুৰ কৰে সেইখিনি ফেব্ৰুৱাৰী মাহতে াব লাগে।

আজি আমাৰ বৰা ডাঙৰীয়াই কৈছে যে, সেই কমিটিৰ আগত আমাৰ যিটো দাবী ঠিকমতে Place কৰিব নোৱাৰিলে আৰু ফলত আমি কেন্দ্ৰীয় চৰকাৰৰপৰা যিমান খিনি টকা পাব লাগিছিল সেই পৰিমাণৰ টকা পোৱা নাই।

এই ক্ষেত্ৰত আমি যিমান টকা আনিব লাগে সেই টকাখিনি আশাঅনুৰূপ পৰিমাণে আনিব পৰা নাই যদিও যথেষ্ট পৰিমাণে টকা অনা হৈছে। এই কথা ভট্টাচাৰ্য্য ডাঙৰীয়া আৰু গুৱাহাটীৰ মাননীয় সদস্য সকলে জানে। এই Planning Commission ৰ লগত যিখিনি আলোচনা হৈছিল সেই কথা বাতৰি কাকততে প্ৰকাশ পাইছে। যিমানখিনি টকা আমি পাম বুলি ভাবিছিলো সিমানখিনি যদিও পোৱা নাই তথাপি যিখিনি পাইছো সেইখিনি অতি নগন্য নহয়।

Shri Dulal Chandra Barua : যেতিয়া visiting team আহিছিল সেইসময়ত চৰকাৰৰ সকলো দাতা দিব নোৱাৰাৰ কাৰণে যিমান টকা পাব লাগিছিল সিমান টকা পোৱা নহল সেইটো সচাঁনে ?

Shri Mohendra Mohan Choudhury : সেইটো নহয়। যিবিলাক ঠাইত মঠাউৰি ভাঙে তাত গড়াখহনীয়াৰ কাৰণে ring বান্ধ দিবৰ কাৰণে টকাটো বিচৰা হৈছিল। আমি Planing Commission ৰ ওচৰত কৈছিলো যে ইয়াৰ কাৰণে যেন কেন্দ্ৰিয় চৰকাৰে সকলো

একো কৰিব নোৱাৰে ? নহলে জানো আজি অসমৰ অৱস্থা এনে হয়। আমাৰ মঠাউৰি বিলাকৰ Tender ক'ল সাধাৰণতে ডিচেম্বৰ মাহত হয় আৰু ফলত তাৰ কাম আৰম্ভ হয়গৈ ফেব্ৰুৱাৰী মাহত আৰু ফলত, কাম সম্পূৰ্ণ কৰি তুলিব নোৱাৰে। আৰু বাৰিষা হয় কাম বন্ধহৈ পৰে আৰু তেতিয়া খাতা বিল পেমেণ্ট হয়। মই মন্ত্ৰীমহোদয়ক অনুৰোধ কৰিছো যাতে এই Tender call অলপ সোনকালে হয়, অৰ্থাৎ অক্টোবৰ নবেম্বৰ মাহতে কৰে। মাননীয় অধ্যক্ষ মহোদয় মাননীয় সদস্য মইনুলহক চৌধুৰীয়ে তেওঁৰ দিনত যেনেকৈ কাছাৰৰ উন্নতি সাধন কৰিলে তেনেকৈয়ে যেন আমাৰ মন্ত্ৰী মহোদয়েও বৰপেটালৈ চায়। ইয়াকে কৈ মই আমাৰ কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি বহিলো।

*Shri Mahendra Mohan Choudhury : মাননীয় অধ্যক্ষ মহোদয়, যিবিলাক আলোচনাৰ বিষয় অৱতৰন কৰা হৈছে, সেইবিলাক প্ৰত্যেক জন সদস্যৰে প্ৰায় একেধৰণৰ আৰু যিহেতুকে, আপোনাৰ ফালৰ পৰা মই নিৰ্দ্দেশ পাইছো চমু কৰিবলৈ; মই মোৰ বক্তৃতা চমু কৰিম।

আমাৰ মাননীয় সদস্য শ্ৰীদুলাল বৰুৱা ডাঙৰীয়াই কেইটামান কথা উলেখ কৰিছে। সেই একে কথা বিলাককে কিছুমান সদস্যই পুনৰ উক্তি কৰিছে।

প্ৰথম কথা হৈছে যে, আমাৰ কাম বিলাক আৰম্ভ কৰাত দেৰি হয়। মোৰ ফালৰপৰা যিমান দুৰ পৰা যায় সোনকালে কামবিলাক আৰম্ভ কৰিবলৈ চেষ্টা কৰিম যাতে বৰষুণ পৰাৰ আগতে কামবিলাক শেষ হৈ যায়। কিন্তু কিছুমান অসুবিধাৰ কাৰণে যিবিলাক অসুবিধাত Dept এ ব্যৱস্থা কৰা স্বত্বেও এই কাম বিলাকৰ আৰম্ভ সোনকালে কৰিবৰ কাৰণে অসুবিধা হয়। তাৰ, প্ৰথম কাৰণ হৈছে যে, টকাৰ যিটো Sanction এই সদনৰ প্ৰস্তাৱত পাচ কৰিছিল বা আমাৰ বান নিয়ন্ত্ৰণ বিভাগত যিমানখিনি খৰছ ধৰা হৈছে সেইখিনি টকাই যথেষ্ট নহয় আৰু বঢ়াব লাগে আৰু

*Speech not corrected

সেই বিষয়লৈ, কেন্দ্রীয় চৰকাৰৰ লগত বহুবাৰ আলোচনাও কৰিছিলো। আলোচনাত বানপানীৰ সময়তে আমাৰ Central govt. ৰ এটা Visiting Team আহিছিল। আৰু তেওঁলোকে গোটেই খিনি হিচাব কৰি সেই বিষয়ত যিমান খিনি টকা কেন্দ্ৰীয় চৰকাৰৰ পৰা পাব লাগে সেইখিনিৰ আশ্বাস দিছিল। সেই Team টো ডিচেম্বৰৰ Last week ত আহিছিল। আৰু তেওঁলোকে চাই চিন্তি যিখিনি টকা মঞ্জুৰ কৰে সেইখিনি ফেবুৱাৰী মাহতে াব লাগে।

আজি আমাৰ বৰা ডাঙৰীয়াই কৈছে যে, সেই কমিটিৰ আগত আমাৰ যিটো দাবী ঠিকমতে Place কৰিব নোৱাৰিলে আৰু ফলত আমি কেন্দ্ৰীয় চৰকাৰৰপৰা যিমান খিনি টকা পাব লাগিছিল সেই পৰিমাণৰ টকা পোৱা নাই।

এই ক্ষেত্ৰত আমি যিমান টকা আনিব লাগে সেই টকাখিনি আশাঅনুৰূপ পৰিমাণে আনিব পৰা নাই যদিও যথেষ্ট পৰিমাণে টকা অনা হৈছে। এই কথা ভট্টাচাৰ্য্য ডাঙৰীয়া আৰু গুৱাহাটীৰ মাননীয় সদস্য সকলে জানে। এই Planning Commission ৰ লগত যিখিনি আলোচনা হৈছিল সেই কথা বাতৰি কাকতে প্ৰকাশ পাইছে। যিমানখিনি টকা আমি পাম বুলি ভাবিছিলো সিমানখিনি যদিও পোৱা নাই তথাপি যিখিনি পাইছো সেইখিনি অতি নগন্য নহয়।

Shri Dulal Chandra Barua : যেতিয়া visiting team আহিছিল সেইসময়ত চৰকাৰৰ সকলো দাতা দিব নোৱাৰাৰ কাৰণে যিমান টকা পাব লাগিছিল সিমান টকা পোৱা নহল সেইটো সচাঁনে?

Shri Mohendra Mohan Choudhury : সেইটো নহয়। যিবিলাক ঠাইত মঠাউৰি ভাঙে তাত গড়াখহনীয়াৰ কাৰণে ring বান্ধ দিবৰ কাৰণে টকাটো বিচৰা হৈছিল। আমি Planing Commission ৰ ওচৰত কৈছিলো যে ইয়াৰ কাৰণে যেন কেন্দ্ৰিয় চৰকাৰে সকলো

প্ৰকাৰৰ ব্যৱস্থা কৰে। সেই কাৰণে মই আজি কবলৈ বিছাৰিছো যে কেন্দ্ৰিয় চৰকাৰে ইয়াৰ কাৰণে আৰু বেচি খৰছ বহন কৰিবলৈ ইচ্ছা নকৰে আৰু এই কাম আমাৰ ৰাজ্যিক চৰকাৰেই কৰিব লাগিব। আৰু আমাৰ Expert ৰ দ্বাৰাই সেই বিলাক কাম কৰাব লাগিব। সেই কাৰণেই আমি এই ক্ষেত্ৰত বিশেষ আগবাঢ়িব পৰা নাই। আৰু এটা কথা শ্ৰীকামিনি শৰ্ম্মা, মতিলাল নায়ক, ভূবনেশ্বৰ বৰ্ম্মন আদি কেইগৰাকী মান সদস্যইও কৈছে যে আমি মঠাউৰি ইত্যাদিৰ ক্ষেত্ৰত তেখেতৰ পৰা পৰামৰ্শ লব লাগে। কিন্তু মই কওঁ যে আমাৰ কাৰিকৰি জ্ঞান থকা বিষয়া সকলৰ কথা নুশুনি যদি lay man ৰ পৰামৰ্শ মতে কাম কৰো তেনেহলে এই কাম বিলাক বেচি কৃতকাৰ্য্য হব বুলি নেভাবো।

**Shri Bhubaneswar Barman :** মই কোনো technical পৰামৰ্শৰ বিষয়ে কোৱা নাছিলো। কেৱল এই বোৰ কামত যি টকা খৰছ হৈছে তাৰ বাবেহে পৰামৰ্শ লোৱাৰ কথা কৈছিলো। এনে কিছুমান ঘটনা আমাৰ চকুত পৰে যে য'ত অসংখ্য টকা অপচয় হৈছে।

**Shri Mahendra Mohan Choudhury :** অপচয় সম্পৰ্কে যদি Specific allegation দিয়ে তেনেহলে তাৰ অনুসন্ধান চৰকাৰে নিশ্চয় কৰিব। কিন্তু এই বিষয়ৰ আলোচনাৰ আগতে যদি তেনে কোনোৰ নিৰ্দ্দিষ্ট অভিযোগ আমাক দিলে হয় সেই বিষয়ে তদন্ত কৰিব পাৰিলো-হয়। আৰু এটা পৰামৰ্শ আগবঢ়োৱা হৈছে যে আমাৰ বিভিন্ন ক্ষেত্ৰত যিবিলাক অপচয় হয় তাৰ তদন্ত কৰিবৰ কাৰণে এখন কমিটি গঠন কৰিব লাগে। এই পৰামৰ্শ বিবেচনা কৰি চোৱা হব।

ব্ৰহ্মপুত্ৰ নদী নিয়ন্ত্ৰনৰ বিষয়ে এটা Commission হব লাগে আৰু সেই বিষয়ে আমাৰ ৰাজ্যচৰকাৰ ফালৰ পৰা আৰু M.P. সকলৰ ফালৰ পৰা কেন্দ্ৰিয় চৰকাৰৰ ওপৰত দাবী তুলি ধৰা হৈছে। ব্ৰহ্মপুত্ৰৰ বানপানীৰ পৰা মানুহক ৰক্ষা কৰিবৰ কাৰণে চিন্তা কৰি কাম হাতত লব লাগে। এইটো কথা চৰকাৰে নীতি হিচাবে মানি লৈছে আনকি

এটা Study Body তৈয়াৰ কৰি কাম কৰিবলৈ আগবাঢ়িছে। কিন্তু এই কামৰ কাৰণে যি টকা লাগিব সেই খিনি ৰাজ্যিক চৰকাৰৰ ফালৰ পৰা দিব লাগিব বুলি Commision নে আমাক জনাইছে যদি সেয়ে হয় তেনেহলে আমাৰ একো লাভ নহব। ব্ৰহ্মপুত্ৰৰ নিচিনা নদী নিয়ন্ত্ৰন কৰিবৰ কাৰণে যি টকা লাগে সেই টকা অসম চৰকাৰে বহন কৰিব নোৱাৰে কাৰণে কেন্দ্ৰিয় চৰকাৰক টকাটো দিবলৈ দাবী কৰিছিলো সেই টকা আমাৰ Plan টকাৰ পৰা কাটি লব খোজা কথাটোত আমি মান্তি হব নোৱাৰো আৰু Commission এ এই কথাত কৈছে যে আমাৰ স্থানীয় ইঞ্জিনিয়াৰ বিলাকে কাম কৰিব লাগিব। গতিকে আমি সেই কথাত আপত্তি কৰি আছো।

Irrigation সম্পৰ্কে কথা উঠিছে যে বৰষুনৰ সময়তে পানী পোৱা যায় কিন্তু খৰালী সময়ত পানী পোৱা নাযায়। সেইটো কথা সঁচা। কিয়নো আমাৰ যেতিয়া Irrigation ৰ Programe কৰা হৈছিল তেতিয়া কেৱল শালি খেতিৰ কাৰণেহে সেই Programe লোৱা হৈছিল। কিন্তু এতিয়া Crop Patern ৰ পৰিবৰ্ত্তন হৈছে। সেই কাৰণে এতিয়া খৰালি আৰু বাৰিষা যাতে পানী পাব পৰা যায় তাৰ ব্যৱস্থা কৰিবৰ কাৰণে চেষ্টা কৰা হৈছে। যমুনা Project ৰ পৰাও খৰালি পানী দিব নোৱাৰি। সেই কাৰণে যমুনাৰ পৰা যাতে বেচিকৈ পানী দিব পৰা যায় তাৰ বাবে ব্যৱস্থা কৰিবলৈ আমি চেষ্টা কৰিছো।

আজি চহৰ বিলাককহে কেৱল যে গড়াখহনীয়াৰ পৰা ৰক্ষা কৰা হৈছে সেইটো নহয় গাওঁ বিলাককো গড়াখহনীয়াৰ পৰা ৰক্ষা কৰিবলৈ চেষ্টা কৰা হৈছে। উদাহৰণ স্বৰূপে ককিলামুখত যিটো বান্ধৰ ব্যৱস্থা কৰা হৈছে সেইটো চহৰৰ কাৰণে নহয় গাৱঁক ৰক্ষা কৰিবলৈহে এই বান্ধৰ ব্যৱস্থা কৰা হৈছে। এই সম্পৰ্কত মই কব খুজিছো যে আমাৰ বহুতো পৰি থকা কাম যিমান সোনকালে পৰা যায় সিমান সোনকালে কৰিবলৈ চেষ্টা কৰিছো আৰু যিবিলাক কাম বিভাগীয় বিষয়াৰ হেমাহিৰ কাৰণে বন্ধ হৈ আছে সেই বিলাকো মই চাম।

তাৰ পাচত ব্ৰহ্মপুত্ৰৰ Bottom Pareing ৰ সম্পৰ্কত এইটো কথা জনাব খুজিছো যে ব্ৰহ্মপুত্ৰ ড্ৰেজিঙৰ কাৰণে দুখন ড্ৰেজাৰ কেন্দ্ৰীয় চৰকাৰে আমাক দিব বুলি জনাইছে।

তাৰ পাচত ক্ষতিপূৰণৰ বিষয়ে মই আগতেই কৈ আহিছো। আৰু এই সম্পৰ্কত যাতে সোনকালে ক্ষতি পূৰণ দিব পৰা যায় তাৰো চেষ্টা চলাই আহিছো তাৰ পাচত গোস্বামী ডাঙৰীয়াই কৈছে কলং নদীৰ মুখ বন্ধ হৈ যোৱাত পানী আহিব নোৱাৰা হৈছে আৰু তাৰ বাবে কলিয়াবৰ অঞ্চল অনুৰ্ব্বৰা হৈ পৰিছে। গতিকে তাৰ খেতিত পানীৰ যোগানৰ বাবে দুটা ব্যৱস্থা গ্ৰহণ কৰা হৈছে। এটা হৈছে শ্লুইচগেত আৰু আনটো Lift Irrigation ৰ ব্যৱস্থা কৰা হৈছে। মই ভাবো এই দুইটা কাম কলিয়াবৰ অঞ্চলত সম্পুৰ্ণ হলেহে শ্ৰীগোস্বামী ডাঙৰীয়াই অত দিনে চৰকাৰক কৰি অহা সমালোচনাৰ অন্ত পৰিব। আমাৰ কৰিবলগীয়া কাম বহুটো আছে এই কথা সচঁা। কিন্তু সকলো বিলাক একে সময়তে সম্পুৰ্ণ কৰা এই দুখীয়া দেশ খনৰ কাৰণে সম্ভৱ নহয়। সকলো নিৰ্ভৰ কৰে অৰ্থৰ ওপৰত।

তাৰ পাচত শ্ৰীযুক্তা লিলি সেন গুপ্তাই যি বিলাক কথা কৈছে বিশেষকৈ ডিব্ৰুগৰৰ স্পাৰৰ সম্পৰ্কত আৰু টাউনৰৰ মাজেদি যিটো নলা বোৱাই লৈ যোৱা হৈছে সেই নলাটো পানী বন্ধ হৈ ময়লা জমা হৈ মহ মাখিৰ উৎপন্ন কৰি Town খনৰ Sanitation ত আঘাট কৰিছে। এই সম্পৰ্কত মই কব খুজিছো যে এইটো পৰিস্কাৰ কৰি ৰখাৰ দায়িত্ব মিউনিচিপালিটিৰ। মিউনিচিপালিটিৰ চইপাৰ বিলাকেই নহয় সেই নলাৰ কাষত থকা মানুহ বিলাকেও মইলা যদি পেলায় ইয়াৰ ফলত নগৰ খনৰ জনস্বাস্থ্যত বিশেষ ভাবে আঘাট কৰিছে এইটো সচঁা কথা এই বিলাক পৰিস্কাৰ পৰিচ্ছন্ন কৰি ৰখাৰ সম্পূৰ্ণ দায়িত্ব মিউনিচি-পালিটিৰ অৱশ্যে মিউনিচিপালিটিক সহায় কৰিব লাগিব। এই পৰিস্থিতিৰ বিষয়ে ডিব্ৰুগড় Municipality ৰ Chairman ডাঙৰীয়া শ্ৰীৰমেচ চন্দ্ৰ বৰুৱা, শ্ৰীলিলিসেনগুপ্তা আৰু নীলমণি বৰঠাকুৰে মোক দেখা কৰিছিল। আৰু সেই দেখা কৰা মতেই কাম হব।

তাৰ পাচত শ্ৰীযুত কামিনী শৰ্মাই যিবিলাক কথা কৈছে তাৰ উত্তৰত কও যে আমাৰ চৰকাৰে টেষ্ট ৰিলিফ দি আহিছে। কিন্তু কিছুমান ঠাইত ৰাইজেই প্ৰতিবন্ধক হোৱাৰ ফলত সেইবিলাক কামত চৰকাৰ দ্ৰুত গতিত অগ্ৰসৰ হব পৰা নাই। এই Test Relef ত কাম কৰা মানুহ বিলাকে বেচি ৰেট বিচাৰিছে আৰু তেওঁলোকক চাহ আদি খাবৰ কাৰণে ৫০ পইচাকৈ দিয়া হৈছে। কিন্তু কিছুমান বিশেষ কাম মৌজাদাৰৰ হাতটো দিয়া হৈছে।

দুনীতিৰ বিষয়ে এই সকলোবিলাক মাননীয় সদস্যই কৈছে আৰু প্ৰাই বিলাক মন্ত্ৰী লিপ্ত আছে বুলিও কৈছে। মই কব খুজিছো যে মন্ত্ৰীসকলৰ কোনেও দুনীতিক কেতিয়াও প্ৰশ্ৰয় দিয়া নাই। যেতিয়াই দুৰ্নীতিৰ কথা আহিছে তেতিয়াই আমি তদন্ত কৰি শাস্তিৰ বিধানৰ ব্যৱস্থা কৰিছো।

শ্ৰীযুত মতিলাল নায়কে যিটো বৰপেটাৰ মঠাউৰিৰ কথা কৈছে সেইটো মই স্বীকাৰ কৰিছো।

(A Voice মঠাউৰিৰ সম্পৰ্কত ধুবুৰীৰ অবস্থা কেনে এই কথা মন্ত্ৰী মহোদয়ে জনাবনে?)

Refinery সম্বন্ধত কেন্দ্ৰীয় চৰকাৰৰ আপত্তি হৈছে অসমত খাৰুৱা তেল কম। এই বিষয়ে মই বিতং ভাবে আলোচনা নকৰো। অসম চৰকাৰে প্ৰকাশ কৰা পুস্তিকা এখন কেন্দ্ৰীয় চৰকাৰে স্বীকাৰ কৰিছে যে ১৯৭৫ চনত অসমত ৬০ লাখ টন খাৰুৱা তেল পাব। গতিকে আমাৰ ইয়াত ২য় শোধনাগাৰ প্ৰতিষ্ঠাৰ কাৰণে খাৰুৱা তেলৰ অভাৱ। এই যুক্তি অচল বুলি সংগ্ৰাম পৰিষদে প্ৰমান কৰিছে।

এতিয়া আকৌ কেন্দ্ৰীয় চৰকাৰে কৈছে যে অসমত জনমত প্ৰকাশ কৰাৰ পাচত এটা Expert Committee গঠন কৰিব। এই Expert Committee ৰ ওপৰত মোৰ বিশ্বাস নাই। অভিজ্ঞতাৰ পৰা মই কৈছো যে ১৯৫৭ চনত যেতিয়া প্ৰথম Refinery হব লাগে বুলি আন্দোলন হৈছিল তেতিয়া আমেৰিকান

Expert সকলে কলে যে শিলঘাটৰ ওচৰত এই Refinery পাতিলে লাভজনক হব। তাৰ পাচত কেন্দ্ৰীয় চৰকাৰে গঠন কৰা Expert Committee এ কলে যে এই তেল শোধনাগাৰ বাৰাউণীত পাতিব লাগে। সেই মতেই বাৰাউণীত তেল শোধনাগাৰ প্ৰতিষ্ঠা হল। ১০ বছৰৰ পাচত আকৌ আমি দেখিছো যে Parliamentary Expert Committe এ মত প্ৰকাশ কৰিছে যে বাৰাউণীত তেল শোধনাগাৰ প্ৰতিষ্ঠা কৰাটো যুক্তিসঙ্গত নাছিল। গতিকে এই Expert Committee ত আমাৰ দাবী প্ৰতিপন্ন নহব আৰু Expert Committee ৰ জৰিয়তে গলে এই বিষয়টো পিচপৰি যাব। আমি ইতিমধ্যে জানিব পাৰিছো যে Expert Committee এ মতামত দিয়ে মানে ১ বছৰ বা ১½ বছৰ লাগিব। কিন্তু এই ১ বছৰ বা ১½ বছৰৰ কাৰণে উৎপাদিত খাৰুৱা তেল বন্ধ হৈ থাকিব নোৱাৰে। ইতিমধ্যে আমি দেখিছো O.N.G.C. আৰু Oil India য়াই লাকুৱা ৰুদ্ৰ সাগৰত তেল উলিয়াইছে। সেইবিলাক বাহিৰলৈ উলিয়াই নিয়াৰ কাৰণে পাইপ লাইন সম্প্ৰসাৰণৰ কথা আলোচনা কৰিছে। Expert Committee এ যদি প্ৰতিবেদন দিওতে ১ বছৰ বা ১½ বছৰ লাগে তেনেহলে যি খাৰুৱ তেল উৎপাদন হব সেইটো ৰৈ থাকিব নোৱাৰিব আৰু সেই তেল ইতিমধ্যে O.N.G.C. আৰু Oil India ই সম্প্ৰসাৰণ কৰা পাইপ লাইনৰ যোগে বাহিৰলৈ লৈ যাব। তাৰ পাচত অসমত শোধনাগাৰ প্ৰতিষ্ঠাৰ কথা নাহিব। গতিকে এই কথা বিলাক বিবেচনা কৰি আৰু অভিজ্ঞতাৰ পৰা Expert Committee ৰ কথা আমি বিশ্বাস কৰিব নোৱাৰো। এই Expert Committee কেতিয়া হব পাৰে? দেশৰ তেল সম্পদ পৰিষ্কাৰৰ কাৰণে শোধানাগাৰ কেনে ঠাইত হব লাগে, আৰু কিমান খিনি ক্ষমতা কৰিব পৰা হব সেই বিলাক কথালৈহে Expert Committee হব পাৰে। কিন্তু Refinery টো হব লাগেনে নালাগে সেইবিষয়ে পৰামৰ্শ দিবলৈ Expert Committee আমাক নালাগে। বৰ্ত্তমান অৱস্থাত যদি কেন্দ্ৰীয় চৰকাৰে Expert Committee ক গঠন কৰে তেনেহলে জনমতক উপেক্ষা কৰা হব বুলি ধৰি লব লাগিব। আমাৰ

ইয়াতো কোনো কোনো মহলত কব খোজে যে অসমত ২য় তেল শোধানাগাৰ কৰা হওক বা নুনমাটি শোধানাগাৰটোৰ capacity বঢ়োৱা হওক। এই সম্পৰ্কত মই চৰকাৰক জনাই দিব খোজো যে ইটোৰ সিটোৰ বিকল্প ব্যৱস্থা হিচাবে বিবেচনা কৰিব নালাগে। গুৱাহাটী Refinery ৰ শোধনাগাৰৰ ক্ষমতা ১১ লাখ টনলৈ শোধন ক্ষমতা বৃদ্ধি কৰি আৰু ২০ লাখ টনৰ শোধন ক্ষমতা থকা ২য় শোধানাগাৰ প্ৰতিষ্ঠা কৰিব লাগে। যি সকলে এই দুটা বিকল্প ব্যৱস্থা হিচাবে কথা কৈছে সেই সকলৰ লগত মই একমত নহয়। গুৱাহাটীৰ শোধন ক্ষমতা বৃদ্ধিৰ ব্যৱস্থাক মই আদৰণী জনাওঁ। কিন্তু ২ য় শোধানাগাৰটো তেল পথাৰৰ ওচৰতে স্থাপন কৰাই নীতিৰ ফালৰ পৰা ভাল হব।

(সময়ৰ সংকেত)

আশা কৰো আজি এই সম্পৰ্কে সদনৰ বিভিন্ন দলৰ লোক একগোট হৈ সৰ্ব্বসন্মতিক্ৰমে প্ৰস্তাৱ এটা গ্ৰহণ কৰিব আৰু আজিৰ এই দিনটো গৌৰৱপূৰ্ণ স্মৰণীয় দিন হৈ থাকিব। তাৰ পাচত মই এই পৰামৰ্শ আগবঢ়াৰ খুজিছো যে প্ৰস্তাৱটো গ্ৰহণ কৰাৰ পিচতেই সদনৰ পৰা এটা সৰ্ব্বদলীয় সজাতি দল কেন্দ্ৰীয় চৰকাৰৰ ওচৰলৈ যাব লাগে। এই প্ৰস্তাৱ সদনে কৰাৰ লগে লগে বিভিন্ন বিষয়ে অসমৰ সুবিবেচিত মতামত ডাঙি ধৰিব লাগে।

তাৰ পাছত আৰু এটা কথা মই পৰিষ্কাৰ কৈ জনাই দিব খুজিছো যে এই প্ৰস্তাৱ লোৱাৰ পাচতো যদি কেন্দ্ৰীয় চৰকাৰে অসমৰ জনমতক উপেক্ষা কৰি ২য় শোধানাগাৰ প্ৰতিষ্ঠা নকৰে তেনেহলে অসমত জনসাধাৰণ হাতপাতি বহি নাথাকে। আজিৰ এই আন্দোলন বিৰাট আন্দোলনৰ প্ৰথম পৰ্যায়মাত্ৰ।

তাৰ পিচত অহা ২১'২২ আৰু ২৩ এপ্ৰিলৰ পৰা গোটেই অসমতে সত্যাগ্ৰহ আৰম্ভ কৰিব। যদি কেন্দ্ৰীয় চৰকাৰে এই ভয়াবহ পৰিস্থিতিৰ হাত সাৰিব খোজে তেনেহলে অতি সোনকালে এটা খাটাং

সিদ্ধান্ত ঘোষণা কৰা একান্ত প্ৰয়োজন। নহলে পূৰ্ব্বৰ কাৰ্য্যসূচীমতে বাইজে আন্দোলন কৰিবলৈ বাধ্য। সেই আন্দোলন কেনেকুৱা হব তাক মই আগতেই কৈছোঁ। আৰু আজিৰ অভিজ্ঞতাৰ পৰা বুজিব পাৰিছোঁ। যে অসমৰ হাজাৰ হাজাৰ মানুহে সেই আন্দোলনত অংশ গ্ৰহণ কৰিব। যেতিয়ালৈকে অসমত এটা দ্বিতীয় তেল শোধানাগাৰ পতাৰ খাটাং সিদ্ধান্ত নলয় তেতিয়ালৈকে এই আন্দোলন চলাই থাকিবলৈ সংগ্ৰাম পৰিষদে সিদ্ধান্ত কৰিছে।

**Shri Nakul Chandra Das :** Mr. Speaker, Sir, this august House has a unique record of achieving unity in diversity when vital problems confronting the people and the State of Assam arise. I am happy that the demand for a second oil refinery in the public sector has given us another occasion to stand united and I am sure, Sir, the laudable efforts launched by the Government of Assam and the energetic follow-up by our indomitable Industries Minister, backed by the popular upsurge of the entire people of Assam, will lead us to success. ( Interruption )

**Mr. Speaker :** Sir, the demand for a second oil refinery or even a third oil refinery in public sector in Assam is a just and right demand. If we can stand united in a peaceful democratic way, we shall be able to achieve success and I have no manner of doubt that the Government of India will be compelled to give us a second oil refinery in the public sector. If a smallcity like Abadan can have a score of refineries, why in Assam we cannot have another refinery when whole Bramaputra valley is full of oil potentialities ? Mr. Speaker, Sir, it will be uncharitable to say that the Congress in Assam or the Assam Government are not sympathetic to the demand for a second oil refinery or that they are not pressing this demand on the Government of India. ( Displaying a document ). This

is a document which will be a historic record— The State Government's case for creation of a additional refining capacity in Assam, It would not be correct to construe that the "creation of additional refining capacity" means the expansion of the capacity of the Noonmati refinery only. It will be far from truth ( Interruptions ). In fact, we are demanding a second refinery and we are determined to have it.

Shri Dulal Chandra Barua : On a point of clarification, Sir, while appreciating the spirit of the hon. member I want to ask him one thing. He is defending the Government by saying the Government of Assam is not sleeping over the matter. May I know from him why in the Governor's Address it is stated that this movement in support of the second oil refinery will be undesirable ? Why is it said like that ?

Shri Nakul Chandra Das : Sir, I am very thankful to the Leader of the Opposition, Mr. Bhattacharyya, because with his gifted eloquence he has very rightly and dispassionately placed before the House the very logical demand of the peple of Assam for a second refinery ( Interruptions again ). I only hope the hon. Members of the Opposition will follow suit and will not resort to mad-throwing on the Congress. As you know Sir, Assam's case for a second refinery is irrefutable. Assam produces 60 percent of the total crude oil in India, but has got only 40 percent of the refining capacity in India. It is the proclaimed policy of the Government of India to remove regional disparity in development as far as possible in the Fourth plan Therefore, Sir, I hope the Government of India and the present Petroleum Minister will give very sympathetic consideration to Assam's demand for a second refinery in the public sector. We are ready to join with any progressive forces in making this just demand and ( Prolonged interruptions). getting it fulfilled by peaceful and democratic means;

**Shri Dulal Chandra Barua :** May I be permitted to confer on him the Degree of Master of Oilology ?

**Shri Nakul Chandra Das :** Mr. Speaker, Sir, I will say most emphatically and shout from the house-top that we all are behind this legitimate demand for a second oil refinery in Assam. We are ready to join in any peaceful movement. I would only request the hon. Members of the Opposition not to forget the historic saying "United we stand, divided we fall".

**Shri Paramananda Gogoi :** অধ্যক্ষ মহোদয়, এই সদনত তেল শোধনাগাৰ সৰ্ম্পকে ৰাজ্যপালৰ ভাষণৰ পৰা যি বিতৰ্ক হৈছিল তেতিয়াৰে পৰা আলোচনা হৈ আহিছে। আজি নতুনকৈ বিশেষ কথা কব লাগে বুলি মই ভবা নাই আৰু যিখিনি কবলগীয়া কথা আছে সেইখিনি ইতিমধ্যে সদস্য সকলে আলোচনা কৰিছেই। মই মাত্ৰ এটা নতুন কথা কব খুজিছো যে, শিল্প প্ৰতিষ্ঠান কৰিলেই যে সমস্যাৰ সমাধান হব সেইটো নহয়। আমাক তেল শোধনাগাৰ লাগে অসমক অৰ্থনৈতিক ক্ষেত্ৰত উন্নতিমুখী কৰাৰ কাৰণে। কিন্তু যেতিয়া কৰ্ম্মচাৰী নিয়োগৰ প্ৰশ্ন আহিব তেতিয়া কথা হব ইয়াৰ কাৰণে আমাৰ উপযুক্ত লোক আছেনে নাই? আমি কিছুমান কেৰাণী, মহৰী, চকিদাৰ আদি নিয়োগ কৰিয়েই ক্ষান্ত থাকিলে নহব। তেল কাৰিকৰী বিদ্যা সম্পৰ্কে আমি শিক্ষা দিয়াৰ কাৰণে চিন্তা কৰিব লাগিব।

অৱশ্যে খবৰ পাইছো যে, ডিব্ৰুগড় বিশ্ববিদ্যালয়ত Petrc-chemical বিভাগ খুলিবলৈ স্থিৰ কৰিছে। Refinery ৰ দৰে এটা বৃহৎ শিল্প প্ৰতিষ্ঠান হোৱাৰ লগে লগে তাৰ কাৰণে উপযুক্ত কৰ্ম্মচাৰী তৈয়াৰ কৰাটো নিতান্ত প্ৰয়োজন। গতিকে মই চৰকাৰক অনুৰোধ কৰিব খুজিছো যে ডিব্ৰুগড় বিশ্ববিদ্যালয়ত Petro-che-

mical বিষয়ৰ শিক্ষা দিয়াৰ লগে লগে অন্যান্য বিষয়ৰ শিক্ষা দিয়াৰ ব্যৱস্থাও হাতত লব লাগে। আনফালে বাস্তৱ ক্ষেত্ৰত আমি কি দেখিছো? গুৱাহাটীৰ নুনমাটিত এটা তেল শোধনাগাৰ হল। তাত পোণপটীয়া ভাৱে নিয়োগৰ ক্ষেত্ৰত ২/৪ জন আমাৰ মানুহে কাম পাইছে। অইল ইণ্ডিয়া, ONGC, Fertilizer আদি বৃহৎ শিল্প অসমত প্ৰতিস্থিত হ'ল। কিন্তু এইবোৰত প্ৰত্যক্ষ কৰ্ম্মী নিয়োগ যিমান হৈছে তাৰ দহগুণ ইয়াৰ ancillary আৰু ব্যৱসায় বাণিজ্যত বহুগুণ বেচি পৰোক্ষভাৱে নিয়োজিত হৈছে? ইয়াত থলোৱা লোকে কোনো অংশ গ্ৰহণ কৰিব পৰা নাই। নতুনকৈ চহৰলৈ পৰিণত হোৱা এই বজাৰ সমাৰ সমূহত আমাৰ মানুহে ভাগ লব পৰা নাই। তেল শোধনাগাৰ পৰোক্ষভাৱে নিয়োজিত ৭ হেজাৰ কৰ্ম্মীৰ ভিতৰত আমাৰ মানুহ দুহেজাৰো নাই।

( A voice : প্ৰমোচনৰ কথা নকয় কিয় )

প্ৰমোচনৰ discrimination লৈ মোৰ কবলীয়া নাই। জন চেৰেক Executive Officer ৰ কি হ'ল নহ'ল তাত মোৰ সম্পৰ্ক নাই। এইবিলাকৰ সৰহ সংখ্যক সাধাৰণ যিবিলাক কৰ্ম্মী নিয়োগ হৈছে তাৰ লগতহে আমাৰ সম্পৰ্ক বেছি। এই ক্ষেত্ৰতহে আমি বিচাৰ কৰিব লাগিব। আন্দোলনৰ জৰিয়তে আজি আমি ৫ হেজাৰ মানুহৰ কাৰণে এটা বৃহৎ শিল্প বিচাৰিছো যে এনে নহয়। আন্দোলনটো এই ভাৱে লোৱা উচিত নহয় যে এইটো এক পক্ষীয় আন্দোলন কৰিব পাৰি আৰু অন্য পক্ষই আন্দোলন কৰিব নোৱাৰে সেইটো নহয়। সেইবুলি আজি যি সকলে এই শোধনাগাৰ লাগে বুলি অনশন ধৰ্ম্মঘট কৰিছে তেখেতসকলৰ প্ৰতি মোৰ সম্পূৰ্ণ সহানুভূতি আছে। এটা কথা আমাৰ বিৰোধীদলৰ দলপতী শ্ৰীভট্টাচাৰ্য্য ডাঙৰীয়াই উনুকিয়াই গৈছে যে আমাৰ দ্বিতীয় তেল শোধনাগাৰ বিষয়ে আমাৰ সন্মুখত যি কৰ্ত্তব্য পৰি আছে সেইটো আমি কৰি যাবই লাগিব। ১৯৬৬ চনৰপৰা আজি ১৯৬৮ চনলৈকে এই দ্বিতীয় তেল শোধনাগাৰ প্ৰতিষ্ঠা কৰাৰ সম্পূৰ্ণ দায়িত্ব ইতিমধ্যে

চৰকাৰে হাতত লৈছে। চৰকাৰৰ পক্ষৰপৰা যিমান পাৰে কেন্দ্ৰীয় চৰকাৰৰ আগত অসমৰ এই ন্যায্য দাবী উত্থাপন কৰি, এনেকি Memorandum দাখিল কৰিছে। সিদিনা মাত্ৰ আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই কেন্দ্ৰীয় চৰকাৰক সোৰ্ঁৰাই দিছে যে যদি দ্বিতীয় তেল শোধনাগাৰ অসমত প্ৰতিষ্ঠা কৰা নহয় তেন্তে তাৰ প্ৰতিকুল অসমৰ জনসাধাৰণে যি আন্দোলন কৰিবলৈ সঙ্কল্প কৰিছে তাৰ দ্বাৰা আমাৰ যথেষ্ট বিপৰ্য্যয় হোৱাৰ সম্ভাৱনা আছে। এনেস্থলত যিবোৰ কথা বৰ্ত্তমানে অনা হৈছে সেইটো শুদ্ধ হোৱা নাই। এনে এটা সমূহীয়া দাবীৰ আশ্ৰয় লৈ কোনো এটা দল, উপদলে এইটো এটা ৰাজনৈতিক স্বাৰ্থৰ কাৰণে ব্যৱহাৰ কৰা কোনো যুক্তিসঙ্গত নহয়। এইটো এটা সমূহীয়া স্বাৰ্থ হিচাবে সকলোৱে গ্ৰহণ কৰি সেই স্বাৰ্থ সিদ্ধি কৰিবলৈ কি পন্থা অবলম্বন কৰিলে ভাল হব সেইটোহে চিন্তা কৰা উচিত আৰু সকলোৱে এইটো মনস্থ কৰা উচিত যাতে অসমত দ্বিতীয় তেল শোধনাগাৰ প্ৰতিষ্ঠিত হয়, তাৰহে চেষ্টা কৰা উচিত। এই ক্ষেত্ৰত অসম চৰকাৰৰ প্ৰতি মোৰ অনুৰোধ যাতে এই দ্বিতীয় তেল শোধনাগাৰ প্ৰতিষ্ঠা অনুকূলে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত টানি হেঁচা দিয়ে। অসমীয়া মানুহৰ জাতীয় চৰিত্ৰ হৈছে কৃষি সমাজৰ চৰিত্ৰ। আজি কেইবছৰৰ পৰাহে মাত্ৰ অসমীয়া সমাজৰ মাজত উদ্যোগ প্ৰতিষ্ঠা কৰাৰ চেতনা জাগি উঠিছে। কিন্তু আজি অসমত শিল্প বিপ্লৱ আৰম্ভ হোৱা নাই। আমি এতিয়াহে মাত্ৰ শিল্প বিপ্লৱ বিচাৰিছো। মাননীয় ৰবা ডাঙৰীয়াই কৃষকৰ সৰ্ব্বহাৰা অৱস্থাৰ কথা কৈছে। অসমত দ্বিতীয় তেল শোধনাগাৰ প্ৰতিষ্ঠা কৰাটো নিতান্ত দৰকাৰ। এই শোধনাগাৰ প্ৰতিষ্ঠাৰ দ্বাৰা কেনেকৈ আমাৰ কৰ্ম্মহীন লোকক কৰ্ম্ম যোগান ধৰিব পৰা যায়, তাৰহে প্ৰচেষ্টা চলোৱা দৰকাৰ। এই খিনিকে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**Shri Sailen Medhi** : Mr. Speaker, Sir, in support of the adjournment motion, I want to put forward my observation. Sir, this movement in a way, I feel, a blessing in disguise. Sir, the people of Assam with different classes of societies and differ-

ent political idealogies unite themselves for the development of the State which is the most backward State all over India. Sir, the bankrupt policy of the Congress has brought the State into imbalances politically, socially and economically. Therefore, everywhere, all over the state the fissiparous and sparatist tendencies have raised their heads and for that reason we are finding it difficult to bring overall devolpment this State. Sir, this movement will create tremendous impact. Morover, this Movement will be for power. Sir, it is a movement for power. It dose not mean strength alone. This power is energy, which we have in abundance in this State we are having highest hydro—electric potentillity along with erude oil and natural gas, in the eastern region of India. But still then we are backward and we cannot go forward to devlop the country with industrialisation to cope with other States of India. Sir, this power will not only create industrialisation of the state, but it will create political and economic stability of the State. This power can bring together all our neighbouring States which are living together in the eastern region of India like Manipur, Tripura and Nagaland and there by all will be benefitted by the establishment of the Second publice section oil refinery in Assam. It will help gearing up all efforts to political stability of this region. Sir, without concerted efforts of different States, it will not be possible to solve the great problems like removal of floods, development of mineral resources and industries in particular. We need help from our neighbouring States of ours. In case of danger and attack by foreign enimical powers, theseregional States will stand together and fight together hand in hand. With this observation, I support the motion.

**Shri Kaminimohan Sarma** : মাননীয় অধ্যক্ষ মহোদয় অসমত দ্বিতীয় তেল শোধনাগাৰৰ দাবীৰ সম্পৰ্কত তুষাৰমান কব খুজিছো। আমাৰ অসম ভূমিখন তেলসম্পদৰে ভৰপুৰ, এই ৰাজ্য খনতে পৃথিবীৰ সৰ্ব্ববৃহৎ তেল শোধনাগাৰ হোৱাৰ সম্ভাৱনা আছে। কেন্দ্ৰীয় চৰকাৰে কিন্তু আমাৰ এই প্ৰাকৃতিক সম্পদৰে ভৰপুৰ ৰাজ্যখনক আগৰে পৰাই অৱহেলা কৰি আহিছে।

প্ৰথম তেলশোধনাগাৰ অসমত হ'ব লাগে বুলিও অসমৰ জনসাধাৰণে আন্দোলন চলাইছিল, শেষত জানিবা প্ৰথম তেল শোধনাগাৰটো স্থাপন হ'ল। এতিয়া দ্বিতীয় তেল শোধনাগাৰৰ কাৰণেও অসমৰ জনসাধাৰণে ঐক্যবদ্ধ ভাৱে সমগ্ৰ অসমৰ ইমূৰৰ পৰা সিমূৰলৈ শান্তিপূৰ্ণ ভাৱে আন্দোলন কৰিছে আৰু অনশন ধৰ্ম্মঘট কৰিছে। প্ৰথম পৰ্য্যায় আন্দোলন শান্তিপূৰ্ণ ভাৱে অতিবাহিত হৈছে। এই ১২ ঘণ্টা অনশন ধৰ্ম্মঘটৰ যি কৃতকাৰ্য্যতা হৈছে তাৰ প্ৰতি মই এই পৱিত্ৰ সদনৰ যোগেদি অসমবাসীকে মোৰ অভিনন্দন জনাইছো। অসমৰ এই ন্যায় সঙ্গত দাবীৰ কাৰণে তেখেত সকলে আমাৰ সংগ্ৰাম পৰিষদক সহযোগিতা কৰিছে।

আমি এই সদনত আলোচনা কৰি বাস্তৱত দেখিছো আমাৰ যি Ruling Party অৰ্থাৎ শাসন অধিষ্ঠিত দলে নীতিগত বা প্ৰত্যক্ষ ভাৱে ইয়াৰ বিৰোধিতা কৰিছে আৰু পৰোক্ষ ভাৱে সমৰ্থন জনাইছে। আমি ইয়াক স্বাগতম জনাইছো। মই আশা কৰো তেওঁলোকে প্ৰত্যক্ষ ভাৱে আমাৰ দাবীত ঐক্যবদ্ধ হৈ সহাৰি জনাব।

আমাৰ এই তেল সম্পদ আৰু তৈলগৰ্ভ পৃথিৱীৰ ভিতৰতে সৰ্ব্ববৃহৎ।

আমাৰ এই তেল সম্পদ আৱিষ্কৃত কৰিব লাগিব যাতে আমাৰ এই তেল শোধনাগাৰ পৃথিৱীৰ ভিতৰতে সৰ্ব্ববৃহৎ হয়। এই সম্পদৰ দ্বাৰা আমাৰ জনসাধাৰণ উপকৃত হব আৰু অসম যাতে নদন বদন হৈ উঠে তাৰ কাৰণে মই আটাইকে আহ্বান জনাইছো আৰু দ্বিতীয় তেল শোধনাগাৰ দাবীৰ সম্পৰ্কত যি সকল দেশ প্ৰেমিকে

সমগ্ৰ অসমত ১২ ঘণ্টা অনশন ব্ৰত ধৰিলে সেই সকল দেশ প্ৰেমিকলৈ মোৰ অভিনন্দন জনাইছো।

এই দ্বিতীয় তেল শোধনাগাৰ দাবীৰ আন্দোলন কৃতকাৰ্য্য কৰিবৰ কাৰণে অহা ২১ এপ্ৰিলত হবলগীয়া সত্যাগ্ৰহ আন্দোলনক মই স্বাগতম জনাইছো আৰু ইয়াকে কৈ মোৰ বক্তব্য সামৰণি মাৰিলো।

Rani Manjula Devi : Mr Speaker, Sir, it is just and appropriate that a strong demand for second oil refinery should come from all sections of this House and the people. May I remind this House that ( I think it was 1957 ) before the first refinery was thought of, the Centre never thought of giving the first refinery to Assam. The Centre was concentrating in giving it to Barauni but it is on the single initiative of the Congress Government and the pressure put by the Congress Members of Parliaments from Assam that the first refinery was conceded to Assam.

( Voice from the Opposition— It is not correct )

Yes, it is correct. I happened to be in parliament at that time and I know the pressure put there and talks we had and it is on this that the first refinery was conceded and later on we came to know that the refinery in Assam would be a small one while the Barauni one was going to be a bigger one. We put our strong objection to it. We cried hoarse asking it. But it was a voice in wilderness. If we had the united support of all as we are having now, we would have achieved the biggest refinery in the eastern sector in Assam, becase Assam produces oil and it is Assam which has natural resources and we are justified in having a bigger refinery in Assam. Now, the question of second refinery has

come. It is the duty of the Centre to Compensate Assam for a smaller unit because Assam produces raw material, that is oil. But it has not done so. It is high time that Assam rises up in one voice with united efforts irrespective of party affiliation that we should demand for second refinery. Now we should be strong in our demand. The voice of Assam is a public one. Sir, in a modern world no country's economy can be built up without industry. Assam is a blessed with so much abundance in natural resources and these resources should be tapped and utilised properly for building up a permanent economic structure of Assam and oil is the first and foremost one in that respect. I do hope that we will be united in this, foregoing our party affiliation to demand from centre agan and again to compensate for the wrong done to Assam by the centre and ask the centre to give us the second refinery. I know the centre is already contemplating to have it in one of the States. The State of Bombay has already put in a strong demand. But Assam's demand comes first because injustice was done to Assam when the first refinery was installed and I feel both the sections of the House should be united in demanding this and I do hope Centre would come forward very graciously to satisfy our demand.

**Shri Upendra Nath Sanatan** : মাননীয় Speaker মহোদয়। আমাৰ বিৰোধীদলৰ সদস্যসকলে তেল শোধনাগাৰ সম্পৰ্কত অনশন কৰি, fasting কৰা দেখিছোঁ। কিন্তু এই তেল শোধনাগাৰৰ সম্পৰ্কত আমাৰ সকলোৰে একমত। দেশৰ এটা Political Party ৰ মানুহেই হওক বা কোনো চৰকাৰী বিষয়াই হওক বা কোনো ব্যৱসায়ীয়েই হওক বা কোনো মজদুৰ মানুহেই হওক বা কোনো কৃষকেই

হওক সকলোৰে একমত। আজি আমাৰ অসমত তেল শোধনাগাৰ লাগিব আৰু এই তেল শোধনাগাৰৰ কাৰণে আমাৰ চৰকাৰেও যথেষ্ট চেষ্টা কৰিছে। আমাৰ চৰকাৰে Central Government ৰ লগত যোগাযোগ কৰিছে যে আমাক তেল শোধনাগাৰ লাগে বুলি কৈছে, নালাগে বুলি কোৱা নাই। আমাৰ বন্ধুসকলৰ যি সহযোগ দেখিছোঁ তাত আমি এতিয়া দেখিছো যে আমাৰ চৰকাৰে যিবোৰ আচঁনি লৈ আজি কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰিছে গতিকে এতিয়া আমি বেছিহে শক্তিশালী হম—যেনেকৈ এটা ১ৰ লগত ১টা শূন্য যোগ দিলে ১০ হয় ঠিক তেনেকৈয়ে চৰকাৰ আহি এক হৈ আছে আৰু বিৰোধী দলৰ মানুহ ০ হই যোগ দিছে, আমি (চৰকাৰ) এক আৰু শূন্য (১০) হই আমাৰ শক্তি বাঢ়িছে।

আমি সকলো দেশবাসী মিলি আছো—সকলো মিলি শান্তিপূৰ্ণ ভাৱে আমি এইটো মানিব লাগিব। আমি শান্তি মানিবই লাগিব। আনি কোনো পাৰ্টিকে এটা ভাবি লৈ এটা আন্দোলন কৰি যে আমি আগবাঢ়িব পাৰিম এইটো নহয়। আমাৰ সকলোৰে উদ্দেশ্য একে। আমি সকলো একে দেশৰ মানুহ গতিকে আমাৰ দেশত শোধনাগাৰ লাগে। আমাৰ শোধনাগাৰ হলে যে আমাৰ বিৰোধীদলৰ লৰা-ছোৱালীৰহে উপকাৰ হব আমাৰ যে উপকাৰ নহব এইটো নহয়। শোধনাগাৰ সকলোৰে কাৰণে লাগে। আমি বিচাৰিছোঁ এইটো। আমি কাজিৰঙাৰ কাষেদি আহোতে আমি যিবিলাক লাল লাল ৰাতি জলি থকা দেখো তেতিয়া আমাৰ বুকু ধপ-ধপ কৰে। ডাক্তৰে বেমাৰীক তেজ দিয়াৰ সময়ত বেমাৰী বাচিবনে নেবাচে ভাবি আমাৰ যেনেকৈ চিন্তা লাগি থাকে, ঠিক তেনেকৈয়ে আমাৰ দ্বিতীয় তেল শোধনাগাৰটো হবনে নহয় সেইটো ভাবিও চিন্তা লাগি আছে। কিন্তু আমাৰ চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ লগত কাগজে পত্ৰইহে লিখালিখি কৰি আছে। আমাৰ চৰকাৰে কৈছে যে শান্তিপূৰ্ণ ভাৱে আমি শোধনাগাৰটো লবলৈ চেষ্টা কৰিছোঁ। আমাৰ চৰকাৰ খাম্বাব নিছিনা থিয় হৈ আছে। এতিয়া যেতিয়া বিৰোধী দলৰ ফালৰপৰা

শূন্যটো আহিলে আমাৰ শক্তি বাঢ়িব। গতিকে শান্তিপূৰ্ণ ভাৱে আমাক দ্বিতীয় শোধনাগাৰটো লাগে বুলি দাবী জনালো। ইয়াকে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Shri Dulal Chandra Barua : চাৰ, আমাক যে শূণ্য বুলি কৈছে সেইটো মই কেতিয়াও মানিব নোৱাৰো। আমাৰ দল হৈছে এক আৰু কংগ্ৰেছ চৰকাৰেহে হৈছে শূন্য।

Shri Lakshyadhar Choudhury : মাননীয় অধ্যক্ষ মহোদয়, আজি ২৪ মাৰ্চৰ দিনটো অসমৰ শিল্প বিপ্লৱৰ বুৰঞ্জীত এটা চিৰস্মৰণীয় দিন। এই শিল্পবিপ্লৱ সৃষ্টি কৰিছে, আমাৰ অসম চৰকাৰে নহয়। অসমত স্থায়ী ভাৱে বসবাস কৰা পৰ্ব্বত ভৈয়ামৰ সকলো ৰাইজৰ মিলিত প্ৰচেষ্টাত আজিৰ এই আন্দোলন গঢ়ি উঠিছে। আজিৰ এই দিনটোতেই প্ৰথম বাৰৰ কাৰণে সদৌ অসম জুৰি ৰাজ-হুৱা ভিত্তিত অনশন ধৰ্মঘট অনুষ্ঠিত কৰা হৈছে। এই জনতাৰ হুঙ্কাৰত কেৱল অসম চৰকাৰেই নহয় কেন্দ্ৰীয় চৰকাৰেো আসন টলি উঠিছে। এই ক্ষেত্ৰত মই কেইটামান পৰামৰ্শ আগবঢ়াব খুজিছো। এই কথাটো অলপ আগতে আমাৰ বন্ধুবৰ গগৈদেৱে উল্লেখ কৰি গৈছে। আমাৰ আজি যি শিল্প বিপ্লৱৰ সূচনা হৈছে, তাৰ ফলস্বৰূপে গঢ়ি উঠিব ধৰা শিল্প অনুষ্ঠান বোৰৰ বাবে আমাৰ কিছুমান কাৰিকৰী অৰ্হতা সম্পন্ন লোকৰ প্ৰয়োজন হব। সেই কাৰণে মই আশা কৰো আমাৰ অসম চৰকাৰে যদি সচাঁকৈয়ে এই আন্দোলনত সঁহাৰি জনাব খোজে তেন্তে তেখেত সকলে শিক্ষা দপ্তৰৰ তৰফৰ পৰা ততাতৈয়াকৈ আমাৰ এই বিশ্ববিদ্যালয় সমূহত Oil Technologyৰ প্ৰৱৰ্ত্তন কৰাব লাগে। আৰু ততাতৈয়াকৈ এতিয়া আমাৰ উদ্যোগ বিভাগৰ পৰা এই উদ্যোগত কাম বা চাকৰি কৰিব পৰাকৈ কিছুমান আমাৰ ডেকা থলুৱা লোকক প্ৰশিক্ষণৰ কাৰণে বিদেশলৈ পঠাব লাগে আৰু আমাৰ বিশ্ববিদ্যালয়ত অইল টেকনলজি শিকোৱাৰ ব্যৱস্থা কৰিব লাগে, তাৰ পিছত আন এটা

কথা যে কেন্দ্ৰীয় চৰকাৰে এটা নীতিৰ কথা উল্লেখ কৰিছে; ইয়াৰ দ্বাৰা আঞ্চলিক অসমতা দূৰীকৰণৰ বাবে তেখেতসকলে এটা ঘোষণা কৰিছে। অন্ততঃ ৫ শ টকাৰ আৰু তাৰ তলৰ যিবিলাক চাকৰি সেইবিলাকত যাতে আমাৰ থলুৱা মানুহ নিয়োগ কৰা হয় তাৰ ব্যৱস্থা কৰিব লাগে। এই ক্ষেত্ৰত মই বিশেষকৈ উদ্যোগ মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিব খোজো। আমাৰ গুৱাহাটী নুনমাটি Oil Refinery আৰু O. N. G. C. ত যিবোৰ মানুহক চাকৰিত নিয়োগ কৰা হৈছে তাৰ বিষয়ে চৰকাৰে দৃষ্টি ৰাখিব লাগে। O. N. G. C. ৰ এটা কথালৈ মই উদ্যোগমন্ত্ৰী মহোদয়ৰ বিশেষ দৃষ্টি আকৰ্ষণ কৰিব খোজো। তেওঁলোকে কিবা ষড়যন্ত্ৰমূলক কাম কৰা যেন অনুমান হয়, কাৰণ তেওঁলোকৰ যিবোৰ তথ্যপাতি সেই-বোৰ এতিয়ালৈকে আমি সত্য বুলি ভাবি লব নোৱাৰো। তাৰোপৰি তেখেতসকলে খাৰুৱা তেল বিচৰাৰ ক্ষেত্ৰত যথেষ্ট লেহেম গতিত কাম কৰিছে। কাৰণ তেওঁলোকে ৫৭ টা তেল নাদৰ ভিতৰত এতিয়ালৈ মাত্ৰ ২৩ টাতহে কাম হৈছে, ৩৪ টা বাকী আছে। তাৰোপৰি আমাৰ এগৰাকী সদস্যই কৈছে যে, প্ৰথম তেল শোধনাগাৰটো অসম চৰকাৰে আনিছিল—কিন্তু এইটো কথা যদি আমি সদনত থাকিও প্ৰতিবাদ নকৰো তেন্তে সদনৰ সদস্য সকলৰ অপাৰগতা প্ৰকাশ কৰা হব। কাৰণ প্ৰথম তেল শোধনাগাৰটো আহিছিল অসমৰ ৰাইজৰ সন্মিলিত আৰু শান্তিপূৰ্ণ ভাৱে আন্দোলনৰ যোগেদি আৰু এই আন্দোলনৰ বাবেই প্ৰায় ৫ হাজাৰ লোকে জেইল বৰণ কৰিব লগীয়া হৈছিল। আজি মই এইখিনিকে কৈ আমাৰ উদ্যোগ মন্ত্ৰীক আৰু শিক্ষা বিভাগৰ মন্ত্ৰীক এতিয়াৰ পৰাই তৎপৰ হবলৈ আবেদন জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Shri Bhubaneswar Barman: মাননীয় অধ্যক্ষ মহোদয়, অসমত দ্বিতীয় তেল শোধনাগাৰ দাবীত গোটেই অসমৰ জনসাধাৰণে যি সঙ্কল্প লৈছে তাৰ কাৰণে অনশন ধৰ্ম্মঘট সফল কৰাৰ বাবে অভি-নন্দন জনাইছো। আজি অসমৰ জনসাধাৰণে কেন্দ্ৰীয় চৰকাৰৰ

বিৰুদ্ধে তেল শোধনাগাৰৰ কাৰণে দাবী কৰাটো দুঃভাগ্য জনক কথা, আৰু অসম চৰকাৰৰ দুৰ্ব্বল নীতিৰ কাৰণে বাৰে বাৰে আন্দোলন কৰিব লগাটো দুঃখজনক কথা। আজি জনসাধাৰণে যিটো সুস্থভাৱে আন্দোলন আনিছে তাৰবাবে সৰ্ব্বসন্মতিক্ৰমে এটা প্ৰস্তাৱ লবলৈ আগবাঢ়ি আহিবলৈ মই সকলোকে অনুৰোধ জনাইছো। আৰু আমি যদি অসমৰ তেল অসমৰ বাহিৰলৈ যাবলৈ দিও তেনেহলে জনসাধাৰণৰ ওপৰত পাপৰ ভাগি হব লাগিব। এই দাবী জনাবৰ কাৰণে আমি বিৰোধী দলে যি অনশন কৰিছো তাৰ লগত সমগ্ৰ জনসাধাৰণৰ সমৰ্থন আছে। আৰু এই দাবী জনাবৰ বাবে ১১।২২।২৩ এপ্ৰিলত হব লগা আমাৰ তিনিদিনীয়া সত্যাগ্ৰহত কংগ্ৰেছ চৰকাৰে সমৰ্থন কৰি যাতে জনসাধাৰণৰ দাবীত সমৰ্থন জনায় তাৰ বাবে অনুৰোধ জনালোঁ।

*Shri Pushpadhar Chaliha : মাননীয় অধক্ষ্য মহোদয়, আজি যি অনশন অসমৰ জনসাধাৰণে কৰিছে তাৰ বাবে জনসাৰণক ধন্যবাদ জনাইছোঁ। আৰু ইয়াৰ লগতে কেন্দ্ৰীয় চৰকাৰক অসমত দ্বিতীয় তেল শোধনাগাৰটো দিবৰ বাবে দাবী জনাইছো। এই দাবী অসমবাসীৰ জনমত। অসমত শোধনাগাৰ প্ৰতিষ্ঠা কৰিবলৈ অসমৰ বিশেষকৈ দল, উপদল, জাতিবৰ্ণ নিৰ্ব্বিশেষে সকলোৱে এক হৈছে আৰু অসম চৰকাৰে একাট্য যুক্তিৰে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাবী উত্থাপন কৰিছে। মই এটা কথা আজিৰ এই সদনত উত্থাপন কৰিব খুজিছো যিটো অতি ৰহস্যজনক। আজি Oil India আৰু O.N.G.C. এ অসমক কিছুমান এন্ধাৰ যুক্তি প্ৰদৰ্শন কৰিছে। মই বিশ্বস্ত আৰু নিৰ্ভৰ যোগ্য সূত্ৰে জানিব পাৰিছো যে গেলেকীত যি খাৰুৱা তেলৰ সন্ধ্যান পাইছে সেই তেলৰ বুকু ৮০ মিটাৰ দ ব্ৰহ্মপুত্ৰৰ বুকুতকৈও বেছি দ। অকল সেয়ে নহয় এই তেল খাট এচিয়াৰ ভিতৰতে বিৰাট তেল খাট। গেলেকীৰ এই তেলখাট ইৰানৰ সমকক্ষ হব আৰু এই তেলখাটে ভাৰতক অহা ৪৫০ বছৰৰ কাৰণে তেল যোগান ধৰিবলৈ সক্ষম। এই

*Speech not corrected

বিলাক তথ্য লুকুৱাই ৰাখি কেন্দ্ৰীয় চৰকাৰে অসমত দ্বিতীয় শোধনাগাৰ হব নোৱাৰে বুলি অসমৰ দাবী উপেক্ষা কৰিছে । গেলেকীৰ তেল সন্ধানৰ সম্পৰ্কত অসমৰ জনসাধাৰণ আৰু অসম চৰকাৰক এনেকৈ কেন্দ্ৰীয় চৰকাৰে আভুৱা ভৰা কথাকৈ প্ৰতাৰণা কৰাৰ কাৰণে ভৱিষ্যতে অসমবাসী ৰাইজক আৰু অসম চৰকাৰক কৈফিয়ত দিব লাগিব । এই প্ৰসঙ্গত মই এই কথাই সদনত জনাব খুজিছো আৰু শ্ৰীযুত গগৈ দেৱেও কৈছে যে, অকল উদ্যোগ পাতিলেই নহব, ইয়াৰ দ্বাৰাই অসমৰ ৰাইজ উপকৃত হব লাগিব। আমি জনাত শিৱসাগৰৰ O.N.G.C. আৰু গোহাটী শোধনাগাৰত যিসকল লোক নিয়োজিত হৈছে তাত অসমৰ খিলুৱা মানুহৰ উপকাৰ হোৱা নাই আৰু এইবিলাক নিযুক্তিত আমাৰ ওপৰত এটা বোজা পৰিছে । অসংখ্য বহিৰাগতক অন্ন যোগাৰ লগীয়াত পৰিছে আৰু তাৰ ফলত দৈনন্দিন ব্যৱহাৰৰ সামগ্ৰীৰ মূল্য বৃদ্ধি পাইছে । আমি দাবী কৰিছো যে শিল্প প্ৰতিষ্ঠাৰ লগে লগে এনে এটা নীতি লব লাগিব যি নীতিত ৫০০ (পাঁচশ) টকাকৈ সকলো প্ৰকাৰৰ চাকৰি অসমৰ বাহিৰৰ লোকক পাব নালাগিব। এনেকুৱা ব্যৱস্থা কৰিছে Prospective Licence বিলাক সমবায়ক দিব লাগিব।

(সময়ৰ সংকেত)

যি কোনো উদ্যোগ পতিকে Licence দিব নালাগে। আমাৰ এই সদনে একমুখে অসমবাসী ৰাইজৰ লগত একবাক্যে এই প্ৰস্তাৱ সমৰ্থন কৰি এটা প্ৰস্তাৱ গ্ৰহণ কৰি কেন্দ্ৰীয় চৰকাৰলৈ পঠাবলৈ দাবী জনাওঁক ইয়াকে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**Shri Soneswar Bora :** মাননীয় অধ্যক্ষ মহোদয়, আজি যি সকল লোকে তেলশোধনাগাৰ প্ৰতিষ্ঠাৰ বৈপ্লাৱিক দাবীত অনশন ধৰ্মঘট সফল কৰিলে সেইসকলক জয়জয়তে মই অভিনন্দন জ্ঞাপন কৰিছো । আৰু লগতে মই সংগ্ৰাম পৰিষদৰ এজন সদস্য হিচাবে ৰাষ্ট্ৰীয় খণ্ডত দ্বিতীয় তেল শোধনাগাৰ এটা প্ৰতিষ্ঠা নোহোৱালৈকে এই আন্দোলন সুদৃঢ় কৰিবলৈ

অসমবাসীক আহ্বান জনাও। আজি সদনত কেইবাজনো সদস্যৰ দ্বাৰা এইটো কথা লোৱা হৈছে যে যি হেতুকে আমি উভয় পক্ষই সৰ্ব্বসম্মত প্ৰস্তাৱ এটা গ্ৰহণ কৰিম গতিকে আলোচনা কৰোতে মৰম লগা ভাষাৰে কথা কব লাগে। এই প্ৰসঙ্গতে এই কথা কব খুজিছো যে ইয়াত মৰম লগা কথা নাই, ইয়াত সুন্দৰীৰ প্ৰেমৰ কথা নাই, ইয়াত আছে দেশ প্ৰেমহে। মই কেন্দ্ৰীয় মন্ত্ৰী ত্ৰিগুণা সেন আৰু ইন্দিৰা গান্ধীক এই বিধান সভাৰ যোগেদি সতৰ্ক কৰি দিব খুজিছো যে অসমত দ্বিতীয় তেল-শোধনাগাৰ কেতিয়া দিব, সেই তাৰিখ ঘোষণা কৰিব লাগে। মই তাৰিখ বিচাৰিছো। আজি আমি আন্দোলন কিয় কৰিব লগা হল? অসম চৰকাৰৰ দুৰ্ব্বল নেতৃত্ব আৰু কেন্দ্ৰীয় চৰকাৰৰ অমনোযোগিতা আৰু কেন্দ্ৰৰ অসমক ব্যৱসায়ীক ঔপনিবেশ কৰি ৰখাৰ যি স্বাৰ্থ সেই কাৰণেই অসম বাসীয়ে আজি এনে আন্দোলন কৰিব লগা হৈছে। মই এইটো কথাও আজি সদনত ঘোষণা কৰিব খোজো যে, যদি দ্বিতীয় শোধনাগাৰ অসমত প্ৰতিষ্ঠিত কৰা নহয় তেন্তে অসমৰ পৰা খাৰুৱা তেল নিয়াৰ বাবে যি Pipe Line সম্প্ৰসাৰণ কৰা হব সেই Pipe Line সুবিশাল ব্ৰহ্মপুত্ৰৰ কোৱাল সোঁতত উটাই দিয়া হব। আৰু সেই মৰ্ম্মে মই অসমবাসীক আহ্বান জনাও আৰু মই নিজেই আগবাঢ়ি সেই Pipe Line ব্ৰহ্মপুত্ৰৰ কোৱাল সোঁতত উটাই দিবলৈ সাজু আছো। এই ৰাষ্ট্ৰীয় খণ্ডৰ দ্বিতীয় তেল শোধনাগাৰ তেল পথাৰৰ সমীপতে প্ৰতিষ্ঠা কৰিব লাগে। আমাৰ অসমত তেলৰ বজাৰ নাই বুলি কৈছে কিন্তু বাৰাউনীত যি তেল শোধন কৰিছে তাৰ বজাৰ অকল কি বাৰাউনীতেই, আছেনে? এইদৰে ভাৰতবৰ্ষৰ যি ঠাইত কাপোৰ কল আছে, বা লোহাৰ কাৰখানা আছে আৰু সেই কল-কাৰ খানাত উৎপাদন হোৱা বস্তুবোৰৰ সেই সেই ঠাইতে জানো বজাৰ পোৱা হয় বা অন্য ঠাইত বিক্ৰী হয়গৈ? তাতেই জানো সেই অসংখ্য কাপোৰৰ বজাৰ আছে? এই তেল শোধনাগাৰ অসম বাসীয়ে বিচাৰে অসমৰ উদ্যোগ কৰণৰ কাৰণত, শিল্পোন্নয়নৰ কাৰণত। তেল শোধনাগাৰৰ আন্দোলনৰ অন্তৰালত আছে আৰু বহুত কথাই। কেন্দ্ৰই পৰিবহন ব্যৱস্থা, নিৰাপত্তাৰ

অসুবিধাৰ কথা কয়। আমি জানো তেল শোধনাগাৰ প্ৰতিষ্ঠা হলে ব্ৰডগজ ৰেল লাইন কৰিব লাগিব। তেল শোধনাগাৰ তেল পথাৰত প্ৰতিষ্ঠা হলে অসমৰ উজনীলৈকে অৰ্থাৎ ডিব্ৰুগড়লৈকে ব্ৰডগজ লাইন হব। খাদ্য সামগ্ৰী অনা নিয়াটো সুচল হব, ব্ৰডগজ ৰেল লাইন হলে তাৰ লগত জড়িত থকা বিভিন্ন ব্যৱসায়ৰ উন্নতি হব পাৰিব আৰু অসমৰ পৰা বাহিৰলৈ আৰু বাহিৰৰ পৰা অসমলৈ সামগ্ৰী অনানিয়াত সুচল হব।

এই প্ৰসঙ্গতে Railway Division অফিচৰ কথা আহে যিটো অফিচ অসমৰ বৃহৎ স্বাৰ্থৰ কাৰণে অসমতে ৰাখিব লাগিব। এইটো ইয়াৰ পৰা উঠাই নিব নোৱাৰিব। অকল তেল শোধনাগাৰ এটা প্ৰতিষ্ঠা হলেই বহুত ডেকাই চাকৰি পাব সেইটো নহয়। কিন্তু তেলশোধনাগাৰৰ লগতে অন্যান্য উদ্যোগ গঢ়ি উঠিলে, বেহা-বেপাৰ বাঢ়িব তেতিয়াহলেহে অসমৰ থলুৱা ডেকালৰা সকলৰ কিছু পৰিমাণে হলেও নিবনুৱা সমস্যা সমাধান কৰিব পৰা যাব। আমাৰ ডেকা লৰা সকলে বৈপ্লৱিক নেতৃত্ব লৈ আগবাঢ়ি আহিব পাৰিব। তাৰ লগতে আমাৰ দেশৰ উন্নতি কৰণত বহুতো সমল আছে। শেষত মই তেল শোধনাগাৰৰ বাবে বৈপ্লৱিক দাবী লৈ আগবাঢ়ি অহা লোক সকলক অভিনন্দন জনাওঁ মই অসম চৰকাৰক পুনৰবাৰ সাৱধান কৰি দিওঁ যে, ৰাইজৰ দাবী তেওঁলোকে মানিলৈ আগবাঢ়ি আহক। মই সদনৰ সৰ্বদলীয় বুলি যিকোনো প্ৰস্তাৱকে মানি লবলৈ ৰাজি নহয়। মই এনেকুৱা প্ৰস্তাৱতহে একমত যে অসমত ৰাষ্ট্ৰীয় দ্বিতীয় খণ্ডত তেল শোধনাগাৰৰ প্ৰতিষ্ঠা কৰিব লাগিব। আৰু শোধনাগাৰ প্ৰতিষ্ঠা হব লাগিব তেল পথাৰতে বা তাৰ সমীপতে নহলে অসমৰ জীয়া মানুহে আন্দোলন কৰিবই।

তেল শোধনাগাৰ আন্দোলন জিন্দাবাদ!

**Shri Narayan Chandra Bhuyan** : মাননীয় অধ্যক্ষ মহোদয়, বিৰোধী দলৰ মাননীয় সদস্য সকলে এই পবিত্ৰ সদনত অসমত দ্বিতীয় তেল

শোধনাগাৰৰ কাৰণে দাবী উত্থাপন তাত আমাৰ দ্বিমত অকনো নাই আৰু কোনো সদস্যৰেই এই বিষয়ত দ্বিমত থাকিব পাৰে বুলি মোৰ বিশ্বাস নহয়। যিহওক দ্বিতীয় তেল শোধনাগাৰৰ সম্পৰ্কে উপৰোক্ত বক্তা সকলেই বহুত কথা বহুত যুক্তি বহুত তথ্য-পাতি ডাঙি ধৰিছে আৰু সকলোৱে একেটা মতকেই পোষণ কৰি আহিছে। আজি অসমৰ সকলো ৰাইজ একেমুখে, একেটা উদ্দেশ্যৰে ঐক্যবদ্ধভাৱে থিয় হোৱাত মই অতিশয় আনন্দ পাইছোঁ।

স্বাধীনতাৰ আগৰে পৰা অসমৰ ভূ-গৰ্ভত বহুত তেল তথা খনিজ পদাৰ্থ আছে বুলি বিশেষজ্ঞ সকলে কৈ গৈছে। কিন্তু সুযোগ সুবিধাৰপৰা বঞ্চিত হৈ থকাত সেই খনিজ পদাৰ্থ উদ্ধাৰ কৰিব পৰা নাই। স্বাধীনতাৰ পিচতো ভাৰতৰ অন্যান্য প্ৰদেশবোৰে উন্নতিৰ পথত আগবাঢ়ি গৈছে। কিন্তু অন্যপ্ৰদেশৰ তুলনাত অসম এতিয়াও বহু পিচপৰি আছে। আজি ২০ বছৰৰ ভিতৰত অসমৰ জনসাধাৰণে প্ৰতিযোগীতাৰ যোগে আগবাঢ়ি যাবলৈ চেষ্টা কৰিছে। কিন্তু অসমৰ প্ৰত্যেক দাবী কেন্দ্ৰীয় চৰকাৰে প্ৰত্যাখ্যান কৰি আহিছে। সেই কাৰণে অসমৰ ডেকা শক্তিয়ে একতাবদ্ধ হৈ অসমৰ ভৱিষ্যতৰ বাবে প্ৰতিযোগিতা হব সেই প্ৰতিযোগিতাত যাতে নিজৰ শক্তিৰ পৰিচয় দি স্থিৰভাৱে আগবাঢ়ি যাব পাৰো, তাৰ কাৰণে মই অসমৰ ডেকা শক্তিক আহ্বান জনাইছো আৰু দ্বিতীয় তেল শোধনাগাৰ দাবীৰ ক্ষেত্ৰত অসমৰ ৰাইজৰ ওপৰত যি গভীৰ দায়িত্ব পৰিছে সেই দায়িত্ব শান্তিপূৰ্ণ ভাৱে পালন কৰিবলৈ মই অসমৰ ডেকা শক্তিক আহ্বান জনাইছোঁ।

দ্বিতীয় তেল শোধনাগাৰ সম্পৰ্কে আমাৰ চৰকাৰে যুক্তিসঙ্গতভাৱে যি দাবী উত্থাপন কৰিছে স্বাৰ্থ জড়িত নহলে নানান অজুহাতত প্ৰত্যাখ্যান কৰিবলৈ চেষ্টা কৰিছে। সেই কাৰণে মই কৈছো তেল শোধনাগাৰৰ দাবীত শান্তিপূৰ্ণভাৱে আমাৰ অসমৰ ডেকা শক্তিয়ে এনেকুৱা শক্তিশালী আৰু তথ্য পূৰ্ণ্য যুক্তি ডাঙি ধৰিব লাগিব যুক্তি যি কেন্দ্ৰীয় চৰকাৰেও খণ্ডন কৰিব নোৱাৰিব। তথাপিও

কেন্দ্ৰীয় চৰকাৰে বিভিন্ন যুক্তিৰে যিকোনো অজুহাত দেখুৱাই দ্বিতীয় তেল শোধনাগাৰ অসমত নহব কাৰণে কৰা চেষ্টাক আমাৰ যুক্তিয়ে খণ্ডন কৰি অসমত দ্বিতীয় তেল শোধনাগাৰ স্থাপনৰ কাৰণে আমি প্ৰস্তুত হব লাগিব। তাৰ বাবে আমি একতাবদ্ধ হৈ শান্তিপূৰ্ণ ভাৱে আন্দোলন চলাই আমাৰ ন্যায্য দাবী পূৰ্ণ কৰাৰ কৃতকাৰ্য্যতা লাভ কৰিব লাগিব। তেল শোধনাগাৰৰ দাবীত বিৰোধী সদস্যসকলে যি আন্দোলনত যোগ দিছে তাৰবাবে মই তেওঁলোক সকলোলৈ আন্তৰিক শলাগ জনাইছোঁ আৰু সদনত সৰ্ব্বসন্মত ভাৱে যিটো প্ৰস্তাৱ লব, সেই প্ৰস্তাৱত আমি চৰকাৰৰ হৈ তেল শোধনাগাৰ স্থাপনৰ চেষ্টা কাৰ্য্যকৰী কৰিবলৈ আৰু আগবাঢ়ি আহিবলৈ মই পুনৰবাৰ মাননীয় সদস্য সকলক আৰু অসমৰ ৰাইজক আহবান জনাইছোঁ। ইমানকে কৈ মোৰ বক্তব্যৰ সামৰণী মাৰিলো।

**Mr. Speaker**: Fifteen Members have participated; I think we have discussed enough and therefore the discussion is closed. I will now ask the Minister to reply:

**Shri Biswadev Sarma (Minister, Industries)**: Mr. Speaker, Sir, this is not the first occasion to discuss an issue of this nature in this House. On a similar occasion this. Hous had to sit late hours in the case of the first Refinery in Assam in the year 1957 also, when a similar occasion arose and this House as well as the entire people of Assam stood as one man in demanding the first oil refinery in Assam and that movement, although has given us a toy refinery, it has also given us a handsome profit as stated by a Committee set up by the Govern-

ment of India, namely, the Public Undertakings Committee. Now, to-day we are sitting in a similar situation on a demand which has the support of the entire people of Assam. Sir, I have, therefore, no quarrel with the members of the Opposition in demanding this with the entire people of the State. Before I come to the points raised by the Government of India on this score, I will make certain observations in reply to some hon. Members of this House regarding the doubts that have been raised against the Government of Assam. Sir, first of all, Shri Phani Bora and Shri Dulal Chandra Barua have expressed some apprehension in their minds that we shall not be equal to the task and they suggested that if necessary we shall have to break the neck of the Government of India. Sir, I do not believe in those things nor do I feel so helpless in this matter In a demand like this, when the entire people of the State is one I do not feel so helpless. Because no democratic Government worth its salt can refuse the demand of the people. So, Sir, I feel quite convinced that we need not have to go to break the Government of India. Nor do we have to go to secede from the Government of India. This sort of statement does not help us. If we believe in democratic methods we must try to follow the same, I would apeal earnestly to the members of this House as well as the people of Assam not to lose faith in democratic principle,

Sir, the members have expressed their doubts about the setting up of an Expert Committee.

Shri Phani Bora : Sir, on a point of personal explanation, when my name has been mentioned by the Minister, I would like to make it clear that by saying breaking of the neck of India I did not mean to break the neck of one Minister literally. It is the political breaking of neck.

Shri Biswadev Sarma : That is what we do not agree, Sir. We do not believe in breaking anybody's neck.

Shri Dulal Chandra Barua : But democratically we can break the neck.

Shri Biswadev Sarma : Sir, with regard to the Expert Committee this morning I had a telephonic talk with Dr. Triguna Sen, Union Minister. He also mentioned to me that an Expert Committee has been set up, But we do not know the composition of the Expert Cemmittee nor do we know the terms of reference of this Committee. So it is not possible for me to comment anything. Now with regard to the delegation to be sent to Delhi from this House I am one with this demand of the hon. Members and I think, Sir, it should be possible for us to send a delegation to Delhi along with the resolution. The point raised.....................

Shri Dulal Chandra Barua : On a point of clarification, Sir. As the Minister has said that he had telephonic talk with the Union Minister for Petroleum Dr. Sen, may I know whether he has given any hint about the composition of the Committee and expressed their acceptance of it ? Because as I have already said, first thing is that they must decide to give us a definite answer on the question of establishment of a Second Public Sector Refirery before they go for such Committce.

Shri Biswadev Sarma : As I have already said, Sir, we have not given any comment on this because we do not know the composition of this Committee and terms of reference of this Expert Committee. So it is not possible for us to say anything in this matter.

Shri Phani Bora : May I ask tae Minister whether there is any necessity for an Expert Committ ?

Shri Biswadev Sarma : Personally I do not feel any necessity because we have amply justified our case.

Shri Dulal Chandra Barua : Whatever it may be. Let us be clear about this. The question of examining the feasibility of the oil Refinery here is out-dated and we connot accept it. Our question is that it must be decided first to locate the Refinery here and after that consideration about its location other things will come.

Shri Biswadev Sarma : Sir, with regard to the economic feasibility of this Refinery, if the hon. Members go through the booklet they will

find that it has been amply justified by us that it is economically feasible not only for us but for the entire country if this Refinery is located in Assam. That is how we wanted to convince the Government of India. Sir, some of the members found fault with us that we have not been active on this. Sir, it will be remembered by the hon. Members of this House that in the case of the first Refinery as has been mentioned by Mr. Gaurisankar Bhattacharyya, we rose to one man with the entire people of Assam and my humbleself as member of this House moved a unanimous resolution in this House and to-day also it is my fortune that I am going to move a similar resolution again. So there is no dearth of slackness on the part of Government of Assam. I would like to inform the House as to the steps we have taken in the matter.

Discovery of promising oil fields at Rudrasagar and Lakuwa and the recent oil field at Geleki together with the possibility of further discoveries of such oil fields at Doomdooma, Nigru and other areas in the neighbourhood by O.N.G.C. and Oil India Limited led to the question of creating additional refining capacity in Assam. At the instance of the Chief Minister, the State Government in the Industries Department, started making necessary correspondenc on the subject with the Government of India from February, 1966. The Chief Minister also discussed the matter with Shri, Asok Mehta, the then Minister for Petroleum and Chemicals, during the latter's visit to Assam in February, 1963.

The Government of India's argument all these times has been that there is no justification for creating additional refining capacity in Assam. According to them the question of establishing additional refining capacity in Assam, to process the curde produced in the region, has been given full consideration by the Government of India, but the various factors which need to be taken into consideration in the study of a proposal of this nature all militate against the creation of any additional refining capacity in Assam.

The following are the main reasons advanced by the Government of India in suppart of their views that there is no justification for creation of additional refining capacity in Assam:—

(1) A Major initial factor is the shortage of crude oil available in the oil fields in Assam. Oil India Limited can produce about 3 million tonnes of crude oil per year from the areas leased out to it in Assam. Of this quantity about ·25 million tonnes go to Digboi Refinery and the balance 2·75 million tonnes are utlised by the Gauhati and Barauni Refineries. Taking the production of Oil India Limited at 3 million tonnes per annum and that of Oil and Natural Gas Commission at 1.26 million tonnes per annum by 1970-71 the total production of Assam crude by that year would be around 4.35 million tonnes including the production from Digboi fields.

The capacity of the Barauni Refinery has

been expanded to 3 million tonnes. A proposal to expand the capacity of the Gauhati Refinery to 1·1 million tonnes is also under examination. Betwe:n these two Refineries and the Refinery at Digboi the entire Assam crude would be used up. Government of India, therefore, argues that no additional l›cal crude is likely to become available for being processed in any newly created additional refining capacity in Assam.

(2) The second argument advanced by Government of India against creation of any additional refin'ng capacity in Assam is that the demands for various oil products in the region is well behind current production. The surplus products are theref›re, requ'red to be transport to the neighbouring States of Bihar and West Bengal by rail and pipe-line. This movement involves substantial under recoveries on freight which have to be borne by the Indian Oil Corporation for Gauhati Refinery. Therefore, creation of additional refining capacity in Assam will further aggravate this problem.

(3) The third argument advanced by the Government of India is that the current trend in Refineries is to locate them in areas of large demand and not near oil fields distant from consumption centres. This practice permits of location of Refineries being dispersed geographically for strategic and security reasons.

(4) That the employment potential in the Refineries is not very substantial.

As against this, Sir, observations on all these points have been furnish to the Government of India. As regards the availability of crude, it is found that the production from Oil and Natural Gas Commission's fields at Lakuwa and Rudrasagar is estimated at 1.25, million tonnes in 1970—hopefully increasing to 3 million tonnes by 1975, if new discoveries keep pace with the exploratory work being done now. Oil had been struck at Geleki which has higher thickness of oil bearing sand than the Rudrasagar and Lakuwa areas. From the estimated production of 4.3 million tonnes in 1970, production is expected to go up to 6.09 million tonnes by 1975, as pointed out by Indian Institute of Petroleum in their recent study. If additional refining capacity is considerd for development in Assam, additional crude requirement might be expected to arise only by about 1975. It would, therefore, be quite reasonable to say that crude availability cannot be an adverse factor against initiating a programme for development of additional refining capacity in Assam, as establishment of a refinery takes 4 to 5 years.

Regarding undra recovery on freight, State Government feels that it is the direct result of an irrational Pricing policy based on import parity,

Apart from that it is also seen that the same problem of under recovery on freight has arisen in a more acute form in respect of the Barauni Refinery as well. It is, however, seen that the problem of under recovery has not stood in the way of expansion of the Barauni Refinery to 3 million tonnes capacity.

The State Government's comments on the Government of India's third argument is that in spite of being an oil producing State Assam has not so far been able to make headway in the sphere of industrial development. There is very little scope for establishing any industry in Assam by importing raw materials from other parts of the country. The only possible way to develop industries in the State is to utilise and process the indigenous raw materials within the State itself.

On the grounds of security (Government of India has raised the question of strategic consisideration), it would be wrong to consider further development of refining capacity in Assam undersirable. In this jet age and atomic weapons one area in the country can be as safe or unsafe as any other. The life blood of a refinery being the crude, the question of providing additional security by installing a refinery far away from Assam would not arise since the crude reserves in any case cannot be shifted. By destroying

these reserves the entire refinery industry can in fact be destroyed.

As regards Government of India's fourth argument, that employment potential in a refinery is not very substantial, the State Government's view is that it may be that creation of additional refining capacity would give employment to only about 400 persons. But that is not the most important point. The indirect benefit that an industry of this size brings is very large. The effect of large industry on the general economy is considerable. Various subsidised industries can also be started based on various products of this Refinery.

In this connection the State Government has been in constant touch with the Govenment of India and the Chief Minister by his letter dated 11th March 1969 has conveyed the general feelings of the people of the State on this issue to the Union Minister, Petro-Chemicals, and requesed him to favourably consider the case for establishment of additional refining capacity in Assam as early as possible.

Sir, as desired by the House I now propose to move a resolution in the House. I hope the House will accept it unanimously. Sir, with your permission I would like to move this resolution.

"Whereas the establishment of a Second Public Sector Refinery in Assam is the unanimous demand of the people and the Government of Assam on grounds of approved policy of removing regional imbalances, on grounds of the accepted principle of establishment of industries on the availability of raw materials where found, and on seal and legitimate aspirations of the people of the whole State, and

Whereas the economic feasibility and profitabliity of such a project have been amply and fully established.

This House now extends its full support to this demand, and resolves that the Government of India do urgently take necessary steps to set up the Second Public Sector Refinery with a refining capacity of at least two million tonnes in the State."

Sir, I commond my Motion for the acceptance of the House.

Shri Phani Bora : Sir, I fully support this resolution, and while supporting the resolution I say that having passed the resolution we pledge to follcw it up to

the last. Our demand is just and we will have the second public sector refinery in Assam.

Mr. Speaker : The question is that "Whereas the establishment of a Second Public Sector Refinery in Assam is the unanimous demand of the people and the Government of Assam on grounds of approved policy of removing regional imbalances, on grounds of the accepted principle of establishment of industries on the availability of raw materials where found and on real and legitimate aspirations of the people of the whole State, and

Whereas the economic feasibility and profitability of such a project have been amply and fully established.

This House now extends its full support of this demand and resolves that the Government to India do urgently take necessary steps to set up the Second Public Sector Refinery with a refining capacity of at least two million tonnes in the State.

(The resolution was passed)

## ADJOURNMENT

The Assembly then adjourned till 10 A. M. on Tuesday the 25th March 1969.

U. Tahbildar,

Shillong
The 24th March 1969

Secretary,
Legislative Assembly, Assam